স্মৰণিকা, ২০১৪

সাহোন



:::WITH BEST COMPLIMENTS FROM :::
ONOMA
- Anti-rust Treated
- Powder Coated
understanding your needs better...
The perfect storage solution
Storage Furniture for OFFICE, HOME, & Beyond...
For Business Enquiry: ONOMA REGIONAL SALES OFFICE
Dandi Tower, G.S.Road, Dispur,
Guwahati-781006
Contact: 9678000893/9678073401/8011005660
E Mail: www.onoma.in
sales@onomaindia.com
sujit@onomaindia.com
Admin. Office: Noida, New Delhi
Footprints : New Delhi- NCR, Ahmedabad
Chennai, Dehradun, Guwahati, Kolkata

সাহোন

একত্রিংশত্তম সংখ্যা

বৃহত্তৰ ৰুক্মিণীনগৰ একত্রিংশত্তম ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা

১, ২ আৰু ৩ ব'হাগ

১৫, ১৬ আৰু ১৭ এপ্রিল

মঙল, বুধ আৰু বৃহস্পতিবাৰ

১৪২১ ভাস্কৰাব্দ ১৯৩৬ শকাব্দ, ২০১৪ চন

ৰঙালী বিহুৰ শুভেচ্ছা আৰু নতুন বছৰৰ ওলগ জনাই...

প্ৰতি,

....

....

বিহুৰ সেৱাৰে—

ৰমেন কলিতা
সভাপতি

মহেন্দ্ৰ শৰ্মা
সম্পাদক

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

একত্ৰিংশত্তম সংখ্যা

বৃহত্তৰ ৰুক্মিণীনগৰ একত্ৰিংশত্তম ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা

২০১৪

ৰঙালী বিহু উৎসৱৰ উদ্বোধনী গীত

ৰঙালী বিহুক জাতীয় মৰ্যাদা দি মঞ্চ বিহুৰ জন্মদাতা গুৱাহাটী বিহু সন্মিলনীৰ প্ৰথম বৰ্ষৰ (১৯৫২ চন)। পতাকা উত্তোলনৰ সময়ত সমবেত কণ্ঠেৰে গোৱা এই গীতটি আজিৰ অসমৰ বিহুতলীসমূহে 'বিহু উদ্বোধনী' গীতৰূপে গ্ৰহণ কৰিছে। এই গীতটিৰ সুৰ আৰু কথা যশস্বী সুৰকাৰ আৰু সংগীতজ্ঞ প্ৰয়াত পুৰুযোত্তম দাসৰ—

শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে
উছৱৰ মধু আলোড়ন।
জাগে গম্ভীৰ গিৰিবৰ প্ৰান্তৰ মনোহৰ
সুন্দৰ বন উপ-বন।
ভেদাভেদ পৰিহৰি কত জাতি-উপজাতি
মহাপীঠ কৰে নিৰমান।
উলাহ অধীৰ ছন্দে কৌটি কৌটি কণ্ঠে
গায় সৰে মিলনৰ গান।
সৰগৰ ৰহঘৰা ৰূপে-ৰসে-ৰঙে ভৰা
উচ্ছল যত প্ৰাণ-মন।
সৃষ্টিৰ সুৰ বাজে প্ৰীতিৰ পতাকা উৰে
নতুনৰ লই আৱাহন।

স্মৰণিকা সম্পাদনা সমিতি

উপদেষ্টা	ঃ	ৰমেন দাস, ভাৰতী ভট্টাচাৰ্যী
সভাপতি	ঃ	ৰমেন কলিতা
উপ-সভাপতি	ঃ	মঞ্জুলা কাকতি, দীপাংকৰ হাজৰিকা
সম্পাদক	ঃ	মহেন্দ্ৰ শৰ্মা
সহ-সম্পাদকদ্বয়	ঃ	সুৱৰ্ণলতা হাজৰিকা, নীলমনি ঠাকুৰ
সদস্য/সদস্যা	ঃ	ৰাতুল দাস, বিকি বড়ো, মামনী দাস

শ্ৰদ্ধাঞ্জলি



গোপাল চন্দ্ৰ বৈশ্য

সুশীল কুমাৰ শৰ্মা



সমাজ আৰু সংস্কৃতিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ বৃহত্তৰ ৰুক্মিণীনগৰ হাউছিং কল'নিৰ বিহুখনিক উন্নতিৰ শিখৰলৈ আগবঢ়াই নিয়া পৰম শ্ৰদ্ধাভাজন গোপাল চন্দ্ৰ বৈশ্য আৰু সুশীল কুমাৰ শৰ্মাৰ বিদেহ আত্মাৰ শান্তিৰ অৰ্থে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

বৃহত্তৰ ৰুক্মিণীনগৰ একত্ৰিংশত্তম ৰঙালী বিহু সন্মিলন

GOVERNOR ASSAM

RAJ BHAVAN
GUWAHATI

March 26, 2014

MESSAGE

I am happy to learn that the Brihattar Rukmininagar Rongali Bihu Udjapan Samity, Guwahati is going to celebrate the Rongali Bihu from 15 - 17 April 2014 with the customary programmes and publish a souvenir to commemorate the occasion.

The Rongali Bihu festival occupies an important place in the hearts of the people of the State. This festival brings out the rich cultural heritage of the society, which has evolved from time immemorial to promote the feelings of unity and integrity amongst all. I hope that the people of Assam irrespective of caste and creed will be able to achieve its goal in the true sense.

I convey my best wishes to all members of the Samity for a resounding success of the celebrations.

(Janaki Ballav Patnaik)
Governor of Assam

Jitesh Khosla, I.A.S.
Chief Secretary

GOVERNMENT OF ASSAM
Block-'C', 3rd Floor,
Assam Sachivalaya,
Dispur, Guwahati-781006
Tel. : 0361- 2261120 (O)
2261403 (O)
2260900 (Fax)
E-mail : cs-assam@nic.in
j.khosla@nic.in

শুভেচ্ছাবাণী

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনে গৌৰৱোজ্জ্বল ত্ৰিশটা বছৰ অতিক্ৰমি একত্ৰিংশতিতম ৰঙালী বিহু উদ্‌যাপন কৰিবলৈ লোৱা বুলি জানি আনন্দিত হ'লো।

অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহু উদ্‌যাপনে বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অনন্য বৰঙণি যোগাই অহাৰ লগতে বৰ অসমৰ বিনন্দীয়া সংস্কৃতিক উৰ্বৰ কৰি আহিছে। অহা ১৫ এপ্ৰিলৰ পৰা ১৭ এপ্ৰিললৈ তিনিদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ অসমীয়া সংস্কৃতিৰ বৰঘৰৰ লাইখুঁটা স্বৰূপ এই ৰঙালী বিহুৰ প্ৰতিটো কাৰ্যসূচী সফলভাৱে সমাপন হোৱাৰ বাবে শুভকামনা যাচিছো।

বিহু উদ্‌যাপনৰ লগত সংগতি ৰাখি প্ৰকাশ কৰিবলৈ লোৱা স্মৃতিগ্ৰন্থ 'সাহোন' অসমীয়া লোক-কৃষ্টি সম্পৰ্কীয় লেখাৰে সমৃদ্ধ হৈ, উঠি অহা প্ৰজন্মক নিজৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতি জাগ্ৰত কৰাত সহায়ক হোৱাৰ লগতে গ্ৰন্থখনে সকলোৰে সমাদৰ বুটলিবলৈ সক্ষম হ'ব বুলি আশা কৰিলো।

উদ্‌যাপন সমিতিৰ সকলো সদস্যৰ লগতে সমূহ অসমবাসীলৈ ৰঙালী বিহুৰ ওলগ যাচিলো।

জি খোচলা

(জিতেশ খোচলা)

অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট - ৭৮৫০০১ ▶ (০৩৭৬)২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী- ৭৮১০০১ ▶ (০৩৬১)২৫১৫৮৩০ ফেক্স- (০৩৬১)২৭৩১৬৯৫
ডিফু কাৰ্যালয় ঃ বাংছিনা ভৱন, ডিফু - ৭৮২৪৬০ ▶ (০৩৬৭১)২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী - ৭৮৩৩০১ ▶ (০৩৬৬২)২৩২৫২৮
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড় - ৭৮৬০০৩ ▶ (০৩৭৩)২৩১৫১২৮
শিলচৰ আঞ্চলিক কাৰ্যালয়, শিলচৰ-৭৮৮০০১ ফেক্স- (০৩৮৪)২২৬৩৭৯৭
উত্তৰ লক্ষীমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লক্ষীমপুৰ- ৭৮৭০০১
নগাঁও আঞ্চলিক কাৰ্যালয়, কমলাদেৱী তোদী স্মৃতি ভৱন, মহিচন্দ্ৰ বৰা পথ, নগাঁও- ৭৮২০০১
Website:www.asomsahityasabha.org ■ E-mail-asam.sahitya.sabha@gmail.com

ইমৰান শ্বাহ
সভাপতি

শুভেচ্ছাবাণী

বৃহত্তৰ অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিৰ পথাৰত যুগ যুগ ধৰি সমন্বয়ৰ দলিচা পাৰি জাতিটোৰ স্বকীয় সত্ত্বাক সজীৱ কৰি অহা অন্যতম জাতীয় উৎসৱ ৰঙালী বিহু। অসমৰ প্ৰথমজাক বৰষুণে আনে খেতিয়কৰ চকুলৈ সপোন, জীয়াই থকাৰ প্ৰেৰণা। আনন্দৰ উৎসৱ ৰঙালী বিহু আহে একোটি আশাৰ বতৰা লৈ, একোটি সপোন লৈ সকলোৰে মনত, সকলোৰে দেহত। এয়া যেন আমাৰ এৰাব নোৱাৰা সম্পৰ্ক মাটি আৰু মানুহৰ। অসম আৰু অসমীয়াৰ দেহ-প্ৰাণ নাচি উঠে জাতীয় জীৱনৰ এই মহা উৎসৱত। হৃদয়ৰ ভাষাক সৃষ্টিৰ পথাৰত সিঁচি সকলোৱে মিলনৰ জয়গান গায়। ভিন্ন ৰূপ, ভিন্ন সুৰ, ভিন্ন ৰং মিলিত হয় ৰঙালী বিহুৰ আনন্দোৎসৱত।

পাহাৰ-ভৈয়াম একাকাৰ কৰি বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণত গঠিত অসমীয়া জাতিৰ পৰিচয় বহন কৰা আমাৰ অতিকৈ আদৰৰ ৰঙালী বিহুটিক 'বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি'য়ে বৰ্ণাঢ্য কাৰ্যসূচীৰে ১৫ এপ্ৰিলৰ পৰা ১৭ এপ্ৰিললৈ উদ্‌যাপন কৰিব বুলি জানি আনন্দ অনুভৱ কৰিছোঁ।

ৰঙালীৰ এই মহা আয়োজনক চিৰস্মৰণীয় কৰি ৰাখিবৰ বাবে আমাৰ স্বকীয় ভাষা-সাহিত্য-সংস্কৃতিৰ ন-ন সৃষ্টিৰ মেটমৰা সম্ভাৰেৰে সমৃদ্ধ এখনি স্মৃতিগ্ৰন্থ 'সাহোন' প্ৰকাশ কৰিবলৈ প্ৰচেষ্টা হাতত লৈছে। আশাকৰো, 'সাহোন'ৰ পাতে পাতে জাতীয় ভাষা-সাহিত্য-সংস্কৃতিৰ জয়গান গাব নৱ-প্ৰজন্মৰ সাহিত্যৰ সৈনিকসকলে— অনুভৱৰ কঠীয়া সিঁচিব সন্মিলনখনৰ লগত জড়িত সংস্কৃতিৰ পূজাৰীসকলে।

'সাহোন' অসমীয়া জাতিৰ সম্প্ৰীতিৰ দাপোণ হওক— তাৰেই কামনাৰে সবালৈকে ৰঙালী বিহুৰ আন্তৰিক শুভেচ্ছা যাচিলো।

চিৰ চেনেহী মোৰ ভাষা জননী।

ইমৰান শ্বাহ

(ইমৰান শ্বাহ)
সভাপতি

১৮ চ'ত, ১৪২০ ভাস্কৰাব্দ

সম্পাদকীয়

আকৌ আহিল ঋতুৰাজ বসন্ত! আকৌ বিহু অসমীয়াৰ! বিভিন্ন ভাষা, ধৰ্ম-বৰ্ণ, জাতি-উপজাতি আদিৰে গঠিত এই বৃহৎ জনগোষ্ঠীটোৰ গাত কিয় বাৰু বাৰে বাৰে বিহু নামৰ এই উৎসৱটি আহি থৌকি-বাথৌখন লগাই দিয়ে। ঋতু আহে ঋতু যায়। প্ৰকৃতিৰ এই নিয়ম অনাদি কালৰে পৰা ধাৱমান এই ব্ৰহ্মাণ্ডত। নদ-নদী, বায়ু-পানী, সাগৰ-মৰু, তৰু-তৃণ, চৰাই-চিৰিকতি, ৰঙা-নীলা, হালধীয়া পখিলা আদি প্ৰকৃতিৰ অকৃত্ৰিম দান লৈ আমি জনম লভিছো। হাঁহিছো-কান্দিছো, অভিমান কৰিছো আৰু যে কত কিমান অভিনয় কৰিছো। অভিনয় শেষ হ'লে এদিন এই প্ৰকৃতিৰ বুকুতে বিলীন হৈ যাব লাগিব। এয়ে সত্যম-শিৱম-সুন্দৰম। এই নিৰৱচ্ছিন্ন সোঁতৰ বিপৰীতে যোৱাৰ কাৰো উপায়ো নাই, সামৰ্থ্যও নাই— সি যিমানেই ক্ষমতাশীল বা আঢ্যৱন্ত নহওক। আমাৰ সংস্কৃতিসমূহো এই সোঁতৰে অংশ বিশেষ। সংস্কৃতি এটা জাতিৰ প্ৰাণবায়ু স্বৰূপ। ভিন্ন জাতি-ভিন্ন সংস্কৃতি। বিজতৰীয়া সংস্কৃতি এটা জাতিৰ কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। এটা জাতিৰ ঐতিহাসিক, সামাজিক, প্ৰাকৃতিক পৰিবেশৰ পটভূমিত সৃষ্টি হোৱা সংস্কৃতি সেই সমাজৰ বুকুৰ কুটুম। কোনেও সেই সংস্কৃতি মষিমূৰ কৰিব নোৱাৰে। সেয়ে অসমীয়াৰ বিহু। অৰ্থনৈতিক, সামাজিক, উচ্চ-নীচ ভেদভাৱ দূৰ কৰি বিশ্ববাসীক দিব পৰা সুকীয়া পৰিচয়। একত্ৰিংশত্তম বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ স্মৰণিকা 'সাহোন'ৰ সম্পাদক হিচাপে এয়াই মোৰ সূক্ষ্ম অনুভৱ। আশাকৰো সদাশয় পঢুৱৈ সমাজে ভুল-ত্ৰুটিখিনি আঙুলিয়াই দি বাধিত কৰিব।

'সাহোন'খনি প্ৰকাশ কৰি উলিওৱাত সহায়-সহযোগিতা আগবঢ়োৱা বাবে সম্পাদনা সমিতিৰ মাননীয় উপদেষ্টা মণ্ডলী, মাননীয় সভাপতি মহোদয়, মাননীয় উপ-সভাপতিদ্বয় প্ৰমুখ্যে যুটীয়া সম্পাদকদ্বয় আৰু সদস্যবৃন্দ সকলোটিলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। বহুমূলীয়া দিহা-পৰামৰ্শৰে সহায়, সহযোগিতা আগবঢ়োৱা বাবে কাৰ্যকৰী সমিতি তথা উপ-সমিতিসমূহৰ কৰ্মকৰ্তাসকলৰ প্ৰতি মই পৰম কৃতজ্ঞ আৰু তেখেতসকললৈ মোৰ অশেষ শ্ৰদ্ধা যাচিলো। বিহুৱলীয়া ৰাইজলৈ নতুন বছৰ আৰু ৰঙালী বিহুৰ শুভেচ্ছাৰে—

মহেন্দ্ৰ শৰ্মা

(মহেন্দ্ৰ শৰ্মা)

সম্পাদক, 'সাহোন'

সূচীপত্ৰ

প্ৰবন্ধ

বহুৰূপী বিহু ♦ **ভবানীপ্ৰসাদ অধিকাৰী/১৩**

প্ৰতিটো ব'হাগেই মোৰ প্ৰথম ব'হাগ ♦ **ৰমেন কলিতা/১৭**

অসমীয়া বিহু সন্দৰ্ভত আযাৰচেৰেক ♦ **সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী/২৩**

ভৈয়ামৰ কাৰ্বিসকলৰ কৃষ্টিত বিহু ♦ **গীতাঞ্জলি দাস ক্ৰ'/২৭**

বিহু আৰু বিহুগীতৰ সাৰ্বজনীন ৰূপ ♦ **ৰমেন দাস/৩০**

সময় আধুনিকীকৰণ, সমাজ ব্যৱস্থা, বিৱৰ্তিত প্ৰজন্ম তথা বিহুৰ উৎপৰিৱৰ্তন— এটি পৰ্যালোচনা ♦ **কঙ্কন বৰ্মন/৩৪**

অসমীয়া জনজীৱনত তামোল-পাণৰ ব্যৱহাৰ আৰু বিহু নামত তামোল-পাণৰ স্থান **পাৰুল বৰুৱা/৩৭**

ব'হাগৰ চিন্তা ♦ **নৱ কুমাৰ তালুকদাৰ/৪১**

ব'হাগ হওক অসমীয়া জাতিৰ আয়ুস ৰেখা ♦ **দীপাঙ্ক হাজৰিকা/৪৩**

মহানুভৱ ♦ **নিলিমা শইকীয়া দাস/৪৬**

গুডী পড়ৱা ♦ **ভাৰতী ভট্টাচাৰ্য/৪৮**

ৰঙালী বিহু— এটি শিশুৰ অনুভৱ ♦ **হৃষিকেশ শৰ্মা /৫০**

গল্প

উত্তৰণ ♦ **ৰেৱতী মোহন হাজৰিকা/৫১**

কৃতজ্ঞতা ♦ **সত্যধৰ মটক/৫৮**

কিউ ♦ **মনোজ কুমাৰ গোস্বামী/৬২**

সোঁৱৰণি সোণালীয়ে ♦ **প্ৰয়াত ফাৰুক হুছেইন/৬৭**

গামোচাৰ নিলাম ♦ **বাপন কলিতা/৭৬**

হাস্য-ব্যংগ

চিলনীৰ জীয়েক ♦ **দাসো কলিতা /৮০**

কবিতা

প্ৰশ্ন ♦ **নলিনীধৰ ভট্টাচাৰ্য/৮৩**

উখল-মাখল ব'হাগ ♦ **মীৰা ঠাকুৰ/৮৪**

কাঁইটৰ ফুল ♦ **ড° চিত্তৰঞ্জন দাস/৮৫**

ব'হাগৰ দুটা কবিতা ♦ **ৰবীন্দ্ৰ বৰা/৮৫**

সুৰ ♦ **সুমিত্ৰা গোস্বামী/৮৬**

পাৰিবানে নহাকৈ থাকিব ♦ **কল্পনা শৰ্মা/৮৭**

অহা-যোৱাৰ বাটত ♦ **পশুপতি হাজৰিকা/৮৭**

বসন্তৰ আগমনত ♦ **উন্মনা মাধুৰী দত্ত /৮৮**

ইনালে-বিনালে কুলি-কেতেকীয়ে ♦ **বনমালী গোস্বামী/৮৯**

তাহানি বিহুতলীতে ♦ **মীনাক্ষী ভূঞা/৯০**

সময় যেতিয়া অতীত হয় ♦ **প্ৰতিভা শৰ্মা/৯২**

তই চ'ততে আহিবি বাসন্তী ♦ **ননী বৰুৱা গগৈ/৯৩**

জ্যোতিক জনাওঁ প্ৰণিপাত ♦ **মঞ্জুলা কাকতি/৯৪**

বেদনা ♦ **মণিষা বণিক্য/৯৪**

মানুহ ♦ **তেজশ্ৰী বৰা/৯৫**

সম্ভাৰ ♦ **প্ৰণিতা দাস/৯৬**

বসন্ত ♦ **বিকি বড়ো/৯৭**

অন্তৰ্দ্বন্দ্ব ♦ **খৰ্গ বাহাদুৰ ক্ষেত্ৰী/৯৭**

ব'হাগৰ বতৰ **সুবৰ্ণলতা হাজৰিকা/৯৮**

মৰমৰ সোণ ♦ **মামণি দাস/৯৯**

নদীখনত এতিয়া যখিনীৰ থুই ♦ **আৰতি দেৱী/১০০**

অনুভৱৰ দুটামান স্তৱক ♦ **গিৰীশ দত্ত/১০১**

প্ৰবন্ধ

বহুৰূপী বিহু

ভৱানী প্ৰসাদ অধিকাৰী

পৃথিৱীৰ সকলো দেশৰ বাবে এপ্ৰিল মাহটো যেন নিজৰ। ভিন ভিন দেশত হয়তো মাহটোৰ নাম সুকীয়া। কিন্তু প্ৰকৃতিৰ আচৰণ প্ৰায় একেই। মানুহৰ মনত প্ৰকৃতিৰ আঁচোৰ লাগে। মনটো কিবা কিবা কৰে। সকলো অনুভূতি হিয়া উজাৰি ওলাই আহে।

অসমৰ প্ৰায় সকলো জনগোষ্ঠীয়ে ব'হাগটোকে সাদৰে আদৰে। ব'হাগতে বিহু পাতে। নিজৰ ধৰণেৰে ইয়াৰ উৎপত্তি বিচাৰ কৰি আৰু কল্পনা কৰি সুখ পায়। ব'হাগক, বিহুটিক আপোন কৰি আত্মহাৰা হোৱা ভাগ্যবানসকল কম সুখীনে?

সংস্কৃতি কোনো ভৌগোলিক সীমাৰেখাত চিৰবন্দী নহয়। পৰিৱৰ্তনেই ইয়াৰ ধৰ্ম। ভাষা বোঁৱতী সুঁতি, সংস্কৃতিও বেগৱতী নৈ। ই বৈ নাথাকে— গৈ থাকে। বাটত সোঁত সলায়— মোট সলায়। পলস পেলায়-পলস কঢ়িয়াই নিয়ে। সমাজ পথাৰ পলসুৱা কৰে। তাতেই ন ন সংস্কৃতিয়ে ন ৰূপত পুলি পোখা মেলে। ৰূপান্তৰৰ কি বিচিত্ৰতা।

মানুহ বনৰীয়াৰ পৰা ঘৰচীয়া হোৱা, গাঁৱলীয়া, চহৰীয়া, নগৰীয়া হোৱাটো সভ্যতাৰ একোটাহঁত স্তৰ। কুকুৰ, কুকুৰা, গৰু, ঘোঁৰাক ঘৰচীয়া কৰোতা মানুহে নৱপ্ৰস্তৰ যুগতেই খেতি কৰিবলৈ শিকিছিল। ভোটাক জোঙা কৰিবলৈ শিকা মানুহে সা-সঁজুলি তৈয়াৰ কৰি লৈছিল। পাচি-খৰাহী সজাৰ ধাৰণাৰ পৰা আঁহ পাত, জন্তুৰ নোমৰ কাপোৰ ববলৈ শিকি সভ্যতাৰ জখলাত দোপত দোপে উধাইছিল। কিন্তু তাৰো আগতে আনন্দ-আহ্লাদ, শোক-দুখ-বেজাৰৰ অনুভূতি প্ৰকাশ কৰিব পাৰিছিল। কিন্তু শস্য উৎপাদন আৰু শস্য ৰক্ষাৰ প্ৰয়োজনত মনৰ গতি দ্ৰুতভাৱে আবেগিক হৈ পৰিল। তেতিয়াৰে পৰা জনবিশ্বাসজনিত আৰু এটা প্ৰাকৃতিক ৰূপৰ বৰ্ণ বৈচিত্ৰ্যই মানুহৰ মনত কল্পনা শক্তিৰ জন্ম দিলে। গতিকে মানুহৰ মনত কল্পনা শক্তিৰ জন্ম দিলে। গতিকে স্থান আৰু কালৰ প্ৰভাৱত এই ভাবাৱেগে ন-ন সাজ পৰিধান কৰিলে। আমি ভটিয়াই নগৈ উত্তৰ-পূৰ্বাঞ্চলৰ কেউটা জনগোষ্ঠীৰ বিভিন্ন উৎসৱ-পাৰ্বণলৈ লক্ষ্য কৰিলেই কৃষি কৰ্ম তথা উৎপাদনৰ স'তে কৃত কৃত্যবোৰ চকুত পৰে। প্ৰকৃতিৰ পত্ৰ, পুষ্প, চৰাই চিৰিকতিৰ বিচিত্ৰতাক লৈ গীত-মাত পদ স্বতঃস্ফূৰ্তভাৱে নিজৰি নিগৰি ওলাবলৈ ধৰিলে। প্ৰতিটো জনগোষ্ঠীৰ মাত অনুসৰি এইবোৰৰ জাত-বিচাৰ হ'ল।

পাটকাই পাৰ হৈ ম্যানমাৰ, থাইলেণ্ড, লাওচ, কম্বোডিয়া, চিন আৰু হিমালয়ৰ সিপাৰে আৰু ইপাৰে চীন, তিব্বত, নেপাল, কাশ্মীৰলৈ ব'হাগ আহে। আমাৰ দৰে বিহু আহে — পিছে সুকীয়া নাম আৰু সত্তাৰে। ইৰানতো নতুন বছৰ আহে, মাথোঁ ইৰানী সাজত। আচৰিত যেন লাগিলেও দক্ষিণ-পূব এছিয়াৰ কেইবাখনো দেশৰ ব'হাগী

উৎসৱ প্ৰায় একে ধৰণেই পালন কৰে। লাওচ, কম্বোদিয়া, থাইলেণ্ডত আমাৰ সংক্ৰান্তি বা দোমাহীৰ নামেৰে বিহুক চংক্ৰান বুলি কয়। সংস্কৃত সংক্ৰান্তি শব্দৰ পৰা চংক্ৰান হোৱা বুলি জনা যায়। ম্যানমাৰত চাংকেন আৰু অসমৰ বৌদ্ধধৰ্মী তাইসকলে পয় চাংকেন বুলি কয়। ইও সংক্ৰান্তিৰে এটা বিক্ষিপ্ত ৰূপ। পুৰণি কালত চীন দেশত নতুন বছৰৰ এই উৎসৱটো দহ দিনীয়াকৈ পালন কৰিছিল। বৰ্তমান অসমৰ দৰে চীনকে ধৰি নেপাল আৰু তিব্বততো সাদিন ব্যাপী পালন কৰে। আমি সাত বিহু পাতো। ইয়াৰ মাজতে মানুহ বিহুৰ দিনা বিহুৱান দিয়া আৰম্ভ কৰি সাত বিহুত প্ৰিয়জনক বিহুৱান দিয়া নিয়ম। তিব্বততো কাপোৰ একোখন উপহাৰ দিয়াৰ প্ৰথা প্ৰচলিত আছে। দক্ষিণ ভাৰতত বিছু, পঞ্জাৱত বৈশাখু উদ্‌যাপন কৰে। এইখিনিতে আমাৰ অসমৰ বিহুৰ কেতবোৰ বৈশিষ্ট্যৰ কথা ক'ব পাৰি। আমি সাধাৰণতে ভবা মতে, অসমৰ জনজাতীয় জনগোষ্ঠীৰ ভিন ভিন বিশ্বাস অনুসৰি সংক্ৰান্তিৰ দিনা বিহু পাতে। দেউৰীসকলেও বুধবাৰে বিহু পাতে। কথাতে কয় মঙলে উৰুকা, বুধে গৰু ধুৱায়। বুধবাৰটো পবিত্ৰ বাৰ। মহাযাজী পন্থী বৌদ্ধসকলে, বিশেষতঃ তিব্বতীসকলে এই বাৰটো অতি পৱিত্ৰ জ্ঞান কৰে।

চীন দেশৰ বিহুৰ লগত অসমৰ মাঘ বিহু আৰু ব'হাগ বিহুৰ সাদৃশ্য আৰু বৈসাদৃশ্য মন কৰিবলগীয়া। অতি প্ৰাচীন কালৰে পৰা চীন য়ুন্নান প্ৰদেশৰ তাইসকলৰ মাজত বিহুৰ প্ৰচলন আছে। মাঘৰ মেজিৰ জুইৰ উত্তাপ লোৱা আৰু ব'হাগৰ বিহুৰ ৰং ৰহইচ দুয়োটা য়ুন্নানত এতিয়াও আছে। আমি আগতেই কৈছো যে দক্ষিণ-পূব এছিয়াৰ দেশসমূহত দুয়োটা বিহু সামান্য ইফাল-সিফাল হ'লেও প্ৰায় সাদৃশ্যমূলক ৰূপত উদ্‌যাপিত হয়। আনহাতে, অকল চীন দেশতে বিহুৰ জন্ম সম্পৰ্কীয় অনেক কাহিনীৰ জন্ম হৈছে। অসমৰ বিহুৰ জন্ম কাহিনীত ধন কলীয়াৰ কাহিনী আৰু চতাই পৰেবত (পৰ্বত)ৰ কথা পোৱা যায়। চীনৰ বিভিন্ন অঞ্চলত নানান ৰূপত বিহুৰ জন্ম কথা বিবৃত হৈছে। বিভিন্ন সাংস্কৃতিক উপাদান আৰু ধৰ্মৰ প্ৰভাৱতো এনে হোৱাৰ সম্ভাৱনা অধিক। অৱশ্যে অসমৰ দৰে এনে সময়তে চীনতো ব'হাগ বিহু পতা দেখা যায়। তাৰ বিহুৱলীয়া ৰাইজে ঢোল-তাল বজাই নাচি-বাগি গীত গাই আনন্দ উলাহ কৰে। কিন্তু ইয়াৰ মাজতে এটি বৈশিষ্ট্যও আছে। সেয়া হ'ল পৰস্পৰে পৰস্পৰৰ গালৈ পানী ছটিওৱা। আচৰিত যেন লাগিলেও আমাৰ গৰু বিহুৰ দিনা গৰু ধোওৱা, লাউ-বেঙেনা খুওৱাৰ দৰে চীনতো নৈ বিল খাললৈ গৰু লৈ গৈ পানী ছটিয়াই গা ধুৱাই গৰুৰ গালৈ লাউ-বেঙেনা দলিয়ায়।

অসমৰ তাই খামতি, তাই ফাকে, তাই আইতন, তাই শ্যাম, তাই খাময়াং, তাই তুৰংসকলে বিহুত ইজনে সিজনৰ গালৈ পানী ছটিয়াই ৰং-ৰহইচ কৰে। অৱশ্যে অসমত মাহ হালধিৰে নোৱাই ধুৱাই ৰোগ ব্যাধিৰ হাত সাৰিব পাৰি বুলি পতিয়নযোগ্য নিয়মো প্ৰচলিত আছে। অপায়-অমংগল যাতে নহয়, তাৰ বাবে খামতিসকলেও নীতি-নিয়ম মানে। তাইসকলেও ঢোলে-পেঁপাই, নাচে-নামে বিহুটি লগত লৈ আহিছিল বুলি কোৱা হয়। যুক্তিযুক্ততা বিচাৰ কৰিলে প্ৰমাণ দিব পাৰি। তাইসকলৰ গৃহ ভূমিবোৰ চোৱা যাওক। দক্ষিণ-পূব এছিয়ৰ আৰু চীন দেশৰ দক্ষিণাঞ্চলত তাইসকল সিঁচৰতি হৈ আছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা পূবে চীনৰ দক্ষিণ কুৱাংছি প্ৰদেশ আৰু উত্তৰ থাইলেণ্ড সংযোগ কৰি নামনিৰ মালয় অঞ্চললৈ বিস্তৃত হৈ থকা তাইসকল প্ৰব্ৰজিত হৈ ভিন ভিন নাম লোৱা দেখা যায়। উত্তৰ ম্যানমাৰৰ শ্যান প্ৰদেশ, উত্তৰ ভিয়েটমান, দক্ষিণ ভিয়েটনামৰ উত্তৰাঞ্চল, লাউচ, কম্বোডিয়া, থাইলেণ্ড, মালয়েছিয়াত তাইসকলে বসবাস কৰে। আমি কৈছোৱেই যে স্থানভেদে তাইসকলৰ পৰিচয়ো ভিন ভিন নামেৰে দিয়া হয়। যেনে ম্যানমাৰত শ্যাম বুলি জনা যায়। থাইলেণ্ডত তাইয়াই আৰু তাইনয় বুলি পৰিচিত। চীনৰ এটি আঞ্চলিক ভাষাত তাইক দাই বুলি উচ্চাৰণ কাৰ্য্য। মূল তাই বা থাই শব্দ স্বাধীন, মহান আদি অৰ্থযুক্ত।

এঘাৰ শতিকাৰ পৰা তেৰ শতিকালৈ তাইসকলে প্ৰব্ৰজন অক্ষুণ্ণ ৰখা বুলি কোৱা হয়। দক্ষিণ-পূব এছিয়াত প্ৰব্ৰজন সৰ্বাধিক আছিল। চিন্দুইন চালৱিন, ইৰাৱতীৰ উজনি উপত্যকাসমূহ মেকং, মেনাম উপত্যকা অঞ্চলত তাইসকলে বসবাস কৰি আহিছে। আন নহ'লেও সপ্তম শতিকাৰ পৰা তেৰ শতিকালৈ খুনলুং খুন লাইৰ পৰা ছুকাফালৈকে তাইসকলৰ বুৰঞ্জী স্পষ্ট। ম্যানমাৰৰ লুকং উপত্যকাত বহুতো খামতি আৰু তাই লোকৰ বসতি আছে। অসমৰ লগত যাতায়াত কৰিবলৈ সৰু পৰ্বতীয়া বাটেৰে পাটকাই পাৰ হৈ অসমলৈ যায়। পূৰ্বতে শ্যান বিলাকে ম্যুকংসহ মোগাঙত ৰাজ্য স্থাপন কৰি হুকং উপত্যকাত ৰাজ্য বিস্তাৰ কৰে। কে'বাশ বছৰৰ পাছত এই হুকঙীয়া তাই শ্যানবিলাকৰ এদলে উত্তৰ শ্যান দেশৰ পৰা অহা যুৱৰাজ ছুকাফাৰ লগত অসমলৈ আহে। হুকং বা হুকৰ অৰ্থ ছয় আৰু কং মানে বাজনা। অথবা ছটা ঢোলৰ মাত। তাই ভাষাত ছটা ঢোলৰ বাজনাৰ শব্দৰ মূৰে মূৰে খুটি মাৰি নগৰ কৰাকে হুকং বোলা হৈছিল। কোনো কোনোৱে ইয়াক হোককং বুলিও উচ্চাৰণ কৰে। মোগাঙৰ পৰা হুকঙৰ শেষ প্ৰান্তৰ নাম নায়্যাং। দূৰত্ব ১৭৯ মাইল। এই উপত্যকাত মানৰ অসম আক্ৰমণৰ সময়ত মানে ধৰি অনা লোকসকলক কাচিন আৰু শ্যানসকলৰ লগত বসতি কৰিবলৈ দিছিল। এইসকলে এনেবোৰ ঠাইত অসমীয়া সংস্কৃতি বহুদিনলৈ জীয়াই ৰাখিছিল। হয়তো এতিয়াও ৰাখিছে। বিহুৰো শেষ অৱশেষ ইয়াত বৰ্তি আছে কিছু ভিন্ন ৰূপত। ম্যানমাৰৰ হুকং, পুতাও, চিমাত, ভামো, চিনলুম আৰু উত্তৰ শ্যান দেশলৈ কাচিন জাতি বিস্তৃত হৈ আছে। পুৰণি ৰীতি-নীতিকে ধৰি সংগীত নৃত্য কলা চৰ্চা কৰি আহিছে এইসকলে। সম্ভৱ মহাভাৰতত এই কাচিন জাতিটোকে গন্ধৰ্ব জাতি বুলি বৰ্ণনা কৰা দেখা যায়। চিত্ৰংগদে ইৰাৱতীৰ পাৰত গন্ধৰ্বৰ লগত যুদ্ধ কৰি মৃত্যুবৰণ কৰা কাহিনী প্ৰচলিত আছে। আনহাতে, শ্যানৰ প্ৰথম দল অৰ্থাৎ আহোম তাই বংশৰ খুনলুং দিগ্বিজয় কৰি আহি ইৰাৱতী নৈ পাৰ হৈ মানতৰা আৰু জীউ তৰাক লগ পাইছিল। বৰ্মা বা ম্যানমাৰেই মানতৰা আৰু কাচিনেই জীউতাৰা। কাচিনক চিমফৌ বুলি কোৱা হয়। চিম্ফ মানে মতা মানুহ। সি যিয়েই হওক, বিহু যে অসমলৈ মান দেশৰ পৰা আহিছে সেই সম্পৰ্কত এফাঁকি বিহু নাম উদ্ধৃত কৰিলোঁ।

'লাহে লাহে ঐ
বিহু কোনে ঢালে আহে?
পূবে-পশ্চিমে, উত্তৰে-দক্ষিণে
বিহু কোনে ঢালে আহে?
মাদ দেশত আছিলে মান তৰা এযুৰি
আলি নৰিয়াত পৰি
যেতিয়া শুনিলে বিহুৰে বতৰা
আহিলে কাছুৰি ধৰি।'

মান দেশত ভাৰতৰ পৰা গৈ বসবাস কৰা বিভিন্ন জাতিয়ে পহিলা ব'হাগটো যথাৰীতি পালন কৰে। 'মান ভগনি' অসমীয়াসকলেও আন নহ'লেও এসাঁজ তৃপ্তিৰে খায়। মানসকলে আমাৰ দৰে বিহুৰ তিনিদিন 'তগুলা পোমে' বা 'বহাগী উৎসৱ পাতে। মানসকলে অসমক ঐতালী' বোলে। মানদেশত ঐতালী গাঁও বা অসমীয়া গাঁও ভালেমান আছে। কোনো কোনোৱে অসমীয়া ভাষাটো পাহৰিছে বা ক'ব পাৰে লিখিব নোৱাৰে। অসমীয়া নামঘৰ সাজি থাপনা পাতি শাস্ত্ৰ পাঠ কৰি খাচ অসমীয়া হৈ থকা ভালেকেইখন অসমীয়া গাঁও আছে। তাত থকা অসমীয়াই

মানসকলৰ দৰেও বিহু পাতে। মান ভাষাত (বাৰ্মিজ) ব'হাগ মাহক তগুলা বোলে। 'তগুলা ইয়ে তুয়ে পায়' মানে ব'হাগৰ পানী মৰা উৎসৱ। ব'হাগৰ প্ৰথম দিনা তিৰোতা মানুহে বুদ্ধ মূৰ্তি বা আন উপাস্য দেৱতাৰ মূৰ্তি বা উপাসনাথলী চাফ-চিকুণ কৰি পানীৰে পখালি দিয়ে। ভকতনীসকলে মালা জপে। ঈশ্বৰৰ থাপনাত দিয়া ঘট পানীৰে পূৰ্ণ কৰা হয়। ফুল পাতেৰে সজোৱা হয়। গাভৰুসকলে ফিচ্‌কাৰীত পানী ভৰাই পৰস্পৰৰ গালৈ মাৰে। এইটো পুৱাৰ ভাগত। আবেলিৰ পৰা ডেকা ল'ৰা জাক পাতি ওলাই আহি দবা বা মৃদংগ, ওৱালেশ বা বাঁহৰ টকা বজায়। মাউ বা সাতখন তালৰ বাজনা, পেঁপা বজাই ঘৰে ঘৰে হুঁচৰি গাই ফুৰে। গৃহস্থই পদূলি মুখতে হুঁচৰি দলক চাউল-পাত, টকা-পইচা দি মান ধৰে। ডেকা-গাভৰুৱে নাচৰ ছেৱে ছেৱে গীত গাই ফুৰে। আমাৰ বিহু নামৰ দৰেই। ঘাইকৈ মেঘক বৰষুণ দিবলৈ খেতি নদন-বদন হ'বলৈ এনে উছৱ কৰে। ফুলবোৰ জকমককৈ ফুলিবলৈ প্ৰাৰ্থনা জনাই গীতবোৰ গোৱা হয়। গোট খোৱা ধন হিচাপ কৰি তিনিদিনৰ মূৰত 'ফুঙি চাাও'ত ৰাজহুৱা ভোজ খায়।

তাই শ্যানসকলে ব'হাগী উৎসৱক 'ল্যেইন হা প'য় ছুন না' বা 'পয় চাং ক্যেন' অৰ্থাৎ ব'হাগী পানী বিহু বোলে। শ্যানসকলে ব'হাগক 'লেইন হা' (দ্যুন হা) বোলে। শ্যান বুঢ়া-বুঢ়ী সকলেও মঠ আৰু ফুঙি চ্যাওত বিহু পাতে। ডেকা-আদহীয়া সকলে হুঁচৰি গায়।

তাই শ্যানসকলে বিহুত ঢোল, ম'হৰ শিঙৰ পেঁপা, তাল, বাঁহৰ টকা ব্যৱহাৰ কৰে। হুঁচৰিতো এইবোৰ বজায়। তাই ভাষাত ঢোলক খাউ পেতাং আৰু কং বোলে। খাউ পেতাং বজাই আবেলিৰ পৰা ডেক-বুঢ়াই ঘৰে ঘৰে হুঁচৰি গায় আৰু সেইদৰে গৃহস্থই টকা-পইচাৰে মান ধৰে। হুচৰি দলত ল'ৰাই ছোৱালীৰ পোছাক পিন্ধি নাচে। শ্যানসকলে মানসকলৰ দৰে নাচৰ ছেৱে ছেৱে ঢোল নাবায়। বেত এডোখৰেৰে গিৰিং গিৰিং কৰি তাল ৰাখে। একো একোটা হুঁচৰি দলত ঔজি নামৰ বিহু ঢোল পাঁচটালৈকে থাকে। উল্লিখিত বাদ্যবোৰৰ উপৰি কাঁহ কেইখনমানো থাকে। চ'তৰ পোন্ধৰ দিনমানৰ পৰাই বিহুৰ আগলি বতৰা দিয়ে কণী যুঁজে। কণীৰ গুণাগুণ নিৰ্ণয় কৰে দাঁতত ঠনৰ ঠনৰ মাৰি। মান ভাষাত কণী যুঁজক 'উপাউকে' বোলে। তাই ভাষাত কয় 'তক খায়'। অসমৰ ভৈয়ামৰ বড়োসকলৰ বৈশাও, মিচিং বিহুকে ধৰি থলুৱা বৈচিত্ৰ্য লৈ বিহুৰ যি জয়যাত্ৰা, ওপৰৰ আলোচনাত যিবোৰ তথ্য বিচাৰ কৰি বিহুৰ হেদালিখন দাঙি ধৰা হ'ল, তাৰ পৰা অনুমান কৰিয়েই বিহুৰ ঘাই শিপাৰ সন্ধান কৰিব পাৰি। বিহুৱে স্বধৰ্ম লৈ সময়ৰ বলুকাত চিন থৈ বহুৰূপী শ্ৰীধাৰণ কৰাটোকে নিশ্চয় সকলোৱে কামনা কৰিব।

জ্ঞানৰ সফুৰা

১) খং নকৰিবা = নিজৰে সৰ্ব্বনাশ হ'ব।
২) অহংকাৰ নকৰিবা = পতণ হ'ব।
৩) কাকো ঘিণা নকৰিবা = নিজেই ঘৃণিত হ'বা।
৪) কাকো ফাঁকি নিদিবা = নিজেই ফান্দত পৰিবা।
৫) মিছা কথা নকবা = অবিশ্বাসৰ পাত্ৰ হ'বা।
৬) বেয়া কথা নকবা = মন চঞ্চল হ'ব।
৭) কাকো সন্দেহ নকৰিবা = অশান্তি হ'ব।

সংগ্ৰহ কৰোতা ঃ
শ্ৰীমতি অনিমা মটক

প্ৰবন্ধ

প্ৰতিটো ব'হাগেই মোৰ বাবে প্ৰথম ব'হাগ

ৰমেন কলিতা

চ'তালি ব'হাগৰ স'তে চুপতি মাৰি
মহুৰা পকাই সৰাপাতত ব'হাগৰ বতৰা
পাৰ ভগা ব'হাগ

ডেকা-গাভৰুৰ বুকুৰ কুঞ্জনত
অচিনাকি হেঁপাহ
হিয়া দিয়া নিয়া ব'হাগ

চেঙেলীয়া মেঘ জাকে
আকাশত ফটকা ফুটাইছে

ন-বৰষুণ জাক
কচুপাতত ধৰ্ফৰাইছে

তিতা মাটিৰ গোন্ধত
মনৰ আমনি
নিঃসংগতাত উৰি ফুৰে
ব'হাগৰ আলাপ

কপৌফুলীয়া বতৰত
ৰঙৰ সমাবেশ তুলিছে
বুকুত গৰ্বিনী হিল্লোল
চকুত বিজুলী চমকনি
মুখত মিচিকীয়া হাঁহি
দেহত বলিয়া সুবাস

বুকু ভগা ব'হাগ

মকৰা জালত পৰি
ছট্‌ফটাই থকা পখিলাটো
হাতত গামখাৰুৰ শৃংখল
ভৰিত স্নেহৰ শৃংখল
দুৱাৰডলিত...

নিজৰ বুকুৰ ধপ্ ধপনিত
দুপৰ নিশাৰ ঘোঁৰাৰ খট্ খট্ শব্দ

ব'হাগ আহে ব'হাগ যায়
ব'হাগ আহিলেই মন ৰিঙা ৰিঙা হয়

ব'হাগ আহিলেই আহ্লাদিত হয় অহৰহ আহ্বান
ব'হাগ আহিলেই মনৰ শৃংখল ভাঙি যাব খোজে
দুপৰ নিশাৰ বাঁহীত
প্ৰতিটো নিশাৰ বাবে অধীৰ উৎকণ্ঠা
নুগুচে পিয়াহ
নুগুচে হেঁপাহ
প্ৰতিটো ব'হাগেই মোৰ বাবে প্ৰথম ব'হাগ।

হয়, এনে হেন লাগে যেন, প্ৰতিটো ব'হাগেই মোৰ বাবে প্ৰথম ব'হাগ।

মোৰ জীৱনৰ যোৱা ছটা দশকত বিহুৰ বহু বিৱৰ্তন দেখিলো। কিন্তু এই বিহুৰ পৰিৱৰ্তিত প্ৰেক্ষাপটত প্ৰতিটো ব'হাগেই মোৰ বাবে প্ৰথম ব'হাগৰ প্ৰেৰণা লৈ আনে। — ড° ভূপেন হাজৰিকাদেৱৰ কোৱা—

'ব'হাগ মাথোঁ এটি ঋতু নহয়
ব'হাগ নহয় এটি মাহ
অসমীয়া জাতিৰ ই আয়ুস ৰেখা
জনজীৱনৰ ই সাহ।'

কথাষাৰ অতি তাৎপৰ্যপূৰ্ণ। অসমীয়া জাতিটো যিমান দিন জীয়াই থাকিব, সিমান দিন বিহুও থাকিব আৰু যদিহে অসমীয়া জাতি জনজাতিবোৰ জীয়াই নাথাকে, তেতিয়া বিহুৰো মৃত্যু হ'ব। অসম তথা উত্তৰ-পূব অঞ্চলৰ প্ৰায় প্ৰতিটো জাতি, উপ-জাতি, জনজাতি, উপ-জনজাতি সকলোৱে নিজৰ পৰম্পৰা মতে বিহু পাতে। পুৰণি অসমৰ বিহু উদ্‌যাপন কৰা দিনৰ পৰা আৰম্ভ কৰি সাম্প্ৰতিক কাললৈকে খাচ অসমবাসী অসমীয়াই কেনেদৰে বিহু উৎসৱ পালন কৰি আহিছে মন কৰিলে দেখিব মিচিংসকলে নতুন বছৰৰ আগে আগে মিচিং বিহু পাতে, ফাগুন মাহত শস্য সিঁচা উৎসৱ আলি আই -লৃগাং, দেউৰীসকলে দেউৰী বিহু পাতে, বড়োসকলে পুৰণি বছৰক বিদায় দি নতুন বছৰক আদৰণি জনাই 'বৈশাগু' পাতে, তিৱাসকলে প্ৰকৃতিক আদৰণি জনাই ৰং-ৰহইচৰে 'বৈশাক', 'বিচু' কৰে, ৰাভাসকলে 'বায়খো' পূজা আয়োজনেৰে ৰং-ৰহইচ কৰে, তাই আহোমসকলে 'চাংকেন' উৎসৱ পাতে, ডিমাছাসকলে 'বুচু', হাজংসকলে 'লেৱটা', সোণোৱাল কছাৰীয়ে **পোন্ধৰ** দিনীয়া 'বহুৱা নাচ', ঠেঙাল কছাৰীয়ে 'বোকা **বিহু'** আৰু অসমীয়াভাষী বৰ্ণ হিন্দুসকলে বিহু হুঁচৰি গাই ৰং-ৰহইচ কৰে। নামনি অসমৰ ঠাইবিশেষে 'ভঠেলি' আৰু 'পাউৰা তোলা' উৎসৱ উদ্‌যাপন কৰা দেখা যায়। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠী সম্প্ৰদায়ে নিজ নিজ সামাজিক প্ৰথা, জনবিশ্বাস তথা ধৰ্মীয় ৰীতি-নীতিৰে বিহু পালন কৰি অতি ৰং-ৰহইচৰ মাজেৰে সাতদিন ধৰি ৰঙালী বিহুক বসন্ত উৎসৱ হিচাপে পালন কৰি আহিছে।

অসমীয়া জাতিৰ হাড়ে-হিমজুৰে লগা অসমৰ জাতীয় উৎসৱ বাপতি সাহোন হ'ল ৰঙালী বিহু। বিহু মূলতঃ কৃষি উৎসৱ। আদিম সমাজত কৃষিৰ প্ৰথম উদ্ভাৱক হ'ল নাৰী। সেয়ে নাৰী আৰু বিহুৰ ওতঃপ্ৰোত সম্পৰ্ক আছে বুলি ক'ব পাৰি। আদিম মানৱে নাৰীৰ প্ৰজনন ক্ষমতাৰ লগত পৃথিৱীৰ উৰ্বৰা শক্তিৰ অদ্ভুত মিল দেখি বিস্মিত হৈছিল। তেওঁলোকে সেয়ে ভাবিছিল যে প্ৰজনন ক্ষমতা থকা যুৱতী-নাৰী আৰু বীৰ্যবান পুৰুষে পথাৰত কৰা নৃত্য-গীতে পথাৰৰ উৰ্বৰা শক্তি বৃদ্ধি কৰে। বিহুকে ধৰি কৃষিভিত্তিক সকলো উৎসৱৰো ইয়েই হ'ল পাতনি। এনে উৎসৱত নাৰীৰ ভূমিকা যুগ যুগ ধৰি স্বীকৃত। আমাৰ

বিহুৰ লগতো অসমীয়া নাৰীৰ এৰাব নোৱৰা সম্পৰ্ক।

ব'হাগ মাহৰ কি যে বৈচিত্ৰ্যতা, প্ৰকৃতিয়ে ন-সাজ সলাই কোনেও নজনাকৈ, কোনেও নভবাকৈ আমাৰ মনত আনি দিয়ে এক অফুৰন্ত প্ৰেৰণা, এক অনাবিল মাদকতা, আনন্দ। বিহুৰ ঐতিহ্য আছে। সেই বাবেই অতীতৰ হলধৰৰ বিহু আজি কেৱল হলধৰসকলৰ বিহু হৈ থকা নাই। ব'হাগ আহিলেই আমাৰ মনলৈ আহে—

'চ'তে গৈয়ে গৈয়ে ব'হাগে পালেহি
ফুলিলে ভেবেলি লতা
কৈয়ে থাকো মানে ওৰকে নপৰে
ব'হাগৰ বিহুৰে কথা।'

ব'হাগৰ বতৰ মানেই উছৱৰ বতৰ। বিহুনাম, ঢোল, টকা, পেঁপা, গগনাৰ মাতত ৰজনজনাই আছে অসমৰ গাঁও, নগৰ, চহৰ। ব'হাগৰ বতৰ পাই বন-বিৰিখেও ন সাজ পিন্ধিছে। প্ৰকৃতি আনন্দত মতলীয়া হৈছে। শুকান পথাৰবোৰ আকৌ জীপাল হৈছে বৰষুণৰ বতৰত। লগতে মানুহৰ মনবোৰো জীপাল হৈছে, মতলীয়া হৈছে। ঢোল, পেঁপাৰ মাত শুনি ৰ'বকে নোৱৰা অসমীয়াই সাতাম পুৰুষীয়া ৰঙালী বিহু উৎসৱ আয়োজনত মতলীয়া। ব'হাগ মানেই ৰঙৰ সময়, উত্তেজনাৰ সময়, আনন্দৰ সময়। ব'হাগক মাথোঁ এটা মাহ বুলি ভাবিলেই ঠিক নহ'ব। এই ব'হাগৰ মাজতে সোমাই আছে ভৱিষ্যতৰ সপোন, প্ৰতিশ্ৰুতি আৰু অংগীকাৰ। ব'হাগ বসন্তৰ বাহক। ৰং ৰহইচৰো বাহক। কুলিয়ে মাতক বা নামাতক ফুল ফুলক বা নুফুলক বসন্ত সময়ত আহিবই। এই ব'হাগেই সমন্বয়ৰ এনাজৰী। ব'হাগ বিহুৰ কোনো ধৰ্ম নাই। সকলো ধৰ্মৰ মানুহেই মিলি ৰঙালী বিহু উৎসৱ পালন কৰে।

ব'হাগ অহাৰ লগে লগে আমাৰ গা উচ্ পিচাই উঠে। অৱশ্যে বয়সৰ লগে লগে আনন্দৰ ধাৰাবোৰ বেলেগ বেলেগ হয়। শৈশৱৰ ব'হাগৰ লগত যৌৱনৰ ব'হাগৰ অৰ্থ সম্পূৰ্ণ ভিন্ন। ঠিক তেনেদৰে আদহীয়া আৰু প্ৰৌঢ় কালৰ অনুভৱো সুকীয়া সুকীয়া। এই সময়ছোৱাত মনলৈ আহে ডেকাৰ দৰে দেহাত আহি পৰা বয়সৰ ভৰৰ কথা। আমি উভতি চাওঁ শৈশৱলৈ, যৌৱনলৈ আৰু দেখো তাহানিৰ বিহু উৎসৱ।

অৱশ্যে পুৰণি অসমৰ এচাম ডা-ডাঙৰীয়াই বিহুক ভাল চকুৰে চোৱা নাছিল। বিহুক অশ্লীল বুলি আখ্যা দিয়া হৈছিল আৰু সেয়ে তথাকথিত ভাল ঘৰৰ জীয়ৰী-বোৱাৰীৰ বিহু নৃত্য বা বিহুগীতৰ লগত সম্পৰ্ক থকাৰ কথা ভাবিব নোৱৰা আছিল।

বিহু হুচৰিয়ে ক্ৰমে পথাৰৰ পৰা ৰাজ দৰবাৰ, ডা-ডাঙৰীয়াৰ ঘৰৰ প্ৰাংগণত, ৰাইজৰ ঘৰৰ চোতালত আৰু আজি মঞ্চত ঠাই পাইছে। আহোম ৰাজত্ব কালতে অসমৰ জাতীয় উৎসৱ বুলি স্বীকৃতি প্ৰাপ্ত বিহুৱে বৰ্তমান কালত পৰিৱৰ্তিত ৰূপত আত্মপ্ৰকাশ কৰিছে যদিও ই এতিয়াও কৃষিজীৱী মানুহৰ বুকুৰ আপোন। বিভিন্ন জনগোষ্ঠীৰ সামূহিক উপাদানেৰে সমৃদ্ধ এই বিহু অতীতৰ পৰা বৰ্তমানলৈ বিভিন্ন জনৰ বাদানুবাদ, বিতৰ্কৰো কেন্দ্ৰ হৈ আহিছে।

তাহানি প্ৰয়াত গুণাভিৰাম বৰুৱাই লিখিছিল—'চৈত্ৰৰ বিহুৰ সংক্ৰান্তিৰ পৰা সাদিন কোনো ঠাইৰ ইতৰ লোকসকলে, স্ত্ৰী-পুৰুষে কোনো প্ৰকাশ্য স্থানলৈ গৈ নৃত্য-গীত কৰে। যি সময়ত অবাচ্য আৰু অশ্লীল গীত গোৱা আৰু নিৰ্লজ্জ ভাব ভংগী দেখুৱা হয়। এই নিয়ম

শীঘ্রে দেশৰ পৰা গুচিলে বড় উপকাৰ আৰু সুনীতি স্থাপন কৰা হয়।' প্রয়াত হলিৰাম ঢেকিয়াল ফুকনে বিহু নাচক 'সাধাৰণ লোকেৰ স্ত্রীলোক আৰু লম্পট পুৰুষেৰ' নৃত্যগীত বুলি অভিহিত কৰিছিল। তেনেদৰে কমলাকান্ত ভট্টাচার্যদেৱেও কৈছিল— 'বিহু আমাৰ এটা বৰ বেয়া সংস্কাৰ, বিদেশী বিলাকে বিহু দেখি আমাক বৰ নিন্দা কৰে। বিহুৰ দৰে কুৎচিত, সঁচাকৈয়ে বিহুত যেনে নিলাজ কথাবোৰ বকে, শুনিয়েই কাণত হাতদি শ্রীবিষ্ণু সুঁৱৰি পলাব লাগে। স্কুলৰ ছাত্রবিলাকক বিহুৱে বৰ অনিষ্ট কৰিছে।'

অসমীয়া সমাজৰ কিছুমান সাহিত্যিক, সমাজ সংস্কাৰক আৰু বুদ্ধিজীৱীয়ে বিহুক 'লাজ লগা প্রথা', 'অশ্লীল' আদি আখ্যা দিলেও কিন্তু বিহুৱে গছৰ তলৰ পৰা চোতাললৈ আৰু চোতালৰ পৰা মঞ্চলৈ গতি কৰি কালক্রমত অসমৰ জাতীয় উৎসৱ ৰূপে পৰিগণিত হ'ল। বিহুৰ এই বিৱৰ্তনৰ বুৰঞ্জী দীঘলীয়া। এই বিৱৰ্তনত নাৰীৰ ভূমিকা সদায়েই মুখ্য হৈ আহিছে। পথাৰ আৰু গছতলৰ পৰা বিহুক টানি আজুৰি মঞ্চত তোলা হ'ল। মুগা ৰিহা মেখেলা নিপিন্ধিলে গাভৰুৱে বিহু নাচিব নোৱৰা হ'ল। বৰ্তমান মুগা ৰিহা-মেখেলা এযোৰ কিনা সাধাৰণ লোকৰ সাধ্যৰ বাহিৰত। সেয়ে বিহু উৎসৱ লগত জড়িত দুখীয়া গাঁৱলীয়া, সৰল ডেকা-গাভৰুৰ জীৱনৰ গভীৰ উপলব্ধিৰ বিলুপ্তি ঘটিল। ই কৃত্রিমতা আৰু আনুষ্ঠানিকতা তথা প্রতিযোগিতা আৰু ব্যৱসায় সুলভ মনোভাব লৈ নগৰীয়া চহকী গাভৰুৰ বিহু হৈ পৰিল। অতীতৰ 'অশ্লী'ল, 'লাজলগা' বিহু লাহে লাহে অভিজাত সমাজৰ বিহু উৎসৱ হ'ল। কতজনৰ নিন্দাৰ, দুঃচিন্তাৰ বিহু কালক্রমত সকলোৰে আপোন বাপতি সাহোন হৈ উঠিল। অসমৰ বিহু নৃত্যই এতিয়া বিশ্বৰ দৰবাৰতো প্রশংসা বুটলিবলৈ সক্ষম হৈছে।

১৯৫২ চনত গুৱাহাটীৰ লতাশিল পথাৰত প্রথমতে পথাৰৰ পৰা মঞ্চলৈ বিহুক অনা হৈছিল। এই মঞ্চ বিহুৰ অগ্রণী পুৰুষসকল আছিল প্রয়াত ৰাধাগোবিন্দ বৰুৱা, প্রয়াত লক্ষ্যধৰ চৌধুৰী, ডাঃ ভুবনেশ্বৰ বৰুৱা, প্রয়াত প্রবীণ ফুকন, প্রয়াত কমল নাৰায়ণ চৌধুৰী, প্রয়াত পুৰুষোত্তম দাস আদি। তেতিয়া প্রথম বিহুৰ পতাকা উত্তোলন গীতত গাইছিল—

'শ্রীময়ী অসমীৰ শীতল বুকুত উঠে
উছৱৰ মধু আলোড়ন...'

গীতটি ৰচনা আৰু সুৰ কৰিছিল পুৰুষোত্তম দাসদেৱে। আজি সমগ্র অসমৰ বিভিন্ন মঞ্চ বিহুৰ পতাকাৰ তলত অসমৰ জনসাধাৰণৰ হিয়াত উছৱৰ আলোড়ন তুলি আহিছে এই গীতটিয়ে বছৰে বছৰে।

বৰ্তমান কিছুমান বিজতৰীয়া সংস্কৃতিৰ প্রভাৱত বিহুৰ ৰূপ বিকৃত হোৱা দেখা গৈছে। আগতে ব'হাগ বিহুৰ আগে আগে মাকোৰ শব্দ, গৰকাৰ শব্দ, চেৰেকীৰ শব্দত গাঁওবোৰত উখল-মাখল লাগিছিল। জীয়ৰী-বোৱাৰীয়ে প্রিয়জনক উপহাৰ দিবলৈ নিজ হাতে সূতা কাটি ভমকা ফুলীয়া ফুলেৰে বিহুৱান বৈ উলিয়াইছিল। কিন্তু আজি-কালি অসমৰ বাহিৰত তৈয়াৰ হোৱা কম মূল্যৰ গামোচা বজাৰত উভৈনদী হোৱা বাবে গাভৰু জীয়ৰী-বোৱাৰীয়ে তাঁতৰ পাতত বহিবলৈ পাহৰিলেই। কৃত্রিম বাস্তৱৰ পয়োভৰত নাচনীয়ে পাহৰিলে কপৌ, কেতেকী, নাহৰ ফুল। পাহৰিলে জেতুকা, থেৰেজু, বৰহমথুৰিৰ বোল।

ব'হাগ বিহু বুলিলে আমাৰ মনলৈ পোনছাটেই

আহে বিহুগীত আৰু বিহু নৃত্যৰ কথা। কিন্তু আজি দেখা গৈছে যে আধুনিকতাৰ পয়োভৰত আমি পাহৰি গৈছো বিহুগীত আৰু বিহু নাচৰ শুদ্ধ প্ৰয়োগ বিধি। এই ক্ষেত্ৰত বিহুৰ বজাৰত উলিওৱা বিহুগীতৰ কেছেটসমূহৰ কথা আৰু সুৰৰ শুদ্ধতাৰ ওপৰত চকু দিয়াৰ প্ৰয়োজন আহি পৰিছে। বিহুসুৰীয়া গীত বুলি কোনো কোনোৱে দায়সৰা মন্তব্য দি দায়িত্ব সামৰিছে। বৰ পৰিতাপৰ বিষয় যে সস্তীয়া হিন্দু কথাছবিৰ গীতৰ সুৰ নকল কৰি বিহুগীতৰ কেছেট বজাৰত ওলাইছে। সেয়েহে এই বিহুৰ বতৰতেই আমি শুদ্ধকৈ বিহু গাবলৈ আৰু নাচিবলৈ সাজু হোৱা উচিত। জাতীয় চৰিত্ৰ কলুষিত নকৰিবলৈ প্ৰত্যেক শুভবুদ্ধিসম্পন্ন অসমীয়াই উপলব্ধি কৰা উচিত। বিহুগীত আৰু নৃত্যৰ অপপ্ৰয়োগ কৰাসকলে নিজে নিজে উপলব্ধি কৰা উচিত যে কেৱল ব্যৱসায়িক দৃষ্টিৰ প্ৰতি লক্ষ্য ৰাখি জাতীয় চৰিত্ৰৰ নিদৰ্শন নষ্ট কৰাৰ অধিকাৰ তেওঁলোকৰ নাই। সময়ত পথাৰৰ বা গছতলৰ স্বতঃস্ফূৰ্ত বিহু আহি চহৰৰ মঞ্চ পালে। সময়ৰ কোবাল সোঁতে পথাৰৰ বিহু মঞ্চলৈ আদৰি আনিলে, তথাপিও আমি বিহুৰ জাতীয় চৰিত্ৰ অক্ষুণ্ণ ৰাখিবলৈ সকলোৱে যত্নপৰ হ'ব লাগিব। ইয়াক বিকৃত কৰিবলৈ বিচৰা শক্তিটোৰ বিৰুদ্ধে যুঁজিব লাগিব। বাধা দিব লাগিব। নহ'লে অসমীয়া সংস্কৃতি বিপদাপন্ন হ'ব। যিহেতু বিহুৰ মাজেৰেই আজি অসমীয়া জাতি সকলোৰে পৰিচিত। বৰ্তমান দেখা গৈছে যে বিহু গীত আৰু নৃত্যৰ কৰ্মশালা অনুষ্ঠিত কৰি নতুন প্ৰজন্মক বিহুৰ শুদ্ধ উপস্থাপনৰ শিক্ষা দিছে। ই বৰ প্ৰশংসাৰ কাৰ্য হৈছে। আজি-কালি কিছুমান বিহুবলিয়াই বাটে পথে দোকানে পোহাৰে পইচা সংগ্ৰহৰ অভিযানত যিহকে তিহকে গাই বিহুগীত নাম দি বিহু নাচি ফুৰা দেখা গৈছে। ইয়ে জন্ম দিছে অপসংস্কৃতিৰ। সংস্কৃতিৰ নামত বৰ্তমান সমাজখনক এনে ধৰণৰ কু-সংস্কৃতিয়ে বিকৃত কৰাৰ প্ৰয়াস কৰিছে।

আজি অসমৰ চুকে-কোণে উলহ-মালহেৰে বিহু উৎসৱ পালনৰ প্ৰস্তুতি চলাইছে যদিও বিহুৰ জাউতিযুগীয়া ঐতিহ্য পৰম্পৰা হ'লে ৰক্ষা কৰিব পৰা নাই। অতীতৰ সাত বিহুৰ সলনি গোটেই ব'হাগ মাহটোতেই বিহু উৎসৱ পতাটো পৰিলক্ষিত হৈছে। সকলো উৎসৱৰে এটা নিৰ্দিষ্ট সময় আছে। প্ৰকৃতাৰ্থত সাত বিহুতেই বিহু উৰুৱাই বিহু উসৱ সামৰাটো আমাৰ বিহু উৎসৱৰ ঐতিহাসিক পৰম্পৰা। সাত বিহু কেইটা হ'ল 'উৰুকা' বাদ দি গৰু বিহু, মানুহ বিহু বা বৰ বিহু, গোসাঁই বিহু, কুটুমৰ বিহু, চেনেহী বিহু, চেৰা বিহু আৰু সাত বিহু।

এই পৰম্পৰাক ব'হাগ, জেঠ, আমাৰ, শাওনলৈ বাটে-পথে পথ বন্ধ কৰি হ'লেও মঞ্চ বিহু পতা দেখা গৈছে। কোনোবাই বাৰ মাহে সাংস্কৃতিক অনুষ্ঠান পাতিলে আমি একো কৰিম নোৱাৰে। কিন্তু সাত বিহুৰ পিছত কোনো কাৰণতে 'বিহু' শব্দটো টানি অনা উচিত নহয়। এই ক্ষেত্ৰত ৰাইজ যদি সচেতন নহয় এদিন এই বিহুৰ অপভ্ৰংস হৈ যে মৃত্যু নহ'ব কোনে ক'ব। জাতীয় উৎসৱৰ নিজস্ব বৈশিষ্ট্য ৰক্ষাৰে বিহু জীয়াই থাকক, বিহুৰ মৃত্যু কোনো অসমীয়াই নিশ্চয় কামনা নকৰে। সকলো উৎসৱৰ এটা নিৰ্দিষ্ট সময় আছে। থকাটো দৰকাৰ। কেৱল উৎসৱ পতাৰ নামত যেতিয়াই তেতিয়াই উৎসৱ পাতি লোকৰ পিঠাৰে বিহু পতাৰ প্ৰথা বন্ধ কৰিবৰ হ'ল।

বিশ্বস্ত আৰু শক্তিশালী ৰূপত। প্ৰতিজনে ঈশ্বৰ প্ৰদত্ত প্ৰতিভাৰে আগবাঢ়িছে ভিন্ন স্তৰলৈ, পৰীক্ষালৈ। সভ্যতাই ঠন ধৰি উঠি একৈশ শতিকাত জাতিসত্তাৰ স্বকীয়তা ব্যক্তিসত্তাৰ প্ৰতিভা সম্বলিত প্ৰতিফলন প্ৰতিভাত হৈছে। তুঁহ জুইক কাপোৰেৰে ঢাকি ৰাখিব কোনে? দাহ্যতাই বাধাৰ প্ৰাচীৰ ভেদ কৰি জুইক চোকৰ উমান দিয়ে। প্ৰতিভাৰ মৰণ নাই। সাৰ-পানী, বায়ুৰ নিৰ্মল পৰিৱেশত গজালি মেলি লহপহকৈ বাঢ়ি আহি সময়ত ফুলে-ফলে জাতিষ্কাৰ হৈ দহৰ সেৱাত উন্নতশিৰে সৃষ্টিৰ জয়গান গোৱা মহীৰূহৰ দৰে ঈশ্বৰ প্ৰদত্ত প্ৰতিভাৰ সহায়ত সমাজ অগ্ৰসৰ হৈছে।

ঈশ্বৰ প্ৰদত্ত প্ৰতিভাৰ লগতে শিক্ষাৰ মনোবৈজ্ঞানিক চিন্তাধাৰাৰ অনুধাৱনত, কলাৰ সাৰ্বজনীন দিশৰ আলমত, দৰ্শনৰ তত্ত্বৰ আধাৰত, মানৱিক আবেদনৰ উৎকৰ্ষতাৰ নতুন দিগন্তত, প্ৰাচ্য-পাশ্চাত্যৰ সু-সমন্বয়ত, ন-পুৰণিৰ সন্তুলিত সামাজিক সহাৱস্থানৰ সৰ্বজন গ্ৰহণ যোগ্যতাৰ মাধ্যমত নতুন সমাজৰ সপোন ৰচনা কৰিব পাৰি। বিশেষ অধ্যয়ন বিদ্যায়তনিক গৱেষণাৰ মাধ্যমেদি শিক্ষা ক্ষত্ৰত কাৰ্যপদ্ধতি, কাৰ্যকৰণৰ নতুন দিশসমূহৰ উন্মেষ ঘটিছে আৰু ই সৰলীকৰণৰ ৰূপত মানৱক উত্তৰণৰ দিশত খোজ পেলোৱাত সহায় কৰিছে। বিজ্ঞানৰ অৰ্থবহ গৱেষণাই মানৱক সৃষ্টিৰ উচ্ছাসত সূত্ৰাৱলীৰ বিশুদ্ধিকৰণেৰে সত্য অন্বেষণত জয়যাত্ৰা অব্যাহত ৰাখিছে সুকুমাৰ কলাৰ অত্যাধুনিক পৰিশীলনে মস্তিষ্কত কৃষ্টিৰ তুলিকাৰে জগতখনক নতুনত্ব প্ৰদান কৰিছে। বৈদ্যুতিক মাধ্যমৰ চমকত উদ্যোগ-বাণিজ্যই-অৰ্থনীতিৰ আৱৰ্তত, ন-সাজত সমাজক এক বিশ্বৰ শিকনি দিছে আৰু উদ্যোগীয়ে আৰ্জিত প্ৰতিভাৰে উন্নয়নৰ মাৰাথন দৌৰত নামি পৰিছে। শিক্ষা-স্বাস্থ্য-উদ্যোগ-বাণিজ্য ক্ৰীড়া সৃষ্টি-সংস্কৃতি সমগ্ৰ দিশতে উচ্ছাসী মানৱৰ প্ৰতিভাই সংজ্ঞাৰ পৰিধি ভাগি একাকাৰ হৈ পৰিছে। সৃষ্টি বা ধ্বংসৰ ছবিৰ ধূসৰতা নাই, মাথোঁ ব্যৱহৃত কাৰকেই স্থিতিৰ সূচাংক আৰু সেয়েহে মূল্যায়ন সহজে অনুমেয়।

এখন সুস্থ সমাজৰ কল্পনাৰ বুনিয়াদ হ'ব লাগিব মহত্ত্বপূৰ্ণ, সুপৰিকল্পিত, মনোগ্ৰাহী সাৰ্বজনীন শিক্ষা, যি জ্ঞানে চেতনালব্ধ ব্যক্তিত্বৰ সমাহাৰ ঘটায়। বস্তুবাদী ধাৰণাৰ বিপৰীতে মানৱিক আবেদন প্ৰেম-প্ৰীতিৰ সহৱস্থানেৰে, মানসিক উত্তৰণেৰে ভৱিষ্যতৰ ছন্দত গাঢ় হয় গভীৰ জীৱনবোধ। মন-মগজুৰ সহায়ত সমাজ জীৱনত এয়া সম্ভৱ।

প্ৰবন্ধ

ব'হাগ হওক অসমীয়া জাতিৰ আয়ুস ৰেখা

দীপাঙ্ক হাজৰিকা

পৃথিৱীৰ প্ৰত্যেকটি বা প্ৰায়বোৰ জাতি-জনগোষ্ঠীৰে এক নিৰ্দিষ্ট বিষয়ত সুকীয়া পৰিচয় থাকে আৰু ইয়ে হ'ব পাৰে উক্ত জাতি-জনগোষ্ঠীটোৰ মূল আধাৰ তথা চালিকা শক্তি। সাহিত্য, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতিৰ পৰা আৰম্ভ কৰি বৰ্তমান বিশ্বত সামৰিক শক্তি, বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ উত্তৰণৰ বাবেও প্ৰতিযোগিতামুখী যুগত এই বিষয়বোৰ কোনোবা সম্প্ৰদায়ৰ বাবে গৌৰৱৰ থল হ'ব পাৰে। কিন্তু বৰ-অসমত আৰু বুৰঞ্জীয়ে ঢুকি পোৱাৰ আগৰে পৰা ইয়াৰ ভূ-খণ্ডত অতীজৰে পৰা বাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীৰ আধাৰ আৰু চালিকা শক্তি হৈছে এই জন সম্প্ৰদায়সমূহৰ বাৰেৰহনীয়া আৰু বৰ্ণাঢ্য সংস্কৃতি। অৱশ্যে অঞ্চলটিৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য আৰু চহকী সম্পদৰে পৰিপূৰ্ণ বাবেও আমাৰ সংস্কৃতিয়ে অনন্য ৰূপ লাভ কৰিছে। প্ৰকৃতিৰ পৰিৱেশত লালিত-পালিত অতি বৈচিত্ৰ্য বৈভৱ আমাৰ সকলো সম্প্ৰদায়ৰ আছে নিজস্ব জীৱনশৈলী, প্ৰাণোচ্ছল লোক উৎসৱ, মনোমোহা নৃত্য, বহু ৰঙীণ সাজ-পাৰ, সোৱাদ-পৰিপুষ্টিৰে ভৰা খাদ্য সম্ভাৰ, স্বকীয় লোকাচাৰ আদি। চিৰ সুন্দৰ সংস্কৃতিৰ বাবে 'আধুনিক' আৰু 'অতি আধুনিক' যুগতো বৰ অসমৰ সকলো জাতি-জনগোষ্ঠীয়ে আজিৰ বিশ্বত দৃঢ় ৰূপত বৰ্তি আছে অতি অভিনৱ আৰু সমৃদ্ধ এই সাংস্কৃতিক উপাদানসমূহৰ বাবেই।

সাত ৰাজ মাৰি একৰাজ প্ৰতিষ্ঠা কৰি মহামতী ছুকাফা আৰু তেওঁৰ পৰৱৰ্তী স্বৰ্গদেউসকলে সুদীৰ্ঘ ছশ বছৰৰো অধিক কাল অসমত সুশাসন ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। অৱশ্যে ইয়াৰ পিছত আভ্যন্তৰীণ খেলিমেলিৰ বাবে অসমৰ ওপৰত হোৱা মানসকলৰ ভয়ংকৰ আক্ৰমণ, আহোম শাসনতন্ত্ৰৰ অৱসান ঘটাই ইংৰাজৰ অসম অধিকাৰৰ ফলত বৰ অসমৰ জাতি-জনগোষ্ঠীসকলৰ কঁকাল ভাঙি পৰিছিল। আমাৰ অৰ্থনীতি, সমাজ ব্যৱস্থা শিথিল হৈ পৰিছিল। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতৰ অংগৰাজ্যৰূপে ইংৰাজৰ পৰা স্বাধীনতা লাভ কৰিলেও পৰৱৰ্তী কালৰ পৰা আজিলৈকে দেশীয় শাসনতন্ত্ৰৰ বিভিন্ন সামাজিক-ৰাজনৈতিক, অৰ্থনৈতিক দিশৰ অদূৰদৰ্শী কাৰ্যকলাপ আৰু তাৰ উপৰি আমাৰ ভূখণ্ডত অবিৰতভাৱে হৈ থকা প্ৰাকৃতিক দুৰ্যোগ আদি আৰু এইবোৰৰ

সমাধানৰ ক্ষেত্ৰত শাসক গোষ্ঠীৰ ফালৰ পৰা বাস্তৱ ফলপ্ৰসূ কাৰ্যসূচীৰ অভাৱে সমগ্ৰ জাতীয় ব্যৱস্থাটোৱেই সোলোক-ঢোলোক হৈ পৰিছে। জাতীয় জীৱনলৈ আহি পৰা এই আন্ধাৰ নেওচি আমাক পুনৰ আলোকময় কৰি তুলিবলৈ একমাত্ৰ অস্ত্ৰ হৈছে আমাৰ চিৰ সেউজ আৰু জীপাল সংস্কৃতি। এই ছন্দময়, প্ৰাণৱন্ত সংস্কৃতিৰ এক মূল উপাদান হৈছে আমাৰ প্ৰতিটো গোষ্ঠীৰ লোক উৎসৱসমূহ, বিশেষকৈ বিহু। আমাৰ সমাজ ব্যৱস্থা মূলতঃ গ্ৰাম্য আৰু কৃষি ভিত্তিক। প্ৰকৃতিৰ লগতে একাত্ম আমাৰ জনজীৱনৰ লগত কৃষিকৰ্ম উৎপাদন ব্যৱস্থা আৰু বিহু উৎসৱৰ ওতঃপ্ৰোত সম্পৰ্ক। গাঁৱৰ পথাৰত মুকলি পৰিৱেশত খেতিয়কসকলে, গাঁৱলীয়া জনগণে বিভিন্ন সময়ত অতীত কালৰ পৰা বিহু পালন কৰি আহিছে। পৰৱৰ্তী সময়ত স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতাত পথাৰৰ পৰা বিহু ৰাজচ'ৰালৈ আৰু শেষত ১৭৪৬ খ্ৰীষ্টাব্দত স্বৰ্গদেউ প্ৰমত্ত সিংহৰ দ্বাৰা নিৰ্মিত অসমীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ ৰংঘৰৰ বাকৰিলৈকে বিহুক আদৰি অনা হ'ল। ইয়াৰ লগে লগে ঐশ্বৰ্যশালী অসমীয়া সংস্কৃতিৰ ঘাই উপাদান, বাৰ্তাবাহক হৈ পৰিল আমাৰ বাপতি সাহোন উৎসৱ বিহুটি। বৰ অসমৰ প্ৰত্যেকটো জনগোষ্ঠীৰে স্বকীয় বৈশিষ্ট্যপূৰ্ণ গীত, মাত, নৃত্য আৰু এইবোৰৰ সংমিশ্ৰণত গঢ়ি উঠা জাতীয় উৎসৱ বিহু আছে। কিন্তু ভিন্নতাৰ মাজতো এই সকলো বিহুৰ মূল ভিত্তি হৈছে কৃষি আৰু কৃষিৰ লগত জড়িত কৰ্মৰ ওপৰত। বসন্ত ঋতুৰ আগমনৰ লগে লগে বিহু উৎসৱসমূহৰ চকৰি ঘূৰিবলৈ আৰম্ভ কৰে।

সেই কাৰণে আমাৰ বিহু উৎসৱে সংস্কৃতিবান একতাৰ ডোলেৰে বন্ধা এখন সমাজ গঢ়াত অদ্যাপি ভূমিকা গ্ৰহণ কৰি আহিছে। দূৰদৰ্শী স্বৰ্গদেউ সকলে ৰংঘৰৰ বাকৰিত সকলো জনসম্প্ৰদায়ক একত্ৰিত কৰি সংস্কৃতিৰ মহামিলনৰে এক শক্তিশালী অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ যি মহান কাৰ্যসূচী হাতত লৈছিল আধুনিক যুগত অসমত মঞ্চ বিহুৰ বাটকটীয়া ১৯৫২ চনত প্ৰতিষ্ঠিত ঐতিহ্যমণ্ডিত 'গুৱাহাটী বিহু সন্মিলনী, লতাশিল'ৰ লগতে অসম, ভাৰত তথা বিশ্বৰ সকলো প্ৰান্ততে বাস কৰা সংস্কৃতিপ্ৰেমী অসমীয়াসকলে আয়োজন কৰা মুকলি মঞ্চ বিহু উৎসৱসমূহেও একেই দায়িত্ব পালন কৰি আহিছে। বৰ অসমৰ, লুইতৰ দুয়োপাৰৰ সৰু-বৰ জাতি-জনগোষ্ঠী, সম্প্ৰদায় সকলোৰে একত্ৰ হৈ তেওঁলোকৰ ঐতিহ্য-সংস্কৃতি বিহু মঞ্চসমূহত প্ৰদৰ্শন কৰক, এই জাতীয় সংস্কৃতি মূলৰূপত সংৰক্ষণ হওক, বিজ্ঞানসন্মত আৰু পদ্ধতিগতভাৱে চৰ্চা কৰি নতুন প্ৰজন্মক ইয়াৰ বাবে আকৰ্ষিত কৰাত আগভাগ লওক, এই দিশবোৰৰ প্ৰতি আয়োজক আৰু সংস্কৃতিপ্ৰেমী ৰাইজৰ দায়িত্ব বৰ্তমান সময়ত অধিক হৈ পৰিছে। ঢোল, পেঁপা, গগনা, টকা, সুতুলি, তাল আদি থলুৱা আৰু প্ৰাকৃতিক বাদ্যযন্ত্ৰসমূহৰ মধুৰ ধ্বনি, গীত-মাতৰ সংমিশ্ৰণেৰে বিহু পৰিৱেশন কৰি বিহুৱা ৰাইজ কেৱল আপোন পাহৰা নহৈ বিহু উৎসৱ পালনৰ জৰিয়তে জাতি-গোষ্ঠীসকলৰ মাজত সমন্বয়ৰ সাকো গঢ়ি উঠক, সম্প্ৰীতিৰ এনাজৰী সুদৃঢ় হওক, আমাৰ মহান সংস্কৃতিয়ে আমাক গতি প্ৰদান কৰক আৰু এই গতিয়েই জাতীয় প্ৰগতিৰ আধাৰ হওক তাৰ বাবে আমি সকলোৰে অংশীদাৰ হোৱাটো সময়ৰ আহ্বান।

জাতীয় সংস্কৃতিৰ বৃহৎ ভাণ্ডাৰৰ সমলসমূহক লৈ আজিৰ আৰু আমাৰ ভৱিষ্যৎ প্ৰজন্মই চিন্তা-চৰ্চা-

গৱেষণা-প্ৰয়োগ কৰি আজিৰ সময়তকৈ এক বৰ্ণিল আৰু স্বৰ্ণিল জাতীয় সংস্কৃতি গঢ়ি তোলাৰ কামত ব্ৰতী হ'বলৈ আমি অনুজসকলক আহ্বান জনালো। এই কামবোৰ কৰিব পাৰিলেই জাতীয় সংগঠক স্বৰ্গদেউ ছুকাফাৰ পৰা ৰুদ্ৰসিংহলৈকে, মহাৰাজ নৰনাৰায়ণৰ পৰা সেনাপতি চিলাৰায়লৈ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱৰ পৰা তেৰাৰ শিষ্যসকললৈ, জাতীয় প্ৰাণ ড° ভূপেন হাজৰিকাৰ পৰা জাতীয় গৌৰৱ মামণি ৰয়ছম গোস্বামী (ড° ইন্দিৰা গোস্বামী)লৈ এই সকলো মহান জাতীয় বীৰ-বীৰাঙ্গনালৈ ব'হাগৰ বতৰত আমাৰ পৰা যাচিব পৰা প্ৰকৃত শ্ৰদ্ধা আৰু প্ৰণিপাত হ'ব। 'অসম', 'অসমীয়া', 'ব্ৰহ্মপুত্ৰ', 'বহাগ', 'বিহু'— শব্দকেইটা হওক আমাৰ জাতীয় জীৱনৰ প্ৰাণ, আধাৰ আৰু শক্তি। 'ব'হাগ হওক অসমীয়া জাতিৰ আয়ুস ৰেখা, জনজীৱনৰ সাহ।' আমাৰ সংস্কৃতি হওক আমাৰ গতি, আমাৰ প্ৰগতি।

মহৎ লোকৰ বাণী

১। সমালোচনাৰ বিৰুদ্ধে মানুহে প্ৰতিবাদ কৰিব নোৱাৰে বা তাৰ পৰা আত্মৰক্ষাও কৰিব নোৱাৰে। সমালোচনাৰ সত্ত্বেও মানুহে নিজৰ কাম কৰি থাকিব লাগিব; এদিন সমালোচনা নিজে নিজে স্তব্ধ হৈ যাব।

— গ্যেটে

২। প্ৰতিদিনে এনে এখন কিতাপ পঢ়িবা, যিখন কিতাপ আন কোনেও পঢ়া নাই। প্ৰতিদিনে এনে এটা চিন্তা কৰিবা যিটো চিন্তা আন কোনেও কৰা নাই। নামহীন মুখহীন জনপুঞ্জৰ মাজত নিজকে কেতিয়াও হেৰাই যাবলৈ নিদিবা।

— খ্ৰিষ্টফাৰ মৰ্লি

৩। পৃথিৱীখন অতি সুন্দৰ। কিন্তু এই সুন্দৰ পৃথিৱীখনৰো এটা ৰোগ আছে। সেই ৰোগটো হ'ল মানুহ।

— নীৎসে

৪। শব্দ হ'ল শক্তিশালী অস্ত্ৰ। ৰাজনীতিতেই হওক বা দাৰ্শনিক চিন্তাতেই হওক, শত্ৰুৰ পৰা শব্দ ধাৰ কৰাটো অতি বিপজ্জনক।

— জৰ্জ ছাণ্টানয়ো

৫। সৰ্বপ্ৰথমে বিচাৰিবা তোমাৰ মনটোক ধনী কৰিব পৰা বস্তুবোৰ। সেইখিনি পালে বাকীবোৰ বস্তু নিজে নিজে আহিব। নাহিলেও কোনো ক্ষতি নাই। সেইবোৰৰ অভাৱ তুমি কেতিয়াও অনুভৱ নকৰিবা।

— ফ্ৰান্সিছ বেকন

প্ৰবন্ধ

মহানুভৱ

নিলীমা শইকীয়া দাস

মানুহৰ অনুভৱ কেতিয়াৰ পৰা আৰম্ভ হয়? এটা ল'ৰা বা এজনী ছোৱালীয়ে যেতিয়াৰ পৰা বুজি পোৱা হয়, তেতিয়াৰ পৰাই অনুভৱ আৰম্ভ হয় বুলি ধৰিব পাৰি। দুখ পালে কেঁচুৱাই কান্দে, সুখ বা আনন্দ পালে হাঁহে, ইও এক অনুভৱ। শৈশৱ কাল পাৰ হৈ যৌৱন আহে। উন্মত্ত বানে যেনেদৰে একো নেবাছে, ভাল-বেয়া সকলো উটুৱাই লৈ যায়, ঠিক সেইদৰে জীৱনৰ যৌৱন কালছোৱাত অনুভৱৰ পৰশ কিছু পৰিমাণে কম থাকে। কোবাল সোঁতত বহুদূৰ যোৱাৰ পাছত তাৰ গতি মন্থৰ হয়। জাবৰ-জোঁথৰবোৰ অ'ত ত'ত লাগি লাগি বৈ যায়। ক'ৰবাত খান্দি নিয়া বালি ক'ৰবাত পলস ৰূপে থৈ যায়। থমকি ৰয় নৈৰ সোঁত, বৈ যাবলৈ গাত যেন শক্তি নোহোৱা হয়। কেতিয়া গৈ সাগৰত মিলিব তাৰেই চিন্তা।

একেদৰে মানুহৰ জীৱনটো তুলনা কৰিব পাৰি। যৌৱনৰ তাড়নাত মাক-দেউতাক বা পৰিয়ালৰ কথা চিন্তা নকৰি বিয়া-বাৰু কৰায়। নিজ ইচ্ছা মতে ঘৰ সংসাৰ কৰি বহু মানুহে লাহে লাহে মহা অনুভৱত ভুগী থকা দেখা পাওঁ। নিজৰ ভুলৰ কথা কাৰো আগত প্ৰকাশ কৰিবলৈ টান পায়। এগৰাকী ছোৱালীয়ে বিয়াৰ পাছত এখন ঘৰৰ লখিমী বোৱাৰী ৰূপে দিন বিলাক অতিবাহিত কৰি ভাল পায়। স্বামী আৰু শহুৰ-শাহুক সন্তুষ্ট কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰে। তাৰ মাজতো দোষ-ত্ৰুটি থাকি যায়। নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি ল'ৰা-ছোৱালীক জন্ম দি, বহু আশা বুকুত বান্ধি সিহঁতক ডাঙৰ-দীঘল কৰে। শিক্ষা-দীক্ষা লৈ যেতিয়া সিহঁত ডাঙৰ মানুহ হয়, তেতিয়া বহু ল'ৰা-ছোৱালীয়ে মাক-দেউতাকৰ কথা নেভাবে বা নেমানে। বৃদ্ধ পিতৃ-মাতৃক শুশ্ৰূষা কৰিবলৈ সিহঁতৰ আজৰি নাইকিয়া হয়।

মাতৃৰ কোষত জন্ম লৈ মাকক পদে পদে হেয়জ্ঞান কৰে। সেই সন্তান পশুতকৈও অধম নহয়নে? বিদ্যাৱন্ত হ'লেও সেইসকলক লৈ মাক-দেউতাক বা পৰিয়ালে গৌৰৱান্বিত হ'ব নোৱাৰে। কোনো পিতৃ-মাতৃয়ে নিজৰ সন্তানৰ অহিত চিন্তা নকৰে। সেই কথা যিবিলাক ল'ৰা-ছোৱালীয়ে অনুভৱ কৰিব নোৱাৰে, তেওঁলোকে জীৱনত মাক-দেউতাকৰ দোষ দেখি থাকে। অন্যৰ মাক-দেউতাকে ইমান কাম কৰি গৈছে, আমাৰহে মা-দেউতাই একো কৰিব নোৱাৰিলে। নিজে কি কৰিছে তাৰ প্ৰতি তেওঁলোকৰ ভ্ৰুক্ষেপ নাই। মাক-দেউতাকৰ সম্পত্তিৰে নিজৰ জীৱন লাহ-বিলাহত কটাব খোজে। পিতৃ-মাতৃক লৈ গৌৰৱ কৰিব খোজে। নিজৰ জ্ঞান-অভিজ্ঞতা, শিক্ষা দীক্ষাৰ প্ৰতি যাৰ অলপো অনুৰাগ নাথাকে। তেনে এচাম ল'ৰা-ছোৱালীয়ে

নিজে গম নোপোৱাকৈ ধ্বংসৰ পথত আগবাঢ়ে। নিজৰ পিন্ধন-উৰণ, কলা-কৃষ্টি পাহৰি পশ্চিমীয়া সাজ-পোছাক পিন্ধি নিজকে আধুনিকা কৰি তোলে। মানুহ আধুনিকীকৰণৰ হ'ব লাগে। কিয়নো গতিশীল পৃথিৱীখন আগুৱাই গৈ আছে। আমি একে ঠাইতে ৰৈ থকাটো উচিত নহয়। সেইবুলি নিজক পাহৰি আনক অনুকৰণ কৰাটো ভাল লক্ষণ নহয়।

বিশ্বৰ দৰবাৰত নিজকে পৰিচয় দিবলৈ যাওঁতে নিজৰ কিছুমান বস্তুৰ প্ৰয়োজন হয়। সেইবিলাক হেৰুৱাই পিছত হাহাকাৰ কৰি ফুৰিব লাগিব। যিবিলাক উঠি অহা ল'ৰা-ছোৱালীয়ে সেই কথা উপলব্ধি কৰিব নোৱাৰে, তেওঁলোকক কৰ্মৰ যোগেদি বুজায় দিব লাগিব। আমাৰ পৰম্পৰা কি? নিজৰ দেশক, নিজৰ জাতিক, নিজৰ ঐতিহ্য এই সকলোবোৰক ভাল পাবলৈ আৰু শ্ৰদ্ধা কৰিবলৈ শিকাব লাগিব। যি নিজক চিনি নেপায়, সি আনক লৈ গৌৰৱ কৰিলে শোভা নাপায়।

পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধা ও ভক্তি, ডাঙৰৰ প্ৰতি সন্মান আমাৰ দেশৰ এটা লেখত ল'বলগীয়া পৰম্পৰা। আজিৰ নৱ প্ৰজন্মই এই কথা মানি ল'বলৈ টান পায়। নিজৰ মাক-দেউতাকৰ কথা কয় — আমাৰ বুঢ়া-বুঢ়ীয়ে এনেকৈ ক'লে, তেনেকৈ ক'ল। মই এই চবৰ কথা মানিবলৈ নাই বে।' মোক লাগে বুলি কৈছো মুঠতে লাগে। ক'ৰ পৰা কেনেকৈ আনি দিয়ে সেইচব মই নাজানো।' মাক-দেউতাকৰ মূৰ নষ্ট কৰি নিজৰ অভাৱ পূৰণ কৰাটো সিহঁতৰ আদৰ্শ। নৈতিকতা বিসৰ্জন দি কোনো জাতিয়ে আজিলৈকে পৃথিৱীত শান্তি স্থাপন কৰিব পৰা নাই। নৈতিকতা, আদৰ্শ জ্ঞান নাথাকিলে কোনো জাতি বা দেশ উচ্চ শিখৰত আৰোহণ কৰিব নোৱাৰে। অনুভূতি নোহোৱাকৈ মানুহে একো কৰিব নোৱাৰে। অনুভৱ কৰিব পৰাটো মানুহৰ এটা মহৎ গুণ।

জীৱনৰ বিয়লি বেলাত যি অনুভৱ হয়, সেয়ে হৈছে মহা অনুভৱ। জীৱন কালত কৰি অহা কামবিলাক এটা এটাকৈ সুঁৱৰি অৱশ দেহা এটা লৈ জীৱনৰ বাকী জীয়াই থকা দিনবিলাক অতিবাহিত কৰে। সুখ-দুখৰ লগৰী কাষত কোনোৱে নাথাকে। এই মৰ্মান্তিক অৱস্থাটো সঁচাকৈয়ে বৰ দুখ লগা। তেওঁৰ লগত বহি কথা পাতিবলৈ বা শুনিবলৈ বা তেওঁৰ কথা ভাবিবলৈ, সেই সময়ত ল'ৰা-বোৱাৰী আৰু জী-জোঁৱাই কাৰো হাতত সময় নেথাকে। সকলো নিজৰ নিজৰ কৰ্মত ব্যস্ত। এনে এটা দিন যে সকলোৰে কাৰণে আহে, সেই কথা কেইজন মানুহে ডেকা কালত অনুভৱ কৰিব পাৰে। সেয়ে হয়তো দিন বিলাক সুখত কটাবলৈ আৰু মনৰ ভাৱ প্ৰকাশ কৰিবলৈ বৃদ্ধ আশ্ৰমৰ দৰে অনুষ্ঠান এটাৰ প্ৰয়োজন হৈছে।

এটা সময়ত ল'ৰা-ছোৱালী, ঘৰ-বাৰী লৈ ব্যস্ত হৈ থকা মানুহজনক এনেকৈ অকলশৰীয়া হ'বলৈ কেতিয়াও দিব নালাগে। নিজৰ ব্যস্ততাৰ মাজতে বৃদ্ধ মাক-দেউতাকক সময় দিয়াটো নিতান্তই প্ৰয়োজন বুলি প্ৰত্যেক ল'ৰা-ছোৱালীয়ে ভাবিব লাগে। মানুহে যি জ্ঞান কিতাপ পঢ়ি আহৰণ কৰে, জীৱনৰ অভিজ্ঞতা তাতকৈ বহুগুণে বেছি। স্কুল বা কলেজ নোযোৱা এজন বৃদ্ধ মানুহৰ অভিজ্ঞতা, এজন শিক্ষিত যুৱকতকৈ বহুত বেছি। কিয়নো বয়সে তেওঁক বহু জ্ঞান দিছে। যি জাতিয়ে জ্যেষ্ঠজনক সন্মান কৰিব নাজানে তেনে জাতিৰ উন্নতি অসম্ভৱ।

প্ৰবন্ধ

গুডী পড়ৱা

মাৰাঠীসকলৰ নতুন বছৰ

ভাৰতী ভট্টাচাৰ্য

মহাৰাষ্ট্ৰৰ পুণে চহৰত থকা ডাঙৰ ল'ৰা-বোৱাৰীৰ ঘৰত দীঘলীয়া সময়ৰ কাৰণে আছোহি গৃহস্থৰ চিকিৎসাৰ কাৰণে। আগতেও আহি গৈ থাকো। কিন্তু এইবাৰ বহুত দিন ঘৰৰ পৰা আঁতৰি থকাৰ কাৰণে মনটো কাতৰ হৈ পৰিছে ঘৰখনলৈ, নিজৰ মানুহবোৰলৈ মনত পৰিছে বৰকৈ।

আকৌ আহিছে ব'হাগ, ওলমা বাৰান্দাৰ সন্মুখত থকা গছডালত কুলিজনীয়ে খলকনি লগাইছে। মনত পৰিছে সুদূৰ গুৱাহাটীত থকা মোৰ ঘৰখনৰ পদূলিত ফুলি থকা কপৌ কেইপাহলৈ। ঘৰৰ গাতে লাগি থকা অতিকৈ মৰমৰ হাউছিং ক'লনীৰ বিহুতলীখনলৈ। বিহু বুলিলে গাত তত নোহোৱা পাৰুল, কানন, মঞ্জুলা, ৰানু আৰু প্ৰতিমাহঁতলৈ। এইবোৰ কথা ভাবি থাকোতেই হঠাৎ ফুলেশ্চ গগৈৰ পৰা ফোন এটা পালো। তেখেতে আমাৰ কুশল-মংগল সোধাৰ পাছত হাউছিঙৰ বিহুৰ প্ৰস্তুতিৰ খবৰ দিলে। পাৰিলে বিহু পোৱাকৈ যাবলৈ অনুৰোধ কৰিলে আৰু নোৱাৰিলেও বিহুৰ স্মৰণিকা 'সাহোন'লৈ কিবা এটা লিখি পঠাবলৈ ক'লে। তেখেতৰ কথা ৰাখিবলৈকে এয়া কিবা এটা লিখো বুলি হাতত কলম তুলি লৈছো।

মানুহ প্ৰকৃতিৰ সন্তান, প্ৰকৃতিৰ প্ৰতিটো ঘটনা-পৰিঘটনাই মানুহৰ জীৱন চুই যায়। গঢ় লয় লোক সংস্কৃতি তথা লোক সংগীত। প্ৰকৃতিৰ ঋতু পৰিবৰ্তন তেনে এটি পৰিঘটনা। প্ৰত্যেক ঋতুৱে মানুহৰ মনত আশাৰ সঞ্চাৰ কৰে। নতুন আশা আৰু কৰ্ম প্ৰেৰণাই জীৱন আগবঢ়াই নিয়াত প্ৰেৰণা যোগায়। ঋতুৰ ৰজা বসন্ত তেনে এটি প্ৰেৰণাদায়ক ঋতু। এই ঋতুত প্ৰকৃতিয়ে সেউজীয়া সাজযোৰ পিন্ধি সাতৰঙী পুষ্প অলংকাৰেৰে নিজক সজাই তোলে। নতুন উদ্যম আৰু আশাৰে মানুহৰ মন পুলকিত হৈ পৰে। ভগৱান শ্ৰীকৃষ্ণইও সেয়েহে গীতাত বসন্ত ঋতুৰ মহত্ত্বৰ কথা কৈছে।

সেই কাৰণে বসন্ত কালত ভাৰতৰ প্ৰত্যেক জনগোষ্ঠীয়ে প্ৰকৃতিক আদৰিবলৈ আৰু জীৱনৰ জয়গান গাবলৈ নানা ধৰণৰ উৎসৱ পালন কৰে। বসন্তৰ আগমনীতে পালন কৰা 'গুডী পড়ৱা' (Gudi Parwa) মহাৰাষ্ট্ৰৰ এক বসন্ত উৎসৱ। এই দিনটোতেই মাৰাঠীসকলৰ নতুন বছৰ আৰম্ভ হয়। চ'ত মাহৰ শুক্লা প্ৰতিপদ তিথিত এই উৎসৱ পালন কৰা হয়।

'গুডী পড়ৱা' পালনৰ এই দিনটোৰ প্ৰকৃতিগত, বুৰঞ্জীমূলক আৰু আধ্যাত্মিক মহত্ব আছে। চ'ত মাহৰ শুক্লা প্ৰতিপদ তিথিত আকাশত সূৰ্যৰ মহত্বপূৰ্ণ অৱস্থানে বসন্ত ঋতুৰ আগমনক সূচায়। এই দিনটোৰ প্ৰতিটো মুহূৰ্তই শুভ বুলি ধৰা হয়। এই দিনটোতেই শ্ৰীৰামচন্দ্ৰই বালিক হত্যা কৰি সুগ্ৰীৱক কিষ্কিন্ধাৰ ৰজা পাতিছিল বুলি কোৱা হয়। ব্ৰহ্মপুৰাণৰ মতে এই দিনাই ব্ৰহ্মাই সৃষ্টিৰ পাতনি মেলিছিল। অন্যতম আখ্যান মতে শক বংশৰ ৰজা শশিবাহনে হুন বিলাকক পৰাস্ত কৰি ঘূৰি অহাৰ পিছত প্ৰজাসকলে যি আনন্দ উৎসৱ পালন কৰিছিল তাৰ পৰাই 'গুডী পড়ৱা' পালনৰ পৰম্পৰা আৰম্ভ হয়। মাৰাঠীসকলে শিৱাজীৰ নেতৃত্বত মাৰাঠা শক্তিৰ উত্থানৰ লগতো 'গুডী পড়ৱা'ৰ সম্বন্ধ আছে বুলি ইয়াক বিজয় উৎসৱ হিচাপে পালন কৰে।

উৎসৱৰ দিনা পুৱাই সকলোৱে ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি মজিয়া আৰু ঘৰৰ পদূলিত নানা ধৰণৰ ৰঙীন নক্সা (ৰংগুলী) আঁকে, দুৱাৰত আমডালি আঁৰে, নাৰিকল আৰু পঞ্চপল্লৱেৰে পূৰ্ণ ঘট প্ৰতিষ্ঠা কৰে। ইয়াৰ পাছত মজবুত বাঁহৰ টোকোন এডালত (যাক গুডী বুলি কোৱা হয়) নতুন শাৰী এখন ধুনীয়াকৈ পিন্ধোৱা হয়। ইয়াৰ ওপৰত সেন্দূৰ আৰু হালধিৰে ফোট দি এটা তামৰ ঘট ওভোটাকৈ দিয়া হয়। ঘটটোত নিম, আমপাত, ফুল আৰু বাতাচাৰ একোডাল কৈ মালা পিন্ধোৱা হয়। তাৰ পাছত ইয়াক বিধিসন্মতভাৱে পূজা অৰ্চনা কৰি ওখ খিৰিক বা বাৰান্দাত থোৱা হয়। 'গুডী'ক শক্তি, সৌভাগ্য, সামৰ্থ্য, বৈভৱ, স্বাস্থ্য তথা মাধুৰ্যৰ প্ৰতীক বুলি ধৰা হয়। সেই দিনা মহিলাসকলে পৰম্পৰাগতভাৱে মিঠা খাদ্য তৈয়াৰ কৰে। সুস্বাদু শ্ৰীখণ্ড, ক্ষীৰ আৰু পুৰণ পুলিৰ আকন্দ সকলোৱে লয়। আমাৰ প্ৰথম বহাগত বিহুৱান লোৱাৰ দৰে মাৰাঠীসকলেও গুডী পড়ৱাৰ দিনা নতুন কাপোৰ লয়। সামৰ্থ্য থকাসকলে দুই এপদ সোণৰ গহনা কিনে, নতুন পঞ্জিকাক পূজা-অৰ্চনা কৰে। আমাৰ অসমতো প্ৰথম বহাগৰ দিনা নতুন পঞ্জিকা চাই ৰাশিফল গণনা কৰা হয়। বিহুত আমি নিমপাত, কেঁচা হালধি ব্যৱহাৰ কৰো, মাৰাঠীসকলেও নিমপাত আৰু হালধি খায়। বস্তু একেবোৰেই মাথোন ব্যৱহাৰ পদ্ধতিৰহে তাৰতম্য আছে।

এইদৰে বিশাল ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ ভাষা, পোছাক, খাদ্যাভ্যাস বেলেগ বেলেগ হ'লেও পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধা, আধ্যাত্মিকতা আৰু সংস্কৃতিৰ বান্ধোনেৰে সদৌ ভাৰতবাসী একেডাল ডোলেৰে বান্ধ খাই আছে। সেয়েহে আমাৰ উৎসৱবিলাকে আমাক অৱকাশ দিয়ে ভাষা, ধৰ্ম, জাতি, গোষ্ঠীৰ ভেদাভেদ পাহৰি, অনৈক্যৰ মাজত ঐক্যৰ বান্ধেৰে বান্ধ খাবলৈ।

সামৰণিত সদৌ হাউছিং বাসীলৈ বিহু তথা নতুন বছৰৰ ওলগ জনালো। বুকুৰ আপোন হাউছিং ক'লনীৰ বিহুখনিলৈ থাকিল হিয়া ভৰা শুভেচ্ছা।

ৰঙালী বিহু— এটি শিশুৰ অনুভৱ

হৃষিকেশ শৰ্মা

বসন্তৰ আগমনত গছ-লতিকাই পাত সলায়। কুলি-কেতেকীৰ মিঠা মাতে চাৰিও দিশ মুখৰিত কৰি তোলে। তেনে এক মধুৰ ক্ষণতে অসমবাসীয়ে পালন কৰে ৰঙালী বিহু। চ'ত আৰু ব'হাগ মাহৰ সংক্ৰান্তিৰ দিনাই পালন কৰা হয় বাবে এই বিহুক ব'হাগ বিহু বুলি কোৱা হয়। এই বিহু সাতদিন ধৰি পালন কৰা হয়। ইয়াৰে প্ৰথম দিনা হ'ল গৰু বিহু, দ্বিতীয় দিনা হ'ল মানুহ বিহু, তৃতীয় দিনা গোসাঁই বিহু, চতুৰ্থ দিনা চেনেহী বিহু, পঞ্চম দিনা হ'ল মহিলা বিহু, ষষ্ঠ দিনা ৰঙালী বিহু আৰু সপ্তম দিনা হ'ল জেং বিহু।

কৃষিপ্ৰধান অসমৰ জনসাধাৰণৰ বাবে গৰু অসমৰ এক অমূল্য সম্পদ। বলধ গৰুৱে হাল পায়, গাড়ী টানে। গাই গৰুৱে গাখীৰ দিয়ে। সেয়েহে বিহুৰ প্ৰথম অৰ্থাৎ গৰু বিহুৰ দিনাই নৈ বা বিললৈ নি গৰুক গা ধুওৱা হয়। তাৰ পিছত সিহঁতক লাউ-বেঙেনা খুৱাই শ্ৰীবৃদ্ধি কামনা কৰি গোৱা হয়—

'দীঘললতি দীঘল পাত, মাখি মাৰো জাত জাত
লাউ খা বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা,
মাৰ সৰু, বাপেৰ সৰু তই হ'বি বৰ গৰু।'

মানুহ বিহুৰ দিনা সৰুৱে ডাঙৰক সেৱা কৰি আশীৰ্বাদ লয়। ঘৰৰ ডাঙৰ সকলেও নামঘৰলৈ গৈ বছৰটো ভালে-কুশলে পাৰ কৰাৰ বাবে ভগৱানৰ আশীৰ্বাদ বিচাৰি সেৱা কৰে। গৰু-বিহুৰ দিনা ৰাতিৰে পৰা ঘৰে ঘৰে গৈ হুঁচৰি গোৱা হয়। ডেকা-গাভৰুসকলে পথাৰত বিহু মাৰি ৰং-ধেমালি কৰে।

বিহুত প্ৰত্যেক মানুহৰ ঘৰতে চিৰা, পিঠা, দৈ, সান্দহ লাড়ুৰ আয়োজন কৰা হয়। ঘৰলৈ অহা বিভিন্ন আলহীৰ লগতে নিজৰ মিতিৰ-কুটুমকো নিমন্ত্ৰণ কৰি খুওৱা হয়। এই ৰঙালী বিহু অসমৰ সকলো ৰাইজেই পালন কৰে বাবে ইয়াক জাতীয় উৎসৱ বুলি কোৱা হয়।

গল্প

উত্তৰণ

ৰেৱতী মোহন হাজৰিকা

তেজপুৰৰ পৰা বদলি হৈ ডিব্ৰুগড় পালোগৈ। অলপ সকাহ পালো। ঘৰৰ বহুখিনি ওচৰ চাপিলো। পিছে সমস্যা হ'ল ভাৰাঘৰ লৈ। ডিব্ৰুগড়ত ভাৰাঘৰ পোৱা বৰ টান। ইয়াত ভাৰা দিবৰ বাবে মানুহে ঘৰ নাসাজে যেনেই পাওঁ। কোনোবাই কিবা কাৰণত নিজৰ ঘৰৰ এটা অংশ ভাৰালৈ দিব লগা হ'লেও ডঙুৰা মানুহক দিবলৈ টান পায়। হোটেলত থাকি পোন্ধৰ দিন পুৱা-গধূলি ভাৰা ঘৰ বিচাৰি চলাথ কৰাৰ পাছত চিৰিং চাপৰিৰ গলি এটাৰ এমূৰে কোঠা দুটা পালো। ছটা কোঠাৰ আছাম টাইপ ঘৰটোৰ চাৰিটা কোঠাত পৰিয়ালসহ ঘৰৰ মালিক থাকে। পৰিয়াল মানে বুঢ়া-বুঢ়ী আৰু এজনী কাম কৰা ছোৱালী। পুতেক দুটা চাকৰি সূত্ৰে এটা নাহৰকটীয়াত আৰু আনটো নলবাৰীত থাকে। কোঠা দুটা পাই বহুখিনি সকাহ পালো। কিন্তু সমস্যা হ'ল এটা ৰান্ধনি ল'ৱাৰ। অফিচৰ ফালৰ পৰা মই এটা পাৰ্ছনেল অৰ্ডাৰলি পাওঁ। মোৰ আগৰজন অফিচাৰৰ লগত থকা পাৰ্ছনেল অৰ্ডাৰলিটো নামৰূপ ফাৰ্টিলাইজাৰত চাকৰি পাই গুচি গ'ল। নিজেই ভাত ৰান্ধি খাব লগা হ'ল। আকৌ দুসপ্তাহ ধৰি পাৰ্ছনেল অৰ্ডাৰলি হিচাপে এপইণ্টমেণ্ট দিবৰ বাবে ল'ৰা বিচৰাত লাগিলো। চিনাকি মানুহ যাকে-য'তে পালো ল'ৰা এটা বিচাৰি দিবৰ বাবে ক'লো। 'পালে খবৰ দিম বাৰু' বুলি কয় কিন্তু খবৰ কোনেও নিদিয়ে।

পাৰ্ছনেল অৰ্ডাৰলি এপইণ্টমেণ্ট দিবৰ বাবে ল'ৰা এটা ক'ত কেনেকৈ পাওঁ এই কথা চিন্তা কৰি থাকোতেই মাই কোৱা এযাৰ কথা মনত পৰিল। চাৰিঙৰ ঘৰৰ পৰা ডিব্ৰুগড়লৈ অহাৰ আগদিনা মাই কৈছিল— 'তই ডিব্ৰুগড়লৈ গৈয়েই খোৱাঙৰ সৰু পেহীয়েৰৰ ঘৰলৈ এদিন যাবি। তই চাকৰি কৰাৰ পৰা আজি তিনি বছৰে তাইৰ তালৈ যোৱাই নাই। যোৱা মাহত শিৱসাগৰত মাজনীৰ বিয়াত লগ পাই তই নোযোৱাৰ বাবে বৰ অসন্তোষ কৰিলে।' মাক যাম বাৰু বুলি কৈ আহিছিলো। তিনি দিনৰ পাছতে শনিবাৰে অফিচ ছুটীৰ পাছত সন্ধিয়াৰ আগে আগে পেহীৰ ঘৰ ওলালোগৈ। মোক দেখি পেহীৰ কিযে আনন্দ। মোক চাহ-জলপান দিয়েই পেহী ওলাই গ'ল। এঘণ্টামান পাছত হাতত পাৰ পোৱালি দুটা লৈ পেহী ঘৰ ওলালহি।

'পাৰ পোৱালি ক'ৰ পৰা আনিলি পেহী?'

'এইখিনিতে নেপাই একেবাৰে গাঁৱৰ সিমূৰ পালোগৈ। গাঁৱত আজি-কালি পাৰ বিচাৰি পোৱাই টান।

তাতে যিহে জুই-ছাই দাম।'

'দাম কিমান পালেগৈ?'

'ডেৰ টকা।'

'হওক, ইয়াত তেওঁ ভালেই। আমাৰ ডিব্ৰুগড়ত দুটকাৰ কমত নিদিয়ে।'

'টাউনৰ কথা বেলেগ। টাউনৰ কথা আমাৰ কেলেই লাগিছে।'

'মই অহা বাবেইনো তহঁতে জীৱ হত্যা কৰিব লাগেনে?'

'আমি নেমাৰো নহয়, বেলেগেহে মাৰিব।'

ৰাতি ভাত খাই থাকোতে পেহাক ক'লো— 'পেহা, মোক ভাত ৰান্ধিবৰ বাবে ল'ৰা এটা বিচাৰি দিব পাৰিবনেকি? মই তাক মোৰ পাৰ্ছনেল অৰ্ডাৰলি হিচাপে এপইণ্টমেণ্ট দিম। দৰমহা মাহে যাঠি টকা পাব। কামো বিশেষ একো নাই। মোৰ লগতে থাকিব আৰু মোৰ খৰচতে খাব। অফিচত তাৰ বিশেষ একো কাম নাই। ক্লাছ এইট্, নাইন মানলৈ পঢ়া হ'লে ভাল হয়।' বিচাৰি চাব লাগিব বুলি পেহাই ক'লে। এনেতে পেহীয়ে মাত লগালে— 'কিয় কেৰকনৰ পুতেক নগেনকে জানো চাকৰিটো দিব নোৱাৰি। সি ক্লাছ এইট্ নে নাইনলৈ পঢ়িছিলে। ইয়াত সি মানুহৰ গৰুপাল ৰখি ফুৰাতকৈ টাউনত যদি পিয়ন, চকিদাৰৰ চাকৰি এটাকে পায় মাকজনীয়ে বহুখিনি সকাহ পাব। ঘৰখনক তিনিটা প্ৰাণীক পুহিবৰ বাবেনো মানুহজনীয়ে কিমান আৰু কটনা কাটিব।' অলপ চিন্তা কৰি পেলাই ক'লে— 'কথাটো হয় অৱশ্যে, কাইলৈ পুৱা মই বাৰু খবৰ কৰিম।'

ৰাতিপুৱা উঠি খোজ কঢ়াটো মোৰ অভ্যাস আছিল। পিছদিনা কাহিলি পুৱাতে উঠি হাত-মুখ ধুই পেণ্ট-চাৰ্ট পিন্ধি প্ৰাতঃ ভ্ৰমণৰ বাবে ওলালো। আহিনৰ বতৰ। বেচ ফৰকাল। বেলি ওলাইছে মাত্ৰ। ৰাস্তাৰ কাষৰ প্ৰায়বোৰ ঘৰৰে বোৱাৰী-জীয়ৰীহঁতে হাতত বাঁহৰ বাঢ়নী লৈ চোতাল সাৰিছিল। পুৱাৰ হেঙুলীয়া পোহৰত মূৰৰ ওৰণি টানি চোতাল সৰা দৃশ্যটো দেখি বৰ ভাল লাগিছিল। কোনোবাজনীয়ে চোতাল সৰাৰ পৰাই থৰ লাগি মোলৈ চাইছিল। মনতে হয়তো ভাবিছিল— এই ব্ৰহ্ম পুৱাতে এইজন বা ক'ৰ ফুল বাবু ওলালহি। আধা মাইল ৰাস্তা গাঁৱৰ মাজেৰে খোজ কাঢ়ি অনুমান কৰিলো যে গাঁওখনৰ সৰহসংখ্যক মানুহৰে অৱস্থা ভাল নহয়। কোনো মতেহে হয়তো দুবেলা দুসাঁজ খাই জীয়াই আছে। পেহাহঁতৰ গাঁওখনৰ পঞ্চাশ-যাঠি ঘৰমান মানুহৰ ঘৰ পাৰ হৈ এখন সৰু ধাননি পথাৰ পালো। অলপ ৰৈ ধাননি পথাৰ দৰা ইমূৰৰ পৰা সিমূৰলৈ লক্ষ্য কৰিলো। ধান গছে গেঁৰ মেলাৰ সময়। পথাৰৰ মাটিৰ শালি ধানবোৰ পানীয়ে মাৰিছে। মাজে মাজে দুই-এগোছা পোলা ভাঙিব নোৱাৰি লিংলিঙিয়া হৈ থিয় দি আছে। বাম মাটিৰ লাহি ধানবোৰ মুজুৰা পৰা। শেহতীয়াকৈ ধান ওলালেও ধানৰ থোক চাৰি আঙুলৰ বেছি দীঘল নহ'ব। আৰু আগ নেবাঢ়িলো। তাৰে পৰাই ঘূৰি আহিলো। ঘৰ পাই চাহ-তাহ খাই উঠাৰ পাছতে পেহাই নগেন আৰু মাকক মতাই অনালে। সিহঁত আহি পোৱাত পেহাই পেহীক ভিতৰৰ পৰা মাতি আনি মোক

আৰু পেহীক সিহঁতৰ লগত কথা পাতিবলৈ দি আঁতৰি গ'ল। পেহীয়ে মোক সিঁহতৰ লগত চিনাকি কৰি দিলে— ই মোৰ ডাঙৰ ককাইদেউৰ ল'ৰা অজিত। ডিব্ৰুগড়ত লেবাৰ ইন্সপেক্টৰ চাকৰি কৰে। ইহঁতৰ অফিচত পিয়নৰ চাকৰি এটা ওলাইছে। চাকৰিটো পালে নগেন যাব নেকি?' মানুহজনীয়ে তধা লাগি মোৰ ফালে চালে। চকুৰে-মুখে এটা হাঁহি বিৰিঙি উঠিল। নগেনৰ ফালে চাই ক'লে— ই যদি ক'ৰবাত মূৰটো গুজিব পাৰে মইতো ভালেই পাওঁ। আমি বাকী দুটা প্ৰাণী যেনেতেনে চলি যাম আৰু।' নগেনক সোধাৰ আগতে স্পষ্টীকৰণ দি মই ক'লো, 'ঠিক অফিচৰ পিয়ন বুলি ক'ব নোৱাৰি। চৰকাৰী চাকৰি হয়। দৰমহা চৰকাৰে অফিচৰ পৰাই দিব। কিন্তু তাৰ কাম হ'ব মোৰ লগতহে। আচলতে সি মোৰ ব্যক্তিগত পিয়নহে হ'ব। মই ডিব্ৰুগড়ত অকলেহে থাকো। সি মোৰ লগতে থাকি মোৰ পুৱা-গধূলি ভাত দুসাজ ৰান্ধিব লাগিব। অফিচলৈ সদায় নগ'লেও হ'ব। তাৰ থকা-খোৱাৰ সকলো খৰচ মোৰ। দৰমহা মাহে ষাঠি টকাকৈ অফিচৰ পৰাই পাব। গ'লে কাইলৈৰ পৰাই চাকৰি হ'ব। সি কমেও পঞ্চাশ-পাঁচপন্ন টকা মাহৰ মূৰত ঘৰলৈ পঠাব পাৰিব।' মাক আৰু নগেন দুয়ো ৰাজি হ'ল। তাৰ সামৰণ কাপোৰ মুঠেই এযোৰেই। এটা খাকী ৰঙৰ হাফপেণ্ট আৰু এটা হাফ্‌চাৰ্ট। পিছদিনা পুৱা সি তাকে পিন্ধি আহি ডিব্ৰুগড় পালেহি। সেই দিনাৰ পৰাই তাক মোৰ পাৰ্ছনেল অৰ্ডাৰলি হিচাপে নিয়োগ কৰিলো। অফিচৰ পৰা আহি সন্ধিয়া চাহ-তাহ খাই তাক লৈ ওলাই গ'লো। তাৰ বাবে এডাল টুথব্ৰাছ, এটা টুথ পেষ্ট আৰু এটা গাধোৱা চাবোন কিনি শাক-পাচলি আৰু মাছৰ বজাৰ পালোগৈ। অলপ শাক-পাছলি আৰু মাছ কিনি ঘূৰি আহিলো। এসপ্তাহমানৰ পাছত অলপ ভয়ে ভয়ে নগেনে মোক ক'লে— 'ছাৰ, এবাৰ ঘৰৰ পৰা আহিবৰ মন গৈছে। আপুনি যদি দিয়ে অহা শনিবাৰে গৈ দেওবাৰে ঘূৰি আহিম।'

'হ'ব বাৰু, কিন্তু তই শনিবাৰে যাব নালাগে। সোমবাৰে অফিচলৈ যোৱাৰ সময়তে যাবি আৰু পিছদিনা আবেলি ঘূৰি আহিবি। ঘৰলৈ যাবলৈ তোৰ বাছভাৰা আছে হ'বলা?

'নাই ছাৰ, খোজকাঢ়িয়ে যাব পাৰিম। ইয়াৰ পৰা কিমাননো হ'ব— দহ মাইলমানহে হ'ব।'

বাছৰ অহা-যোৱা ভাৰা ময়েই দিম বাৰু। কিমান লাগিবনো?

'কিমান লাগিব আৰু, অহা-যোৱা মুঠ এটকা হ'লেই হ'ব।

'ঠিক আছে, তই বাৰু মোৰ পৰা এই পাঁচ টকা ল। এটকা বাছ ভাৰা, এটকাৰ ঘৰলৈ মাছ আৰু শাক-পাচলি নিবি আৰু বাৰ অনাৰ এসেৰ চেনি নিবি। তহঁতৰ তাত চেনি পাবলৈ টান। আৰু মই বাগানৰ পৰা অনা চাহ পাত আছে নহয়। তাৰে অলপ আমালৈ ৰাখি বাকীখিনি দুভাগ কৰি এভাগ তহঁতৰ ঘৰলৈ আৰু আন ভাগ পেহীহঁতৰ ঘৰত দিবিগৈ।' 'হ'ব ছাৰ' বুলি সি পাকঘৰ সোমাল। মোৰ কথা মতেই সি সোমবাৰে পুৱা ঘৰলৈ গৈ পিছদিনা মংগলবাৰে পুৱা চাৰে আঠ বজাত ঘূৰি আহিল। সন্ধিয়া তাক সুধিলো— 'তইনো কালি ঘৰলৈ কি কি নিলি।' সি উত্তৰ দিলে, 'আঠ অনা পইচা দি আধাসেৰ ওজনৰ কুঢ়ি মাছ এটা। আঠ অনাৰ শাক পাচলি, বাৰ অনা দি এসেৰ

চেনি আৰু বাছৰ ভাৰা অহা-যোৱাৰ বাবদ এটকা। গতিকে মুঠ খৰচ হ'ল দুটকা বাৰ অনা।' বাকী দুটকা চাৰি অনা ঘূৰাই দিব খোজাত মই তাক ক'লো সেইকেইটা পইচা তয়ে ৰাখ। আকৌ ঘৰলৈ গ'লে তোক লাগিব।' সি এটা সন্তুষ্টিৰ হাঁহি মাৰি আঁতৰি গ'ল। এটা কথাৰ বাবে ভাল লাগিল যে নগেন মোৰ পাৰ্চনেল অৰ্ডাৰলি হোৱাৰ পাছৰ পৰাই সি মাক আৰু ভায়েকলৈ মাহে পঞ্চাশ, পাঁচপন্ন টকা পঠাব পৰা হ'ল। মাকে অন্ততঃ আনৰ ঘৰত ৰুবলৈ, দাবলৈ যোৱাৰ পৰা অব্যাহতি পালে। ভায়েককো পুনৰ স্কুলত নাম লগাই দি পঢ়াৰ ব্যৱস্থা কৰিব পাৰিলে। নগেনক এদিন সুধিলো, সিহঁতৰ শালি খেতিৰ মাটি নাছিল নেকি? নগেনে ক'লে— 'আছিল ছাৰ। শালি খেতিৰ মাটি মুঠেই তিনি বিঘা আছিল। নিজৰ হালোৱা গৰু নাছিল দেউতাই লোকৰ ঘৰত মৰকীয়া হাল বাই মাটি তিনি বিঘাত খেতি কৰিছিল।' মই সুধিলো— 'মৰকীয়া হাল মানে কি?' সি মোক বুজাই দিলে— 'মৰকীয়া হাল মানে ছাৰ গৰুহালৰ বাবদ গৰুৰ মালিকৰ পথাৰত দুখন হাল বাই দি নিজৰ মাটিত এখন হাল বোৱা।' লগে লগে মই হিচাপ কৰি পেলালো এজন হালোৱা মানুহৰ শ্ৰমৰ মূল্য এটা হালোৱা গৰুৰ শ্ৰমৰ মূল্যৰ সমান। তাক পুনৰ সুধিলো— 'তহঁতৰ সেই তিনি বিঘা মাটি এতিয়া আছেনে নাই?' সি ক'লে, 'নাই ছাৰ, দুবিঘা বেচিলো। এবিঘা দেউতাৰ বেমাৰৰ চিকিৎসা কৰোতে বেচিলো। দেউতাৰ কেন্সাৰ হৈছিল। ইয়াতে মেডিকেল কলেজ হাস্পতালত চিকিৎসা কৰোৱা হৈছিল। নেবাছিল। ছমাহৰ পাছত ঢুকাল। শ্ৰাদ্ধ কৰিবৰ বাবে আৰু এবিঘা মাটি বেচিব লগা হ'ল। মৰা চুৱা গুচাবৰ বাবদ ৰাইজক সেৱা-সৎকাৰ কৰি ভোজ-ভাত খুৱাবই লাগিব। শ্ৰাদ্ধ কৰা বামুণকো জানো বিচনা, লেপ, তুলী, আঠুৰা, চোলা-চুৰিয়া আদি কমবোৰ বস্তু আৰু দান দক্ষিণা দিব লাগে। আমাৰ দৰে দুখীয়া মানুহবোৰৰ ঘৰত মানুহ মৰিলে মৃতকৰ পৰিয়ালক উদ্ধাৰ কৰাৰ নামত ডাল-দৰিদ্ৰ কৰা যেনহে লাগে।' নগেনৰ কথাখিনি শুনি মই চক খাই উঠিলো। এয়াটো কেৱল নগেনৰে কথা নহয়। এয়া দেখোন সমাজৰ নিম্ন মধ্যবিত্ত আৰু নিম্ন বিত্তৰ অন্তৰত থূপ খাই থকা ক্ষোভৰ বহিৰ্প্ৰকাশ।

ডিব্ৰুগড়লৈ অহাৰ পাছৰ পৰাই ডেৰ-দুমাহৰ মূৰে মূৰে পেহীহঁতৰ ঘৰলৈ যাওঁ। ৰাতি থকাকৈ গ'লে নগেনকো লগত লৈ যাওঁ। মই যোৱা গম পালেই নগেনৰ মাক আহি পেহীহঁতৰ ঘৰ ওলাইহি। মোৰ উপস্থিতিতে মানুহজনীয়ে মোৰ গুণানুকীৰ্তন কৰিবলৈ আৰম্ভ কৰে। মই বোলে তেওঁলোকৰ কোনোবা যুগৰ বুকুৰ কুটুম আছিলো। কেতিয়াবা কওঁ— 'মইনো আপোনালোকৰ কি বৰ ডাঙৰ উপকাৰটো কৰিলো।' মানুহজনীয়ে কয়— 'আৰুনো কি ডাঙৰ উপকাৰ কৰিব লাগে। আপোনাৰ জহতে আমি তিনিটা প্ৰাণীয়ে আনৰ হাতলৈ মুখলৈ নোচোৱাকৈ খাই-বৈ জীয়াই থাকিব পাৰিছো, সেয়েই বহুত। আৰুনো আমাক কি লাগিছে।' মানুহজনীৰ মাজত এটা সহজ সৰল, অনাড়ম্বৰ মন দেখা পালো। কবি নৱকান্ত বৰুৱাৰ এফাঁকি কবিতা মনত পৰিল— আমাৰ কাৰণে যদি শান্তি আছে /আশা আছে/ চিৰ শিশু মানুহৰ মহা-মূঢ়তাত/ তামোলৰ পিকসনা আইতাৰ জধলা চুমাত।

নগেন মোৰ লগত থকা দুবছৰেই হ'ল। ইমানদিনে মই বেয়া পোৱা কোনো কামেই সি কৰা নাই। সি বেচ

কৰ্তব্য পৰায়ণ। কোনো কামৰ প্ৰতি তাৰ এলাহ নাই। সি কোনো দিন মিছা কথা কোৱা শুনা নাই। মোৰ প্ৰতি তাৰ শ্ৰদ্ধা, ভক্তি আৰু ভালপোৱা প্ৰথমৰ পৰাই অটুট আছিল। তাক মোৰ পাৰ্চনেল অৰ্ডাৰলী বুলি ভবাতকৈ ভাই হিচাপে ভাবিহে ভাল লগা হ'ল। মনতে ভাবিলো, তাৰোটো সমাজত মানুহ হিচাপে চিনাকি দিব পৰা ভৱিষ্যৎ থাকিব লাগে। তাক কিবা এটা অলপ ভাল চাকৰিত সুমুৱাই দিয়াৰ চিন্তাই মনটোক আমনি কৰিবলৈ ধৰিলে। ভাবি-চিন্তি ঠিক কৰিলো তাক কোনোবা বাগানতে চাকৰি এটাত সুমুৱাই দিব পাৰিলে ভাল হয়। ইউৰোপীয়ান কোম্পানীৰ বাগানত হ'লে বেছি ভাল। তাত সা-সুবিধাও অলপ বেছি। বাগানৰ বহুবোৰ মেনেজাৰৰ লগত চিনাকি আছিল যদিও কম সংখ্যকৰ লগতহে আত্মীয়তা আৰু বন্ধুত্ব গঢ়ি উঠিছিল। ডিব্ৰুগড় নগৰৰ আশে পাশে থকা বৰবৰুৱা, খোৱাং, মৰাণ, চেপন, বকুল আদি কৰি আঠ-দহখনমান চাহ বাগিচাৰ মেনেজাৰক কথাষাৰ ক'লো। আটায়ে ইতিবাচক সঁহাৰি জনালে। পোন্ধৰ দিনমান পাছতে বৰবৰুৱা বাগিচাৰ মেনেজাৰে জনালে যে তেওঁৰ বাগিচাৰ বৰ মহৰীয়ে দহ মাহৰ পিছত অৱসৰ ল'ব। তেওঁ অৱসৰ ল'লেই চাকৰিত জ্যেষ্ঠতাৰ ভিত্তিত উচ্চ পদলৈ প্ৰমোচন হ'ব আৰু তাৰ ফলত তলৰ মহলত স্কুল শিক্ষক বা মহৰীৰ পদ এটা খালি হ'ব। গতিকে দহ মাহৰ বাবে নগেনক এপ্ৰেণ্টিছ কৰি ৰাখিব পৰা হ'ব। দহমাহৰ পাছত সি মহৰী বা স্কুল শিক্ষক হ'ব পাৰিব। মই আৰু নগেন দুয়ো সন্মত হ'লো। দহমাহ এপ্ৰেণ্টিচ কৰাৰ পাছত নগেনক স্কুল শিক্ষক হিচাপে নিযুক্তি দিলে। তাৰ চাৰি মাহৰ পাছতে মই ডিব্ৰুগড় এৰিলো। নগেনহঁতৰ বিশেষ খবৰ-বাতৰি ৰখা নাছিলো। তাৰ পাছতো দুবাৰমান ডিব্ৰুগড়লৈ গৈছো যদিও নগেনহঁতৰ খবৰ-বাতৰি যি পেহীৰ মুখৰ পৰাই লৈছিলো।

ডিব্ৰুগড় এৰি অহা বিশ বছৰৰ পাছত অফিচৰ কামত ডিব্ৰুগড়লৈ গৈ চাৰি ৰাতি চাৰ্কিট হাউছত আছিলো। তেতিয়া আছিল এপ্ৰিল মাহৰ প্ৰথম সপ্তাহ। সন্ধিয়া সাত বাগিছিল। তিনিচুকীয়াৰ পৰা আহি পাইছো মাত্ৰ। সাজ-পোছাক বদলোৱাই নাই। কোনোবাই আহি দুৱাৰত টুকুৰিয়ালেহি। দুৱাৰ খুলি দেখো নগেন।

'অ' নগেন, আহা, বহা।'

সি ওচৰতে থকা চকীখনত নবহি বেৰৰ কাষত থকা টুল এখন আনি তাতে বহি সুধিলে— 'আপুনি কেতিয়া আহিল ছাৰ? কিবা অফিচৰ কাম আছিল নেকি?'

'পৰহিয়েই আহিলো। অলপ অফিচৰ কাম আছে। এই মাত্ৰ তিনিচুকীয়াৰ পৰা আহি সোমাইছোহি। তোমালোকৰ ভাল নহয়? বৰবৰুৱা বাগানতে আছানে অন্য কৰবালৈ গ'লা?'

'ভাল ছাৰ, বৰবৰুৱা বাগানতে আছো।'

'এতিয়া কি পোষ্টত আছানো?'

'জামাদাৰ পোষ্টত ছাৰ।'

'বৰ ভাল কথা। তোমাৰ পৰিয়াল একা?'

'পৰিয়াল মানে ছাৰ, মই, মোৰ পৰিবাৰ আৰু ল'ৰা-ছোৱালী হাল।'

'তোমাৰ মা আৰু ভাইটিৰ খবৰ কি— ভালনে?'

'ভালেই ছাৰ, মাই আপোনাৰ কথা সুধিয়েই থাকে। ভাইটোৱে বি এ পাছ কৰি এতিয়া খোৱাং হাইস্কুলত শিক্ষকতা কৰে।'

'আপুনি ছাৰ, গুৱাহাটীতে আছে নহয়?'

'নেথাকিনো ক'লৈ যাম।'

'গুৱাহাটীৰ পৰা অহা চিনাকি মানুহ পালেই আপোনাৰ খবৰ বাতৰি লওঁ।'

'আপুনি ছাৰ, গুৱাহাটীলৈ কেতিয়া ঘূৰি যাব।'

'পৰহিলৈ— ৰবিবাৰে পুৱা। কিয়, গুৱাহাটীলৈ যাব লগা আছে নেকি?'

'নাই ছাৰ, আপোনাক ছাৰ এটা অনুৰোধ কৰিব পাৰো নেকি?'

'কি অনুৰোধ, কোৱা।'

'আপুনি যদি বেয়া নাপাই পৰহিলৈ ঘূৰি যাওঁতে আমাৰ ঘৰত সোমাই গ'লে বৰ সন্তোষ পাম। মাই আপোনাক আমাৰ ঘৰত খন্তেক দেখা পালে বৰ ভাল পাব। আমি এতিয়া গাঁৱৰ আগৰ ঠাইত নাই। মেইন ৰোডৰ কাষলৈ উঠি আহিলো। বৰবৰুৱা বাগানৰ পৰা দুই কিলোমিটাৰ গ'লেই কেইখনমান দোকানৰ সৈতে এটা চাৰি আলি পাব। দোকান কেইখনৰ ভিতৰত দুখন গেলামালৰ দোকান, দুখন পাণ দোকান, এখন সৰু ফাৰ্মাচী, এখন চাইকেল ৰিপেয়াৰিং দোকান, এখন চাহ দোকান আৰু এখন চুলি কটা চেলুন। চেলুনখনৰ সন্মুখৰ আসাম টাইপৰ ঘৰটোৱেই আমাৰ ঘৰ।

ৰবিবাৰে পুৱা চাৰে আঠ বজাত নগেনহঁতৰ ঘৰ পালোহি। মই সিহঁতৰ ঘৰত নোসোমোৱাকৈ গুচি যাওঁ বুলি নগেন ৰাস্তাতে ৰৈ আছিল। আগফালৰ বাৰাণ্ডাৰ বেতৰ চকী এখনত বহি মাকে বাটলৈ চাই আছিল। মই গৈ পোৱাৰ লগে লগে ঘৰখনত এটা আনন্দৰ জোৱাৰ উঠিল। মই যেন বহু দিনৰ মূৰত ঘৰৰ মানুহ এটা ঘৰলৈহে ঘূৰি গৈছো। আথে বেথে নি ড্ৰইং ৰুমত বহুৱালেগৈ। নগেনৰ মাকে মোৰ আৰু মোৰ পৰিয়ালৰ খবৰ বাতৰি ল'লে। অলপ পাছতে লুচি মাংসৰ তৰকাৰী, দৈ আৰু ৰসগোল্লাৰে ব্ৰেকফাষ্ট কৰিলো। মোৰ ড্ৰাইভাৰকো মোৰ পৰা অলপ আঁতৰতে খাবলৈ দিলে। খাই থাকোতে মন কৰিলো ঘৰটো আৰু বাৰীখন বেচ আটোম টোকাৰিকৈ ৰাখিছে। মাকৰ পৰা জানিব পাৰিলো বাৰীখন তিনি বিঘা। পিছফালে আধা বিঘামান মাটিত মাছ পোহা এটা সৰু পুখুৰীও আছে। নগেন আৰু খগেন দুয়োটা ভাই-ককাই মিলি চাকৰিৰ ধনেৰে দহ বিঘা শালি খেতিৰ মাটি আৰু ঘৰৰ পৰা অলপ দূৰতে চাৰি বিঘাৰ টোল এটাও কিনিলে। দহ বিঘা মাটিত শালি খেতি কৰাৰ উপৰি টোলত মাহ, সৰিয়হ, কুহিয়াৰ আদি আৰু ঘৰৰ বাৰীত আলু, কবি, বেঙেনা, বিলাহী, গাজৰ আদি খেতি কৰে। নগেনৰ মাকক

সুধিলো— 'খেতি কোনে কৰে?'

'কোনে কৰিব আৰু, ল'ৰাহঁতেই কৰে। কাম কৰা মানুহ এটাও ৰাখিছে অৱশ্যে। মই ল'ৰাহঁতক কৈ দিছো— কেৱল লিখা-পঢ়া কৰিলেই নহ'ব। খেতিৰ কাম, ঘৰৰ কামো কৰিব লাগিব। তেহে দেহ-মন ভালে থাকিব। আনৰ ওপৰত নিৰ্ভৰ কৰাতকৈ নিজৰ ওপৰত নিৰ্ভৰ কৰিবিহঁক। শাক-পাচলিত পুৰা-গধূলি পানী দিয়া, কবি, বেঙেনা, বিলাহী, জলকীয়া পুলিবোৰৰ গুৰি খুচৰি দিয়া, শুকান গোবৰ দিয়া, মাটি চপাই দিয়া কামবোৰ ময়ো কৰো। কৰি ভাল পাওঁ। শাক পাচলিবোৰ, কবি পুলি, বিলাহী পুলি, বেঙেনা, জলকীয়া পুলিবোৰ লহপহকৈ বাঢ়ি অহা দেখিলে বৰ ভাল লাগে। আমাৰ খেতিয়কবোৰৰ তাতেই আনন্দ যেন পাওঁ। মানুহগৰাকীৰ কৰ্তব্য নিষ্ঠা দেখি বৰ ভাল লাগিল। কথা পাতি থাকোতে দেখিলো নগেন আৰু খগেন দুয়োটাই দুটা চিমেণ্টৰ বস্তাত দুবস্তা বস্তু আনি মোৰ গাড়ীৰ পাছফালে ৰাখি ড্ৰাইভাৰক গাড়ীৰ ডিকি খুলিবলৈ কৈছে। উঠি আহি সুধিলো— 'নগেন, সেইবোৰ কি দিছা?'

'নাই ছাৰ বিশেষ একো নাই।'

'এহ, সেইবোৰনো বাৰু মোক কিয় লাগে?'

লগে লগে মাকে মুখ পাতি ধৰিলে— 'আপোনাকনো আমি কিটো দিব পাৰো— ৰজা ঘৰলৈ কচু শাকৰ ভেটি। আপোনাক ঘৰৰ খেতিৰ চাউল কেইটামান, বৰা চাউল, কোমল চাউল দুমুঠিমান, তিল দুটা মান আৰু নতুন গুৰ অকণমানহে দিছো। আমি ইমান আগ্ৰহ কৰি দিয়া বস্তু কেইটাও আপুনি নিবলৈ বেয়া পাবনে?' মোৰ মুখৰ মাত হৰিল। পিছৰ পাকতে খগেনে ৰঙালাও দুটা আনিও গাড়ীৰ ওচৰতে থ'লে। মাকে পুনৰ ক'বলৈ আৰম্ভ কৰিলে, 'আপোনাৰ জহতে আজি আমি ভালকৈ এমুঠি খাব পাৰিছো, এডোখৰ ভাল কাপোৰ পিন্ধিবলৈ পাইছো, এটা ভাল ঘৰত থাকিবলৈ পাইছো। আপুনি আমাৰ কাৰণে কমখিনি কৰা নাই। আপোনাক পাহৰিলে আমি অকৃতজ্ঞ হৈ যাম। নগেনৰ মাকৰ মুখলৈ চাই মই অনুমান কৰিলো এইজনীতো বিশ-বাইশ বছৰ আগতে দেখা সেই কেটেঙা, বিষাদগ্ৰস্ত, মানুহৰ ওচৰত মূৰ তুলি কথা ক'বলৈ সংকোচ কৰা মানুহজনী নহয়। তাৰ ঠাইত এগৰাকী হৃষ্ট-পুষ্ট, সুশ্ৰী, ধুনীয়া, মাৰ্জিত সাজ-পোছাকেৰে এগৰাকী ভদ্ৰ মহিলা। মানুহগৰাকীৰ কায়িক আৰু মানসিক উত্তৰণ ঘটিল। লগতে ঘৰখনৰো। তেওঁলোকৰ পৰা বিদায় লৈ গুচি আহিলো। বাটত আহোতে ভাবিলো আৰ্থিক স্বচ্ছলতাই জীৱন চৰ্যাৰ পৰিৱৰ্তন সাধি মানুহৰ কায়িক, মানসিক উত্তৰণ ঘটাব পাৰে। সামাজিক মৰ্যাদাও দিয়ে।

গল্প

কৃতজ্ঞতা

(সত্য ঘটনাৰ আলমত)

সত্যধৰ মটক

ডাক বিভাগৰ পিয়নজনে চিঠিখন মোৰ ঘৰৰ পদুলিত থকা লোৰ গেটখনত থৈ গ'ল। চিঠিখন খুলি চাই দেখিলো, এইখন দৰং জিলাৰ চিপাঝাৰৰ পৰা শ্ৰী যদু চহৰীয়া নামৰ এজনে দিছে। চহৰীয়াৰ মাতৃ সাৰিত্ৰি দেবীৰ ইতিমধ্যে মৃত্যু হোৱা হেতুকে আয়োজন কৰা শ্ৰাদ্ধ অনুষ্ঠানলৈ নিমন্ত্ৰণ জনাইছে। বহু সময়ত এনে শ্ৰাদ্ধ অথবা বিয়াৰ নিমন্ত্ৰণী পত্ৰ পোৱা হয়। তেনে পত্ৰত বিশেষ গুৰুত্ব দিয়া নহয়। কিন্তু এই নিমন্ত্ৰণ পত্ৰ খনি বিশেষ তাৎপৰ্যপূৰ্ণ এইকাৰণেই যে নিমন্ত্ৰণকাৰীক মই চিনি নাপাওঁ। তাৰোপৰি মঙ্গলদৈ তথা ছিপাঝাৰত মোৰ বিশেষ চিনাকি বা আত্মিয়তা থকা লোকৰ বিষয়ে মনলৈ অহা নাই। বহু চিন্তা কৰিও পত্ৰলেখকৰ পৰিচয় ধৰিব পৰা নহ'ল। মঙ্গলদৈ চহৰত প্ৰায় তিনি দশক আগেয়ে চৰকাৰী চাকৰিৰ স্থানসূত্ৰে কিছুদিন আছিলো। হয়তো তেতিয়াৰে চিনাকি কোনোবা হ'ব পত্ৰলেখক। শ্ৰাদ্ধৰ নিমন্ত্ৰণী পত্ৰখনত যেন বিশেষ কিবা আন্তৰিকতা তথা আত্মীয়তা আছে। সেয়েহে নিমন্ত্ৰণ ৰক্ষা কৰি সপৰিবাৰে দুদিনৰ পিছতে থকা শ্ৰাদ্ধৰ দিনটোত ছিপাঝাৰলৈ ওলালো।

শ্ৰাদ্ধস্থলীত উপস্থিত হৈ নিমন্ত্ৰণকাৰী শ্ৰী যদু চহৰীয়াক দেখা দিলে মোৰ পৰিচয় পাই তেওঁ বহুদিন আঁতৰি থকা বিশেষ আত্মীয়জনক পোৱাৰ দৰে আনন্দ লাভ কৰিলে আৰু ঘৰৰ সকলোকে মাতি আমাক চিনাকি কৰাই দিলে। তেওঁৰ পত্নি সু-শিক্ষিত দুজন ল'ৰা ও এজনী ছোৱালী ডাঙৰ ল'ৰাটোৰ পত্নি তথা চহৰীয়াৰ বোৱাৰীসহ ঘৰৰ সকলোটি প্ৰাণীয়েই সকলো দিশতে সুসংস্কাৰপূৰ্ণ চৰিত্ৰৰ অধিকাৰী যেন লাগিল। ঘৰ-বাৰী, শ্ৰাদ্ধৰ অনাড়ম্বৰ আয়োজনলৈ চাই আৰ্থিক দিশত চহৰীয়া বৰ টনকিয়াল যেন নালাগিল। শ্ৰী চহৰীয়াই আমাক তেওঁৰ পৰিয়ালৰ লোকেৰে চিনাকি কৰাই এইদৰে দিছিল। 'মা' ৰ (সাবিত্ৰি দেবী) সেই পুৰণী চুটকেছটোত 'চাৰ' এজনৰ যে নাম ঠিকনা থকা পুৰণি কাগজ টুকুৰা পাইছিলো, তাত থকা নামৰ মানুহজন এইজনেই। মোক চিনাকি কৰাই দিয়াৰ ধৰণত মই কিছু বিব্ৰত হৈছিলো। এগৰাকী মহিলাই তেওঁৰ ব্যক্তিগত বাকচ বা চন্দুকত কাকো নজনাকৈ আথে বেথে পুৰুষ এজনৰ ঠিকনা এটা কিয়বা ৰাখি থৈছিল। তেওঁৰ সৈতে মোৰ কেনে ধৰণৰ পৰিচয় তথা আত্মীয়তা

আছিল সেইটো প্ৰশ্ন হয়টো সকলোৰে মনত জাগিব। মনত কিছু আশঙ্কাও হ'ল। ভাবিলো সাবিত্ৰী দেবী নামৰ মানুহগৰাকী মোৰ যৌৱন কালৰ কোনো প্ৰেমিকা নহয়তো? তেনে কোনো পাহৰণিৰ গৰ্ভত থকা লাজ লাজ লগা বিশেষ সত্য ওলাই পৰেইবা? শ্ৰাদ্ধৰ মাঙ্গলিক কাম কাজও বিভিন্ন আলহিৰে ভৰি পৰা হুলস্থুলীয়া পৰিবেশৰ মাজত সাবিত্ৰী দেবী নামৰ মানুহগৰাকীৰ কথা মনত পেলাবলৈ মই চেষ্টা চলাই থকিও মনত পেলাব নোৱাৰিলো। এই বিষয়ত বিতং তথ্য পাবলৈ গৃহস্বামী শ্ৰীযুত যদু চহৰীয়াৰে সৈতে দীঘলীয়াকৈ আলাপ আলোচনা কৰাৰ অৱকাশো মই পোৱা নাই। আমন্ত্ৰিত অতিথিৰ ভিতৰত আমি বিশেষ স্থান পালো আৰু আমাক খুউৱা-বুউৱা বিশেষ যত্ন ললে। উল্লেখ কৰা আবশ্যক যে চহৰীয়াৰ দুই পুত্ৰ ও জীয়াৰী M.A, M. SC ৰ দৰে স্নাতকোত্তৰ ডিগ্ৰীধাৰী হোৱা স্বত্বেও চৰকাৰী চাকৰি বাকৰিৰে সংস্থাপন নোপোৱাকৈ থাকি সৰু-সুৰা বেহা বেপাৰ কৰি জীৱনযুদ্ধত আগবাঢ়ি গৈ আছে।

সন্ধ্যা কিছু দেৰিকৈ আমি বিদায় মাগিব বিচাৰি চহৰীয়াক মাত দিলো। তেওঁ আমাৰ প্ৰস্তাৱত আচৰিত হোৱাই নহয়, দুঃখী হোৱাৰ দৰে হ'ল। আমাক কোনোপধ্যেই এৰি নিদিলে আৰু ৰাতিটোৰ বাবে অতি আনন্দ ও স্নেহেৰে ৰাখিলে। ঘৰখনৰ সকলোটিৰে সচা মৰম শ্ৰদ্ধা সহকাৰে আমাক ৰাতিটো থাকিবলৈ কৰা আবেদনত আমি ঘুৰি আহিবলৈ বিচৰাৰ সমৰ্থনত দেখুওৱা প্ৰায় মিছা যুক্তিবোৰ পুৰি যোৱা ছাঁইৰে আমাৰ চাৰিত্ৰিক সত্তাক যেন মলিয়ন কৰিলে।

চহৰীয়াৰ ঘৰত নিচেই আপোন লোকৰ দৰে ৰাতি কটাবলৈ ওলালো। ৰাতিৰ সাজ হিচাপে ভাত পানী খাই উঠাৰ পাছত পৰিয়ালৰ সকলোটিৰে সৈতে বহি কৰা আলাপৰ মাজত আমি আশিৰ দশকত পুলিচ বিষয়াৰ চাকৰিত মঙ্গলদৈত থকাৰ কথাও মঙ্গলদৈত থকাৰ সময়ত লগ পোৱা ইজন সিজনৰ কথা পাতিলো। মঙলদৈত থকা কালত এবাৰ মই অৰ্শ (Piles) বেমাৰত শৈল (Surgical) চিকিৎসাৰ বাবে চিভিল হস্পিতালত ৰোগি হিচাপে অন্তৰ্ভুক্ত হৈ আছিলো। সেই সময়ত ছিপাঝাৰৰ 'চহৰীয়া' উপাধিৰ এজন বেমাৰীক লগ পোৱাৰ কথা মই কলো। তেতিয়াই শ্ৰী যদু চহৰীয়াৰ তেতিয়াৰ দেকা কালৰ দুই এটা কথা মনত পৰিল। সেই চহৰীয়া নামৰ মই হস্পিতালত লগ পোৱা বেমাৰিজন তেওঁৰ দেউতাক আছিল বুলি আৰু সেই সময়ত মোক লগ পোৱাৰ কথা তেওঁৰ মনত পৰিল আৰু ব্যক্ত কৰিলে।

চহৰীয়াৰ মুখত কথাবোৰ শুনি তেওঁৰ দেউতাকৰ সৈতে যে ময়ো হস্পিতালৰ একেটা কোঠাত ওচৰা ওচৰিকৈ বেমাৰী হিচাপে কেইদিনমান কটাইছিলো আৰু সহঃ বেমাৰি হিচাপে আমাৰ মাজত এক সহজাত বন্ধুত্ব গঢ়ি উঠিছিল। সেই কথাবোৰ মনত ভাঁহি উঠিল। চহৰীয়া চিকিৎসাৰ বাবে হস্পিতালত ভৰ্তি হৈ থকা সময়ত তেওঁৰ ঘৰৰ মানুহে হয়তো আৰ্থিক অসুবিধাৰ বাবে ২৪ ঘণ্টাই হস্পিতালত তেওঁৰ খা-খবৰ লৈ থাকিব পৰা নাছিল। ছিপাঝাৰৰ পৰা দিনটোৰ ভিতৰত এবাৰ ঘৰৰ মানুহে খা-খবৰ লৈ যায় যদিও প্ৰায় বহু সময়ত নাৰ্ছে

প্ৰেচ্‌ক্ৰিপ্‌চন বেমৰীক দি- এই ঔষধটো বাহিৰৰ পৰা কিনি আনিব আদি বুলি দিয়া নিৰ্দেশনা কাৰ্য্যকৰী কৰিবলৈ কাষত কোনো মানুহ ও লগত চহৰীয়াৰ টকা পইচাও নথকা অৱস্থা এটি মোৰ দৃষ্টিগোচৰ হৈছিল আৰু মই সহ বেমাৰি হিচাপে থকা বন্ধুৰ প্ৰতি মোৰ কৰ্ত্তব্য ভাৱি ঔষধ আদি মোৰ তত্বাৱধানত থকা কোনোবাজনৰ হতুৱায়েই অনাই দিছিলো। তেনেকুৱা গোটাচেৰেক সামান্য সহায়ৰ বাবত চহৰীয়াই ভাষা প্ৰয়োগেৰে কৃতজ্ঞতা নজনালেও তেওঁযে প্ৰকৃততে মোৰ প্ৰতি অতি কৃতজ্ঞ ও শ্ৰদ্ধাশীল হৈছিল, সেইটো তেওঁৰ ভাব ভংগিত স্পষ্টভাৱেই প্ৰকাশ পাইছিল।

প্ৰায় পষেক কাল হস্পিতালত দুয়ো থাকি চিকিৎসাৰ অন্তত এৰাএৰি হ'লো। হস্পিতালত সহযাত্ৰী ৰূপে বন্ধুত্ব গঢ়ি উঠা সেই চহৰীয়া নামৰ দুখীয়া লোকজনক সময়ৰ সোঁতত পাহৰি পেলাইছিলো।

মই হস্পিতালত চিকিৎসাধীন থকাৰ প্ৰায় বছৰচেৰেক পিছত এদিনাখন মোৰ বাসস্থানত এগৰাকী সাধাৰণ সাজ-পোছাক পৰিহিত মাইকী মানুহ আহিছিল। হাতত লৈ অনা কাপোৰৰ মোনা এখনত কিবা বস্তু ভৰাই আনিছিল। মোকৰ্দ্দমা আদিৰ লগত জড়িত বহু লোকেই সেইদিনত ব্যক্তিগতভাৱে সাক্ষ্যাত বিচাৰি প্ৰায়েই বাসস্থানলৈ আহে। মানুহ গৰাকী মোকৰ্দ্দমাৰ লগত জড়িত তেনে ধৰণৰ মানুহ বুলিয়েই মই গুৰুত্ব দিয়া নাছিলো আৰু ঘৰৰ ভিতৰ কোঠাত থকা পৰিবাৰক ৰিঙিয়াই মাতি মানুহ এগৰাকী অহাৰ কথা কোৱাত পৰিবাৰ ওলাই আহি তেওঁৰ পৰিচয় তথা কি সকামত আহিছে তাৰে বুজ ল'লে। ভিতৰৰ ৰুমত মই দৈনিক বাতৰি কাকত খনত মনোযোগ দি থাকি ব্যস্ত হ'লো। মানুহ গৰাকীৰ সৈতে পৰিবাৰে কথা বতৰা পতাত লাগিল। তেওঁৰ সৈতে পতা দুই এটা শব্দ মোৰ কাণত অস্পষ্টভাৱে পৰিছিল। শেষলৈ মানুহ গৰাকীৰ আগমনৰ উদ্দেশ্য গুৰুত্ব দিব লগা যেন লগাত মই কাষ চাপি গলো তেওঁৰ কথা শুনিবলৈ। সাজ পোছাকেৰে দুখীয়া যেন বিশ্বাস হোৱা মানুহ গৰাকীয়ে তেওঁৰ জোলোঙাত মোক এসাঁজ মঙহেৰে খুওৱাবৰ বাবে এটা মতা পাতিহাঁহ আৰু লগতে দুবটল কলাখাৰ লৈ আহিছিল মোৰ প্ৰতি তেওঁৰ মনত থকা সন্মান প্ৰদৰ্শন কৰাৰ চিন স্বৰূপেহে তেওঁ বিশেষ কোনো সহায় বিচাৰি অহা নাছিল। তেওঁৰ পৰা তেওঁৰ পৰিচয় জানিব বিচাৰি গম পালো প্ৰায় এবছৰ আগেয়ে মই মঙলদৈ চিভিল হস্পিতালত চিকিৎসাৰ বাবে ভৰ্টি হৈ থাকোতে লগ পোৱা শ্ৰী যদু চহৰীয়া নামৰ সেই বেমাৰীজনৰেই পত্নী এই মানুহ গৰাকী। কিবা সকামত মানুহ গৰাকী আহিছে জানিব বিচৰাত তেওঁ কোৱা কথাকেইষাৰ তেওঁৰ ভাষাতেই তুলি ধৰিলো। "মানুহজন মঙ্গলদৈ হস্পিতালত কৰোওৱা চিকিৎসাৰ পাছতো ভাল হৈ নুঠিল। ইটো সিটো বেমাৰ লগ লাগি শেষলৈ খাব ববও নোৱাৰা হ'ল। আপোনালৈ বৰ শ্ৰদ্ধা আছিল। প্ৰায়ে আপোনাৰ কথা কৈছিল আৰু আপোনাক পুনৰ দেখা এটা দিবলৈ বৰ আগ্ৰহ কৰি আছিল। শেষত আজি প্ৰায় এমাহ আগত মানুহজন ঢুকালে। ঢুকুৱাৰ আগ মুহূৰ্তত তেওঁ মোক কৈছিল- 'মই আৰু নাবাচো। মই বিদায় মাগিব ওলাইছো। হস্পিতালত লগ পোৱা ছাৰজনক দেখা এটা দিয়া নহ'ল। মই মৰাৰ পিছত মই মৰাৰ খবৰটো ছাৰক জৰুৰ দিবি।' এই কথাকেইষাৰ কোৱাৰ পিছতে, "হে

মুসুদন। পাৰ কৰা সংসাৰ সাগৰে” বুলি কে শেষ নিশ্বাস পেলালে।”

মানুহ গৰাকী তথা শ্ৰীমতী চহৰীয়াৰ কথাকেইযাৰ শুনি মোৰ মনটো বিষাদেৰে ভৰি পৰিছিল। সেই দুখীয়া মানুহজনৰ কৃতজ্ঞতা ভৰা মনটো যে ইমান মহান আছিল তাৰ তুলনাত নিজকে নিজেই নিঃকিন অনুভৱ কৰিলো। শ্ৰীমতী চহৰীয়াই সেইদিনা মোৰ নাম ঠিকনা বিচৰাত মই এটুকুৰা কাগজত নাম-ঠিকনা লিখি তেওঁক দিছিলো আৰু তেওঁ সেই কাগজ টুকুৰা সযতনে সামৰি লৈছিল।

সেই শ্ৰীমতী চহৰীয়া তথা ँসাবিত্ৰী দেৱীৰেই শ্ৰাদ্ধ উপলক্ষে আমি (মই ও পৰিবাৰ) আজি তেওঁৰ পুত্ৰ শ্ৰী যদু চহৰীয়াৰ ঘৰত উপস্থিত হৈছো। সাবিত্ৰী দেৱীৰ তেওঁৰ স্বামীৰ প্ৰতি থকা পৰম শ্ৰদ্ধা ভক্তিৰ বাবেই স্বামীৰ অন্তৰ আত্মাই লগ পাবলৈ হেঁপাহ কৰা লোকজনক তেওঁৰ (সাবিত্ৰী দেৱী) মৃত্যুৰ পাছতো যেন তেওঁ লগ পাবলৈ বিচাৰিছিল আৰু শ্ৰাদ্ধত তেওঁক আমি জনোৱা শ্ৰদ্ধাঞ্জলিৰ যোগেদিয়েই যেন তেওঁ লগ পালে। মনতো বৰ ফৰকাল লাগিল। চহৰীয়াৰ পৰিয়ালৰ সুমঙ্গল অন্তৰৰ সুগভীৰতাৰে কামনা কৰিলো।

ৰাতিটো চহৰীয়াৰ ঘৰত খুব শান্তিৰে কটালো। মানুহৰ জীৱন লিলাৰ মাজত ইজনে সিজনক জনোৱা কৃতজ্ঞতাৰ আদান প্ৰদানত যে কিমান আনন্দ নিহিত হৈ থাকে সেইটো ভাবি প্ৰায়েই অভিভূত হওঁ।

মহৎ লোকৰ বাণী

১। এটা কথা সদায় মনত ৰাখিবা যে যিজনে আঘাত কৰে, তেওঁ বেছি শক্তিশালী হ'ব লাগিব সেইজন মানুহতকৈ— যাক আঘাত কৰা হয়। কিন্তু অসৎ মানুহ সৎ মানুহতকৈ কেতিয়াও বেছি শক্তিশালী হ'ব নোৱাৰে। গতিকে জ্ঞানী মানুহক কোনেও আঘাত কৰিব নোৱাৰে। — **ছেনেকা**

২। কোনে কিমান আয়ুস পালে তাৰ ওপৰত জীৱনটো নিৰ্ভৰ নকৰে; সি নিজৰ কৰে জীৱনটো কেনেকৈ ব্যৱহাৰ কৰা হ'ল তাৰ ওপৰতহে। এজন মানুহে বহু বছৰ জীয়াই থাকিও অতি সামান্য পৰিমাণেহে জীয়াই থাকিব পাৰে। বছৰৰ সংখ্যাৰ ওপৰত জীৱনৰ সন্তুষ্টি নিৰ্ভৰ নকৰে, সি নিৰ্ভৰ কৰে নিজৰ ইচ্ছাৰ ওপৰত। — **মণ্টেইন**

৩। মই বহুতো মহৎ পুৰুষ আৰু বিখ্যাত নাৰীৰ জীৱনী অধ্যয়ন কৰিছো। তাৰ পৰা মই জানিব পাৰিছো যে যিসকল লোকে নিজৰ হাতত থকা কামটো সৰ্বশক্তি প্ৰয়োগ কৰি পৰম উৎসাহেৰে আৰু কঠোৰ শ্ৰম কৰি সম্পাদন কৰে, একমাত্ৰ তেওঁলোকেহে আন সকলোকে চেৰাই গৈ বহুত ওপৰলৈ উধাব পাৰে। — **হেৰি এছ ট্ৰুমেন**

৪। যি মানুহে একো নাজানে, অথচ তেওঁ নিজে ভাবে যে তেওঁ নজনা কথা একো নাই— একমাত্ৰ তেনেকুৱা মানুহবোৰহে ৰাজনীতিৰ কাৰণে উপযুক্ত। — **জৰ্জ বাৰ্নাৰ্ড শ্ব**

গল্প

‘কিউ’

মনোজ কুমাৰ গোস্বামী

কেইদিনমানৰ আগেয়ে বাতৰি কাগজৰ ভিতৰৰ পৃষ্ঠাত এটা সংবাদ চকুত পৰিল— ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী ডেভিদ কেমেৰুনে লণ্ডনৰ এখন কফি শ্ব’পত একাপ কফি খাবলৈ সোমাল। কাউণ্টাৰত দহ-বাৰজন গ্ৰাহকৰ এটা সৰু কিউ। সমুখলৈ গৈ কেমেৰুনে কাউণ্টাৰত থকা ভদ্ৰ মহিলাগৰাকীক কফিৰ পইচা দিব খুজিলে।

—আপুনি কিছু সময় অপেক্ষা কৰিব লাগিব প্ৰধানমন্ত্ৰী ডাঙৰীয়া। আপোনাৰ আগৰে পৰা কেইবাজনো কাষ্টমাৰ ৰৈ আছে।

প্ৰধানমন্ত্ৰী কেমেৰুনৰ আপত্তি নাছিল। এৰা, এই সামান্য নিয়মটোনো মানি লোৱাত অসুবিধা ক’ত। অৱশ্যে সময় কম থকাত তেওঁ কাষৰ এখন কাফেলৈ গৈ তৃষ্ণা পূৰণ কৰিলেগৈ।

কিমান যে ‘কিউ’ দেখিছো। ৰেচনৰ বাবে, গেছ চিলিণ্ডাৰৰ বাবে, খোৱা পানীৰ বাবে শাৰী শাৰী মানুহৰ ভিৰ। সেই শাৰীবোৰত ৰুগ্ন, বঞ্চিত, অসহায় মানুহৰ মুখ। প্ৰায়েই কেতিয়াবা ধৈৰ্য হেৰাই যায়, প্ৰাপ্য হেৰোৱাৰ ভয়ত সহজেই সেই শৃংখলা ভাঙি যায়। জঁপিয়াই পৰে ইজনে সিজনৰ ওপৰত। দেখিলেই বুজা যায় এইবোৰ পৰাজিত হতভাগ্য মানুহ। ‘কিউ’ত ৰৈ থকা এই মানুহবোৰৰ মাজত কোনো ক্ষমতাশালী, অভিজাত বা শক্তিশালী মানুহ নাথাকে।

এদিন মাজনিশা দিল্লীৰ চানক্যপুৰীৰ পিনেদি টেক্সিৰে গৈ থাকোতে আমেৰিকান এম্বেচীৰ কাষত দেখিলো এটা সৰ্পিল ‘কিউ’। টালি-টোপোলা, টিফিন কেৰিয়াৰ লৈ শ শ মানুহে শাৰী পাতিছে।

— কিহৰ ‘কিউ’ এইটো? মই আচৰিত হৈ টেক্সিৱালাক সুধিলো।

—আমেৰিকালৈ যাবলৈ ভিছা বিচৰা মানুহৰ ভিৰ এইটো। কাইলৈ পুৱা ন বজাত ভিছা অফিচৰ গেট খুলিব। সেয়ে এয়া মাজনিশাৰ পৰাই ‘কিউ’ আৰম্ভ হৈছে। পঞ্জাবী টেক্সি ড্ৰাইভাৰজনে উত্তৰ দিলে। পিছে এই কিউ’ত ৰৈ থকা বেছিভাগ মানুহেই আন কাৰোবাৰ হৈ প্ৰক্সি দিছে।

—মানে?

—আচল ভিছা আবেদনকাৰীজন পুৱাহে আহি ওলায়হি। তেওঁৰ বাবে যিজন মানুহে শাৰী পাতিছেহি সেইজন 'হায়াৰ্ড'। টেক্তিৱালাজনে নিৰাসক্তভাৱে জনালে। এই 'কিউ' কৰাৰ বাবদ তেওঁক পইচা দিয়া হয়। অৱশ্যে আমেৰিকাই নহয়, কানাডা, ইংলেণ্ডৰ ভিছা বিচাৰিও এনে ভিৰ সদায়েই হয়।

নিজৰ দেশ এৰি অন্য দেশলৈ যাবলৈ এনে উন্মাদনা সঁচাকৈয়ে বিৰল। দেশৰ পৰা গৈ বিদেশত এওঁলোকে সৰু সুৰা কাম উলিয়াই লয়। কম্পিউটাৰৰ পৰা ডিছ ৱাচাৰলৈকে। এয়া হ'ল নিজৰ দুখুনী দেশ এৰি বিদেশলৈ পলায়ন কৰাৰ বাবে কৰা 'কিউ'ৰ কাহিনী।

'কিউ' বা শাৰী পতাৰ কথা ওলাওঁতেই মনত পৰিছে আমাৰ ডেম পেহাৰ কথা। ডেম পেহা আচলতে মোৰ বাল্য বন্ধু এজনৰহে আত্মীয়— বন্ধুজনৰ সৌজন্যতে তেওঁৰ সান্নিধ্যলৈ আহিছিলো। পেহা আছিল এজন ক্ষমতাশালী ৰাজনৈতিক নেতা। পেহাৰ ওচৰ চাপিলেই তেওঁৰ অসীম কৰ্তৃত্বৰ উমান পোৱা যায়। সেই দিনতেই তেওঁৰ পদূলিত একাধিক নিৰাপত্তাৰক্ষী। ৰঙা পতাকা লগোৱা গাড়ী। গেঞ্জী আৰু পায়জামা পিন্ধি সমুখৰ কোঠাত পেহা বহি থাকে। বিভিন্ন আব্দাৰ, অনুৰোধ লৈ ডেম পেহাৰ ওচৰ চাপেহি ডেকা-গাভৰু, বুঢ়া-মেথা। বিভিন্ন বন্দনা, প্ৰশংসা, স্তুতিৰে তেওঁক সন্তুষ্ট কৰাৰ চেষ্টা চলে। এই সকলোবোৰৰ মাজতে কেতিয়াবা গভীৰ উপেক্ষা আৰু ঔদ্ধত্যৰে ভৰিখন সমুখৰ টেবুলখনৰ ওপৰত তুলি দিয়ে। টেলিফোন উঠাই কাৰোবাক নিৰ্দেশ দিয়ে— বেছিভাগেই নিয়ম ভঙাৰ নিৰ্দেশ। কোনোবা লিষ্টৰ শেষত আছে তেওঁক সমুখলৈ আনিব লাগে। বা কাৰোবাৰ নাম পিছলৈ পঠাব লাগে।

তেতিয়া আমাৰ বাবে পেহা আছিল অবাধ কৰ্তৃত্ব আৰু ক্ষমতাৰ প্ৰতীক। তেওঁৰ মাজেদিয়েই আমাৰ মনত ৰাজনীতি আৰু সমাজৰ সম্পৰ্কৰ বোধোদয় ঘটিছিল।

ডেম পেহাৰ সান্নিধ্যত থাকি কম বয়সতে আমাৰ নিত্য নতুন অভিজ্ঞতা হৈছিল। তেতিয়াই আমি দেখিছিলো যে ক্ষমতাৰ সমুখত কিদৰে আমাৰ সামাজিক নীতি-নিয়মে তলমূৰ কৰি থাকে। ক্ষমতাধৰৰ ৰঙা চকুৰ সমুখত আইন-কানুন কিদৰে তুচ্ছাতিতুচ্ছ হৈ পৰে।

ডেম পেহা দুবাৰমান এমেলে হৈছিল, দুই-এটা চৰকাৰী প্ৰতিষ্ঠানৰ চেয়াৰমেনো আছিল। কিন্তু বিশেষ এটা গোষ্ঠীৰ পৰা অহাৰ বাবে ক্ষমতাৰ অলিন্দত তেওঁৰ ৰাজনৈতিক আৰু সামাজিক গুৰুত্ব আছিল অসীম। তেওঁৰ নামটো 'ডেম' কিয় হ'ল তাৰো বিভিন্ন আখ্যান আছে। তাৰে এটা হ'ল তেওঁ কথাই প্ৰতি তেওঁৰ কোনো প্ৰতিপক্ষক উদ্দেশ্যি গভীৰ অৱজ্ঞাৰে কৈছিল— I don't give a damn to him! I give a damn to...!! অৱশ্যে এনেবোৰ উদ্ধতালি বা কৰ্তৃত্ব প্ৰকাশৰ মাজতে তেওঁ কিন্তু আমাৰ দৰে ঘৰুৱা ল'ৰাবোৰৰ প্ৰতি বৰ সদয় আছিল। আমাৰ পঢ়া-শুনাৰ খবৰ লৈছিল, কাপোৰ-কানিকে ধৰি বিভিন্ন উপহাৰো দিছিল। ডাঙৰ চহৰখনত আমাৰ কোনো অভিভাৱক

নাছিল, সেয়ে মোৰ লগত সকলোৰে কেয়াৰ অৰ আছিল ডেম পেহা। মাজে মাজে পেহাই আমাক তেওঁৰ লগত বিভিন্ন ঠাইলৈ লৈ গৈছিল। পেহাৰ কনভয়ত আমাৰ সেই ভ্ৰমণ আজিও মনত পৰে— ট্ৰেফিক চিগনেলত ৰঙা লাইট জ্বলিছে। আন গাড়ী-মটৰ শাৰী পাতি ৰৈ আছে সেউজ সংকেতৰ বাবে। পেহাৰ গাড়ী সেই 'কিউ'ত নৰয়। ৰঙা লাইট ভ্ৰূক্ষেপ নকৰি তেওঁ আগবাঢ়ি যায় সদৰ্পে। কোনোৱে অগাদেৰা কৰিলে পেহাৰ নিৰাপত্তাৰক্ষীয়ে একোব সোধায়ো দিয়ে।

বিদেশৰ কথা ওলাল যেতিয়া, তেনে ঠাইৰ দুটামান 'কিউ'ৰ দৃশ্যও মন পৰিছে। এবাৰ ৰাছিয়াৰ চেইণ্ট পিটাৰ্ছবাৰ্গ নামৰ চহৰখনলৈ গৈছিলো। ফেব্ৰুৱাৰী মাহত হাড়কঁপোৱা জাৰ। দিনটোত উষ্ণতা মাইনাছ পাঁচ ডিগ্ৰীতকৈ ওপৰলৈ নুঠে। মাহটোতো মুঠ যাঠি ঘণ্টামানহে ৰ'দ ওলায়। স্বাভাৱিকতে চহৰখনৰ বাট-পথ, ঘৰ-দুৱাৰ, গছ-গছনি ঢাকি ধৰিছে শুকুলা বৰফে। বিশাল বিশাল মেচিন লগায়ো ৰাস্তাবোৰ বৰফমুক্ত কৰিব পৰা নাই। উলৰ টুপী, দুটাকৈ ছুৱেটাৰৰ ওপৰত অভাৰ কোট পিন্ধি গাড়ীৰ হীটাৰ চলাইহে বাহিৰ ওলাব পাৰিছো। শ্ব'পিং চেণ্টাৰ এটাৰ বাহিৰত দেখিলে এটা নাতিদীৰ্ঘ 'কিউ'। কিহৰ শাৰী বা এইটো? কেৰাচিন বা ৰন্ধন গেছ চিলিণ্ডাৰৰ বাবে নিশ্চয় নহয়। 'কিউ'টোত কেইগৰাকীমান বৃদ্ধ আছে, আৰু আছে দুই-এটা শিশুও। কৌতূহল নিৰসন কৰিবলৈ ওচৰ চাপি গৈ মই হতবাক্— সেয়া এখন আইচক্ৰীম পাৰ্লাৰ। শৃংখলাবদ্ধভাৱে হাতত আইচক্ৰীমৰ ৰং-বিৰঙী ক'ন লৈ সন্তুষ্টিৰ হাঁহি মুখত লৈ এজন এজনকৈ ওলাই আহিছে গ্ৰাহক।

২০০৫ চন মানৰ কথা। দুপৰীয়া সময়। নিউয়ৰ্কৰ টাইমছ স্কোৱৰদি খোজকাঢ়ি ফুৰিছো উদ্দেশ্যহীনভাৱে। সম্ভৱতঃ ৪৭ ষ্ট্ৰীটত দেখিলো এটা সৰু কাউণ্টাৰত দীঘলীয়া 'কিউ'। কিহৰ ভিৰ এইটো? মন ভাল লাগি গ'ল যেতিয়া জানিলো যে, ব্ৰডৱে'ত মঞ্চস্থ হ'ব 'বম্বে ড্ৰীমছ' নামৰ এখন মিউজিকেল। এনদ্ৰু লয়ড ৱেবাৰ প্ৰযোজিত এই জনপ্ৰিয় নাটকখনিৰ সংগীত পৰিচালনা এ আৰ ৰহমানৰ। মুম্বাইৰ বস্তি অঞ্চলৰ পৰা অহা এটা ডেকা ল'ৰা বলিউদৰ তাৰকা হোৱাৰ স্বপ্ন দেখাৰ কাহিনী। দেখি পুলকিত হ'লো যে টিকটৰ বাবে 'কিউ'টোত ভাৰতীয় মাথোঁ কেইজনমানহে, সৰহসংখ্যকেই মাৰ্কিন বা শ্বেতাংগ। এৰা, সন্ধিয়া বিশেষ কাম একো নাই যেতিয়া ময়ো টিকট এটা কাটি মিউজিকেলখন নাচাওঁ কিয়? এই ভাবি আধা ঘণ্টা 'কিউ' থিয় হোৱাৰ পিছত মোৰ ভুল ভাঙিল। এইটো 'কিউ' 'বম্বে ড্ৰীমছ'ৰ বাবে হৈছে সঁচা, পিছে সেই সন্ধিয়াৰ দৰ্শনীৰ বাবে নহয়। পৰৱৰ্তী ২৫ দিন পৰ্যন্ত মিউজিকেলখন হাউছফুল। এতিয়াৰ এই 'কিউ' ২৫ দিনৰ পিছৰ দৰ্শনীৰ অগ্ৰিম টিকটৰ বাবেহে। ইমান দিন ধৈৰ্য ধৰাৰ সামৰ্থ্য মোৰ নাই। ২৫ দিনৰ পিছত গুৱাহাটীত ভ্ৰাম্যমাণকে চাম বুলি নিজকে প্ৰবোধ দি উভতি আহিলো।

জাপানৰ অ'ছাকা চহৰত দেখা এটা 'কিউ'ৰ কথা নক'লে কথাখিনি আধৰুৱা হৈ ৰ'ব। স্থানীয় মানুহ এজনৰ সৈতে ঘূৰি ফুৰোতে চহৰৰ উপকণ্ঠত দেখিলো এটা দীঘলীয়া শাৰী। শাৰীৰ প্ৰতিজনেই বৃদ্ধ। কাৰোবাৰ হাতত লাখুঁটি, কাৰোবাৰ চকুত ডাঠ লেন্সৰ চছমা। এয়া নিশ্চয় বুঢ়া-বুঢ়ীহঁতৰ পেন্সনৰ বাবে লাইন? সংগীজনক

মই সুধিলো। ঠিক ধৰিছোনে মই— এনে সুৰত। তেওঁ মূৰ জোকাৰিলে— ওহো, এইটো এখন হাস্পতালৰ ৰেজিষ্ট্ৰেচন কাউণ্টাৰহে। অ' তাৰ মানে এওঁলোক সকলোৱেই এজন এজন ৰোগী? দুৰ্বোধ্য জাপানী ভাষাত লিখা সকলো, স্বাভাৱিকভাৱেই মই প্ৰথমে বুজিব পৰা নাছিলো। সেইটোও নহয়— মোৰ জাপানী সংগীজনে বুজালে, এওঁলোক অৱসৰ প্ৰাপ্ত লোক। তেওঁলোকে বিচাৰিছে বিনামূলীয়াকৈ নিজে ৰোগীক শুশ্ৰূষা বা শ্ৰমদান কৰিবলৈ। এয়া এক ধৰণৰ সমাজ সেৱা, তাৰ বাবে তেওঁলোকে কোনো পাৰিশ্ৰমিক নলয়। আনকি অহা-যোৱাৰ খৰচটোও নিজেই বহন কৰিব লাগিব। অৱশ্যে এইদৰে নাৰ্চ্ছিং বা শ্ৰমদান কৰিবলৈ হ'লে হাস্পতালে এই বৃদ্ধসকলক এটা চমু ট্ৰেইনিং দিব। তাৰ বাবেই এই ৰেজিষ্ট্ৰেচন, এই 'কিউ'।

আমি আকৌ অন্য ধৰণৰ 'সমাজ সেৱা' দেখাতহে অভ্যস্ত। শুক্ৰেশ্বৰ ঘাটত শীতকালত এদিন ভিক্ষাৰী আৰু গৃহহীন মানুহৰ এটা দীঘলীয়া শাৰী দেখিছিলো। ওচৰ চাপি দেখিলো এখন গাড়ীত এজাপ কম্বল আৰু আঁঠুৱা। সেইবোৰ বিতৰণ কৰা হ'ব সেই দৰিদ্ৰসকলৰ মাজত। এজন হৃষ্ট-পুষ্ট ভদ্ৰলোক, পিন্ধনত শুধ বগা পাঞ্জাবী পায়জামা, কপালত ৰঙা তিলক, বেচ এটা নেতা-নেতা চেহেৰা। কাষত কেইটামান তৎপৰ ডেকা ল'ৰা— হাতে হাতে ম'বাইল ফোন। মানুহজন আচলতে এজন প্ৰতিষ্ঠিত ব্যৱসায়ী, তেওঁ মাজে মাজে এনেদৰে সমাজ সেৱা কৰে। অহুকাণে পহুকাণে শুনা মতে, তেওঁ পলিটিক্সতো জইন কৰিব শীঘ্ৰেই। সেইদিনা অৱশ্যে তেওঁৰ 'সেৱা'ত ব্যাঘাত জন্মিল। তেওঁৰ লগত অহা ল'ৰাকেইটা ম'বাইল ফোনত ব্যস্ত হৈ আছিল। টেলিভিছন চেনেল, কেমেৰাবোৰ এতিয়াও অহা নাই কিয়, কম্বল হাতত লৈ ভাবী নেতাজন বৈ আছে। সমুখত ভিক্ষাৰী-গৃহিণীৰ দীৰ্ঘ শাৰী। নাই, খবৰ আহিছে যে চহৰৰে ক'ৰবাত বোমা ফুটিছে। মিডিয়াৰ মানুহ আহিব নোৱাৰিব। আৰু আহিলেও আজি বিশেষ 'কভাৰেজ' পোৱা নাযাব। কাইলৈ দেখা যাওক। These beggars can wait!

তৎমুহূৰ্ততে গাড়ীত উঠি ভদ্ৰলোক অন্তৰ্ধান হ'ল। আঁঠুৱা-কম্বল সামৰি পিছে পিছে ডেকা ল'ৰাকেইটাও নাইকিয়া হ'ল। সেইদিনাৰ বাবে 'সমাজ সেৱা' বাতিল!

'কিউ'ৰ সমাৰ্থক অসমীয়া শব্দ ভাবি উলিওৱা টান। শাৰী পতা বা লানি পতা হ'ব পাৰে। আমাৰ ৰাজহুৱা স্থানতো আক্ষৰিক অৰ্থতেই 'কিউ'ৰ প্ৰচলন নাই। জোৰ যাৰ মুলুক তাৰ জাতীয় কাৰবাৰ। আচলতে 'কিউ' কৰাটো এখন সভ্য সমাজৰ সংস্কৃতি আৰু শৃংখলাৰ পৰিচায়ক (Queue is a sacred part of British Culture)

জু-ৰোডত নিজৰ বিশাল প্ৰাসাদত ডেম পেহাই শেষ দিনকেইটা কটাইছিল। সেই বয়সতো তেওঁৰ কৰ্তৃত্ব কমি যোৱা নাছিল। শৰীৰত সেই ঋজুতা নাই, কাণেৰে ভালকৈ নুশুনা হৈছে, চুলি সৰি গৈছে, যিকেইডাল আছে তাতো সম্পূৰ্ণ ৰূপালী ৰং। তথাপি ডেম পেহাক এতিয়াও মানুহে সমীহৰ চকুৰে চায়। তেওঁৰ বহু কনিষ্ঠ সহকৰ্মী, শিষ্য বৰ্তমানৰ শাসকীয় দলত নেতা-মন্ত্ৰী। আমাৰ সম্পৰ্কীয় ছোৱালী এজনীয়ে মেডিকেল কলেজত ভৰ্তি হ'বৰ চেষ্টা কৰিছিল— কিন্তু মাৰ্কছ কম, কোনো কোটাতো নপৰে। ৱেইটিং লিষ্টৰ বহু তলত তাইৰ নাম। তাইৰ অভিভাৱক

ডেম পেহাৰ শৰণাপন্ন হ'ল। পেহাই ডাইৰেক্টৰ নে কমিছনাৰক ফোন কৰিলে। এমাহমানৰ পিছত হ'লেও তাইৰ এডমিশ্যনটো হ'ল।

ছোৱালীজনী ৰেইটিং লিষ্টৰ শেহৰ পিনে আছিল, কিন্তু পেহাৰ এটা ফোনতে তাইৰ নামটো 'কিউ' ভাঙি ওপৰলৈ উঠি আহিল। এৰা পেহা এতিয়াও অতি প্ৰতাপী মানুহ। তেওঁ এতিয়াও সাধাৰণ মানুহৰ দৰে 'কিউ'ত থিয় দিব নালাগে।

সিদিনা নিচেই পুৱা ডেম পেহা ঢুকাল। ৰেডিঅ', টিভিত সবিস্তাৰে প্ৰকাশ হ'ল তেওঁৰ মৃত্যুৰ বাতৰি। সেই দুঃসংবাদ পোৱাৰ লগে লগে বহু মানুহ তেওঁৰ বাসভৱনলৈ আহিল— মন্ত্ৰী, বিধায়ক, নেতা, সমাজৰ বহু প্ৰভাৱশালী মানুহ। এজন পলিটিকেল লীডাৰৰ ঔদ্ধত্য,, কৰ্তৃত্ব, ক্ষমতা আমি তেওঁক দেখি জানিছিলো। তেওঁ আমাক শিকাইছিল যি 'কিউ'ত ৰৈ থাকে তেওঁ সাধাৰণ মানুহ, যি 'কিউ' ভাঙিব পাৰে তেওঁহে আমাৰ সমাজত সমীহ আদায় কৰে। আৰু সঁচাকৈ তেওঁ জীৱনৰ শেষ মুহূৰ্ত এই কৰ্তৃত্বৰেই কটাই গ'ল।

বিয়লি অন্ত্যেষ্টিক্ৰিয়াৰ বাবে সাজু হ'লো। নৱগ্ৰহ শ্মশানলৈকে নিয়াৰ সিদ্ধান্ত ল'লে পৰিয়ালে। শৱযাত্ৰাত খুব বেছি মানুহ নাছিল যদিও প্ৰশাসনৰ পৰা পঠোৱা পুলিচৰ ভান দুখন আছিল। ট্ৰেফিক পুলিচে বাট এৰি দিলে। ডেম পেহাৰ শেষ যাত্ৰাতো সেউজীয়া লাইট জ্বলি থাকিল। ক্ষমতাশালীৰ যি গৰ্ব ঔদ্ধত্য আৰু অহংকাৰ লৈ তেওঁ জীৱন কটাইছিল মৃত্যুৰ পিছত তেওঁৰ শৱদেহতো সেয়া অলংকাৰৰ দৰে জিলিকি থাকিল। শ্মশান পাওঁতে তিনিমান বাজিল। সন্ধ্যাৰ পূৰ্বে সকলো সামৰিব পাৰিলে ভাল হয়।

পিছে লেঠা লাগিল শ্মশানত। শ্মশানৰ চিতা তিনিখন। আটাইকেইখনতেই শৱ উঠোৱা হৈছে। দুৰ্ঘটনাত কোনোবা এজন ডেকা ল'ৰা ঢুকাইছে, হাস্পতালৰ এটা বেৱাৰিছ লাছ জ্বলাবলৈ লৈছে এটা এন জি অ'ই আৰু কোনো এক অখ্যাত বৃদ্ধৰ শৱদেহ এইমাত্ৰ চিতাত উঠোৱা হৈছে।

ডজনে ডজনে ফুলৰ মালা, ধূপ-ধুনাৰে সজোৱা ডেম পেহাৰ মৃতদেহ লৈ আমি শ্মশানৰ গেটত বহি ৰ'লো। কি কাকতালীয় ঘটনা, তিনিটাকৈ শ এই মাত্ৰ তিনিটা চিতাত তোলা হ'ল। জ্বলি শেষ হওঁতে হওঁতে নাই বুলিও আৰু দুঘণ্টা লাগিব।

হঠাৎ মোৰ মনলৈ আহিল— গোটেই জীৱন যিজন মানুহে কোনো শৃংখলা নামানিলে, যিজন মানুহে 'কিউ' ভঙাটো ক্ষমতা আৰু কৰ্তৃত্বৰ প্ৰকাশ বুলি গণ্য কৰিলে সেইজন মানুহে শেষ মুহূৰ্তত নৱগ্ৰহ শ্মশানৰ সন্মুখত অন্য এটা 'কিউ'ত অসহায়ভাৱে অপেক্ষা কৰি ৰ'ব লগীয়া হ'ল। কি বিড়ম্বনা!

লিখকৰ যোগাযোগ ঃ ৯৮৫৪০-৫৩৭৬৭

বিশেষ ৰচনা

প্ৰথম প্ৰকাশ ঃ সাহোন ২০০৪

গল্প

সোঁৱৰণি সোণালীয়ে'

প্ৰয়াত চৈয়দ ফাৰুক হুছেইন

[এটা দশকৰ বিৰতিৰে আকৌ এবাৰ বিহুবলীয়া ৰাইজৰ অন্তৰবোৰ সোণালী কৰিবলৈকে বিশেষকৈ বৃহত্তৰ ৰুক্মিণীনগৰবাসীলৈ প্ৰয়াত ফাৰুক হুছেইন চাহাবৰ বিশেষ ৰচনা 'সোঁৱৰণি সোণালীয়ে' সোঁৱৰণিৰ কুঁৱলী ফালি ব'হাগৰ প্ৰথম দিনটোতে নতুন সাজেৰে ওলাই আহিছে, মানে উলিয়াই অনা হৈছে।

ফাৰুক হুছেইন???

নামটো আজিৰ প্ৰজন্মৰ নিচেই চিনাকি নহ'লেও আমাৰ চামৰ প্ৰত্যেকৰে অন্তৰত অজানিতে সময় সাপেক্ষে খুন্দিয়াই থকাৰ উমান পোৱাৰ এটি নাম। মই যিমান দূৰৰ পৰা ফাৰুক চাহাবক জানো মোৰ মানত তেখেত আছিল দেৰগাঁৱৰ নাহৰণিৰ দ্বিতীয়জন 'মালিক ছাৰ'। নাহৰণিৰ তিনিজন ব্যক্তিকেই মই নিচেই ওচৰৰ পৰা পাইছিলো। সেইকেইজনেই হৈছে প্ৰয়াত আব্দুল মালিক ছাৰ, প্ৰয়াত চৈয়দ ফাৰুক হুছেইন আৰু মজিদকা (মানে সচিবালয়ৰ পৰা উপ-সচিব হিচাপে অৱসৰ লৈ বৰ্তমান হাতীগাঁৱত ঘৰ লৈ বাস কৰি থকাজন।)

নিষ্ঠুৰ অতীতে গ্ৰাস কৰা ফাৰুক চাহাবলৈ আজি বৰকৈ মনত পৰিছে। লগতে তেখেতৰ লেখাত উল্লেখ কৰা আমাৰ বিহুতলীত নিবিড়ভাৱে জড়িত থকা মোৰ পৰম শ্ৰদ্ধা ও মৰমৰ জীৱিত-প্ৰয়াত ব্যক্তিসকললৈ মোৰ বিহুৱবীয়া ওলগ ও শ্ৰদ্ধাৰে এই বিশেষ ৰচনাটি পুনৰবাৰ সদৌটি ৰাইজলৈ আগবঢ়ালো।

অতীত বৰ নিষ্ঠুৰ হ'লেও কিন্তু ইয়াক কোনেও কেঁচা কলিজাৰ পৰা মচি পেলাব নোৱাৰে। আৱেগ, অনুভূতি, দুখ-বেজাৰ, হাঁহি কান্দোন, মান-অভিমান, ঠেহ-পেচেৰে ঠাহ খাই থকা এই অতীতটোক জানো পাহৰিব পাৰি।

অতীত নহ'লে যে বহু আশাৰে জীয়াই ৰখা 'বৰ্তমানটোৰ' ভৱিষ্যতেই বা কি? সেয়েহে বৰ্তমান যুৱ প্ৰজন্মৰ 'হাৰ্টথ্ৰৱ' জুবিনৰ ভাষাৰে—

'এন্ধাৰ হ'ব নোৱাৰো
মচি দিব নোখোজোঁ
পাখিমেলা অতীতক
কিদৰে পাহৰো...']

—ফুলেশ্চ্ গগৈ

বদন বড়োৱে আজিও বাঁহী বায়।
বাঁহীৰ মৌ-মিঠা মাতে মনক লৈ যায় বিহু পতা দিনবোৰলৈ,
ব'হাগ স্মৃতিৰ মাহ।

বিগত দিনৰ ৰঙীন স্মৃতিক সুঁৱৰি মন ৰিঙাই তোলাৰ মাহ। কাৰ কেতিয়া, কি কথা, কিয় ক'বলৈ, আনক শুনাবলৈ মন যায় তাক কোনেও ক'ব নোৱাৰে। ব'হাগ মাহটোৱে বৰদৈচিলাই বুলি-কেতেকীৰ মাতে, ঢোল-পেঁপাৰ শব্দই, মৌসুৰীয়া বিহুগীতে বিভিন্ন জনক, বিভিন্ন ৰূপত বিভিন্ন সাঁচত অলেখ কথা ভাবিবলৈ বাধ্য কৰায়, ব'হাগ মাহ বা বহাগ বিহুৰ দৰে ৰোমান্তিক মাহ আৰু উৎসৱ এটাও নাই। আমাৰ ভাল বেয়া, প্ৰেম-চেনেহ, পানী আনিবলৈ যোৱা নৈৰ পাৰৰ কাৰোবাক চকু জুৰাই চাবলৈ, নিশা সাৰে থাকি কাৰোবাক মনত পেলাবলৈ, ৰাইজাই কৰা মনৰ প্ৰতিটো অনুভূতিৰ কথাৰ সোঁৱৰিবলৈ সদায় সময় পাম। কিন্তু, কিয় জানো আজি আমাৰ হঠাতে হাউছিং ক'লনীৰ বিহুখনৰ জন্মক্ষণৰ কিছু কথা সোঁৱৰিবলৈ মন গৈছে। এদিন এইখনি বিহুতলী ঐতিহ্যত পৰিণত হ'ব। কিন্তু নেজানে নতুন প্ৰজন্মই কেনেদৰে এই বিহুৰতী গাভৰুজনী আমাৰ মাজলৈ আহিছিল, কোনে আনিছিল, বিহুটোও (জনী) জানো এক অৰ্থত এজনী গাভৰু নহয়? প্ৰয়াস কৰিছো তাৰেই কিছু কথা লিখা, কিছু কথা জনোৱাৰ, বহু কথা কিন্তু পাহৰি যোৱা হৈছে। অৱশ্যে, স্মৃতি সদায়ে ডুখৰীয়া, ধাৰাবাহিকতা বিচাৰি যোৱাটো ভুল হ'ব, আৰু এটা কথা মই কিন্তু ৰুক্মিণীনগৰৰ বিহু বুলি কোৱাতকৈ হাউছিং কল'নীৰ বিহু বুলি কৈহে ভাল পাওঁ।

চন, তাৰিখ মনত নাই। হাউছিঙৰ আলিবাটৰ কাষৰ গুলঞ্চী গছ জোপাৰ তলতে থকা পকাৰ পুলটোৰ ওপৰত বহি আছিল প্ৰয়াত বদন বড়ো আৰু অনিল দাস। বদনৰ হাতত বাঁহী। মই ক'ৰবাৰ পৰা আহিছিলো। বদনে কৈ উঠিল, 'দাদা, সকলোতে বিহু পাতে, আমাৰহে বিহু নাই। বিহু এখন পতাৰ দিহা কৰকছোন।' অনিলে 'আমি আছো নহয় দাদা, আমাক ক'ব' বুলি ক'লে। মই 'হ'ব বাৰো, এই কথা উলিয়াম। চাও কি কৰিব পাৰো' বুলি' ক'লো। ভাবিছিলো ডেকা ল'ৰা, এনেয়ে চখত কৈছে। কালিলৈ পাহৰি যাব, কিন্তু আচৰিত ৰাতি ন-দহমান বজাত শুনো বদন আৰু অতিল থকা ঘৰটোৰ পিনৰ পৰা বাঁহী আৰু পেঁপাত বিহু সুৰ আৰু ঢোলৰ চাপৰ ভাহি আহিছে। ঘটনাটোৱে মোৰ বুকুখন কঁপাই তুলিলে। সিহঁত দুটাই এনেয়ে কোৱা নাই। বিহু এখন পতাৰ আগ্ৰহত সিহঁতৰ মন থৌকি-বাথৌ।

পাছদিনা কথাটো উলিয়ালো মাখন বৰাৰ ঘৰত। সেই সময়ত হাউছিঙৰ 'দাদা' বুলিলে বিতুল, বৃহস্পতি, ফুলেশ্চ, মাখন, পোদ্দাৰ, মজিদ আৰু মোকেই বুজাইছিল। আমি 'দাদা' আছিলো সঁচা কিন্তু ভাল কামৰ সৎ-ভাৱৰ, সৎ চিন্তা-চৰ্চাৰ 'দাদা' আছিলো। কথাটো মাখনৰ ঘৰত পতাৰ পাছত আমি লগ কৰিছিলো বিদ্যা গগৈদা, প্ৰয়াত ৰজনী তামুলী দা, প্ৰবীণ বৰ্মন দা, অবনিদা আদিক। আমি বৈ নেথাকিলো। আমি এনে এজন

ব্যক্তিৰ ঘৰলৈ ধাপলি মাৰিলো যিজন আছিল অত্যুৎসাহী, প্ৰেৰণা দিব পৰা, সু-সংগঠক আৰু ব্যক্তিত্ব সম্পন্ন লোক, যাৰ অসমীয়া সংস্কৃতি, কলা-কৃষ্টি আৰু আহোম বুৰঞ্জীৰ ওপৰত আছিল অপৰিসীম দখল। সেইজনেই আছিল প্ৰয়াত লীলাধৰ বৰগোহাঁই। আমি কথা ভালকৈ আৰম্ভ কৰিবলৈকে নাপালো, তেখেতে ইতিমধ্যে কেইবাখনো আগৰ ওচৰে-পাঁজৰে অনুষ্ঠিত হৈ যোৱা বিহুৰ নিমন্ত্ৰণী পত্ৰ, জাননী, চান্দা বহী আদিৰ নমুনা দেখুৱাই আমাক জনালে যে তেওঁ ইতিমধ্যে এই বিষয়ে চিন্তা কৰি এখনি শ্বেতপত্ৰ যুগুতাই ৰাখিছে। আনকি প্ৰয়াত ড° ভৱেন্দ্ৰ নাথ শইকীয়া, মহিবুদ্দিন আহমেদ, কৰুণা বৰুৱা আৰু সচিবালয়ৰ কেইজনমান ওপৰৰ বিষয়াক পৃষ্ঠপোষকৰ বাব দি সৰুকৈ এখনি কমিটীও পাতি থৈছে। কেৱল তলৰ বিষয়ববীয়াসকলক অন্তৰ্ভুক্ত কৰিবলৈ আছে। আমি হতবাক হৈ পৰিলো, কথা মতেই কাম কিন্তু কামৰ সময়ত গোহাঁই দাই কথা কমকৈ কৈছিল। তেওঁ আমাৰ সেনাপ্তি হ'লগৈ আমি সৈনিকৰ বাব ল'লো। বিহু আৰম্ভ হৈ গ'ল। অৱশেষত তেওঁৰ সবল নেতৃত্বই তেওঁকেই প্ৰতিষ্ঠা কৰিলে এই বিহুৰ প্ৰতিষ্ঠাপক হিচাপে। এই কথা আমি আটায়ে আজি সোঁৱৰিব লাগিব।

এইদৰেই প্ৰথম বিহু দ্বিতীয় বিহু, তৃতীয় বিহুবলীয়া ৰাইজ বৈ নাথাকিল। ক'লনীলৈ নতুন মানুহ আহিল, চাকৰিয়াল আহিল, ওচৰে-পাজৰে কোনো কোনোৱে নিজৰ মাটিত ঘৰ সাজিলে। মানুহ চাপি আহিল। পূৰ্বৰ নিজান নিজান লগা হাউছিং ক'লনীৰ গোমা পৰিবেশবোৰে যেন প্ৰাণ পালে, সাৰ পাই উঠিল সৰব হৈ উঠিল মানুহৰ মনবোৰ, ইচ্ছা শক্তিবোৰ, ওলাই আহিল অনিল তালুকদাৰ, ফুকন বৈশ্য, দেবেন কলিতাৰ দৰে উৎসাহী আৰু পৰিশ্ৰমী চফল ডেকাকেইজন, ঠিক ইমানখিনিয়ে আছিল উক্ত বিহুৰ জন্ম লগ্নৰ ইতিহাস, তাৰ পাছৰে পৰা ঢোল, পেঁপা, গগনাই বৈ থাকিব লগাত নপৰিল। ইজনে-সিজনৰ বাহুত বল দিলে। ক'লনীৰ বিহুখনে ক'লনীতে সোমাই নাথাকি বাহিৰৰ আনৰ পদুলি মুখত ফুলা কেতেকী কপৌবোৰকো খবৰ দিলে। কুলি কেতেকী চৰাইহঁতে কণ্ঠত গানৰ সুৰলৈ চাৰিওফালে কৈ ফুৰিলে হাউছিঙত বিহু পাতিছে বুলি। খবৰ পোৱাৰ পাছত আৰু কোনোবা থিৰেৰে বৈ থাকিব পাৰেনে? হিলদ'ল ভাঙি সকলোৱে ধন-মন পণ লৈ ওলাই আহিল, সেই বিহুখনেই আজি এক বৰ্ণাঢ্য ৰূপত জাতিষ্কাৰ হৈ গোলাপ, খৰিকাজাঁইৰ সুবাসৰ দৰে আমোলমোলাই আছে। মানুহৰ সুভাগমনত ঠাইডোখৰ সৰু হৈ পৰিল, ঠেক হৈ পৰিল, ভূগোলে কোনো নিয়ম নেমানে। পৰিসৰ বৃদ্ধিৰ তাড়তাই ক'লনীৰ চাৰিসীমাক নেওচি বাহিৰলৈ ওলাই যাব বিচাৰিলে। সেয়ে হয়তো ৰাইজে নাম দি ল'লে 'বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু' বুলি।

এতিয়া কথা হ'ল ৰাইজে বিহুত কি কৰিলে বা কোনে এক পৰিস্থিতিত কি কি কৰিছিল তাৰ অঁকা ৰেঙণি স্মৃতিৰ বুকুৰ পৰা এৰুৱাই আনি ৰাইজক দিব খুজিছো আৰু সেইখিনিয়েই হ'ব আমাৰ মৌমিঠা অভিজ্ঞতা, অঁকা ৰং হাঁহিৰ কাৰণ, ৰং থকা আৰু ৰংহ বুজি পোৱা সকলেহে ৰঙালী বিহু পাতিব পাৰে। জীয়া জীয়া সৰু

কথা, সৰু সৰু অথচ মন পৰশা ঘটনাইহে জীৱনক জুৰাই ৰাখে যি সমূহেই এদিন এক আনন্দৰ কাৰণ হ'ব পাৰে। আৰম্ভ কৰিব খুজিছো তাৰেই সোণোৱালী সোঁৱৰণ।

ঠেলা-ঠেলি

দ্বিতীয়বাৰৰ বাবে বিহু পতা হৈছিল। বিহুৰ পতাকা অৰ্ধনমিত। ৰাইজৰ হৃদয়ৰ পদূলি উদুলি-মুদুলি। দেবেন, প্ৰয়াত বদন, অনিল প্ৰমুখ্যে সকলো আহি পাইছেহি ঢোল, পেঁপা, গগনা লৈ। চাৰিওপিনে সুৰৰ বৰষুণ, হুচৰিৰ মোহময় পৰিবেশন, বিহু পতাকা বহাগৰ নীলা আকাশলৈ উঠি হালি-জালি মৃদু মলয়াৰ স'তে এৰি দিছে। গাঁৱৰ বাটে-পথে ঘূৰি ফুৰা মৰমীয়াল সৰু সৰু ছোৱালীবোৰ যেন আজি গাভৰু হৈ গ'ল। গ'ল ৰঙা কৰি, ওঠ ৰঙা কৰি বিহুৰ হেঁপাহতে নিজকে গাভৰু সজালে কি হ'ব? ককালত দেখো পাত-মুগাৰ মেখেলাখন নৰয়েই। যি কি নহওক, আৰম্ভ হৈ গ'ল 'শ্ৰীময়ী অসমী'। লিড লৈছে এসময়ৰ অনাতাঁৰ শিল্পী প্ৰদীপ কাকতি দাদাই। দেখা গ'ল ৰাইজৰ একাংশই প্ৰাণ দি ওঁঠ লৰাই গীতটো গাইছে কিন্তু ডিঙিৰ আৱাজ নাই। কি আচৰিত কথা? মূৰ জোঁকাৰি, ওঁঠ লৰাইছে কিন্তু ভইচ নাই। আকৌ দেখা গ'ল কোনোবা কোনোবাই ইজনে-সিজনক ঠেলিছে, কিলাকুটিৰে আঘাত কৰিছে। গীত শেষ হ'ল। কোনোবাই দুষাৰমান ক'লে। তাৰ পাছত আৰম্ভ হ'ল বিহু হুচৰি আৰু ছোৱালীহঁতৰ টাকুৰি ঘূৰাদি কঁকালৰ দেহৰ ভংগীমা। আমি অলপ চাই কথাটো কোৱাকুই কৰিলো। অ' তাৰ মানে শ্ৰীময়ী অসমী কাৰো মুখস্থ নাই। সেয়ে ইমান ঠেলাঠেলি। তেনেতে যেনিবা লীলাধৰ বৰগোহাঁই দাদাই চাৰিপাকমান নাচি দিয়াত সকলোৰে মনটো ভাল লাগিল। ঠেলাঠেলিৰ কথাটো সিমানতে অন্ত পৰিল।

কবি ইন্দিৰা গান্ধী বাই ঃ

ক্ষমা বিচাৰিছো, মৰমীয়াল দোকানী ভাইটি ৰজনীৰ মাতৃক সকলোৱে এই নামেৰেই মাতে। বিহুৰ খেল -ধেমালিৰ প্ৰতিযোগিতা আৰম্ভ হ'ব। মাখন বৰাক কোনে পায়। হাতত বিশেষ ধৰণেৰে গঢ়া এখন দা, তেওঁৰ বাহিৰে সেইখন দা আনে চলাব নোৱাৰে। নালৰ পৰা দাখন ওলাই গৈয়েই দুই ইঞ্চিমান সোঁপিনে ঘূৰি আগলৈ গৈ হাঁহৰ ডিঙিৰ দৰে ভাঁজ লৈছে। ইহাতত ৰচী আৰু জোখ লোৱা ফিটা, টেকেলি ভঙা খেলৰ বাবে ক'ৰবাৰ পৰা এটা মাটিৰ কলহ জোগাৰ কৰি আনিছে। কলহটো খেল আৰম্ভ হোৱা ঠাইডোখৰত ৰাখি বৰাই কাৰোবাক ডিৰেকচন দি আছে। ওঁঠৰ পৰা ওলোৱা ধোঁৱাবোৰে কুণ্ডলি পকাই মুখৰ ওপৰেদি মাজে মাজে বাগৰি গৈছে। তেনেতে কাষৰ গাঁওখনৰ কোনোবা এজনে সেইপিনেদি যাওঁতে উজুটি মাৰি কলহটো ভাঙি পেলালে, গ'ল কথা গুছিল। পিছদিনা ফলাফল ঘোষণা কৰাৰ পাছত জনা গ'ল যে যোৱা কালি যিজনে উজুটি মাৰি কলহটো ভাঙিছিল সেইজনৰে ল'ৰাটোৱে ছোৱালীজনীয়ে টেকেলি ভঙা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰটো লাভ কৰে। তাকে জানি ইন্দিৰা গান্ধী বায়ে মন্তব্য দিছিল এই বুলি— বাপিকিয়ে ভাঙিলে কলহটো/ জীয়েকে পালে

প্ৰাইজটো, সকলোৰে হাঁহি ৰগৰ কৰিলে।

ধৰ মেঘ নেৰিবি, ধৰি থাক

ঃ মেঘ নেকি অ'? কি কৰিছ?

ঃ এই চিপৰাং খন লৈ বহি আছো,

ঃ হেৰৌ, চিপৰাং ৰাতিহে লয়, দিনত নেদেখিব জানো?

ঃ জানো, দাদা, আজি ৰভাৰ আৰু ওপৰৰ চালিৰ বাবে বোলে গাত খন্দা কথা আছিল।

এইজন মেঘকাই, দুদিনমানৰ আগৰ ল'ৰায়ে হাতত চিপৰাং এখন ল'ল বিহুতলীত বহি থাকিব ৰভাৰ খুঁটাৰ গাত খান্দিবৰ বাবে, বেলেগ ধৰণৰ পাংচুৰেল, দেৰি বা সোনকাল বা সময়ত অহা নহাৰ কথা নাই। আহি গাত খন্দাত লাগিব লাগে। বহাগত বতৰো বেয়া হয়। কোনো ভৰষা নাই। মঞ্চ হৈ গ'ল, তাৰ ওপৰত এতিয়া চালি এখন লাগে, প্ৰয়াত বিদ্যা গগৈ দা তেতিয়া গৃহ বিভাগত। চচ্‌মাৰ ফাঁকেৰে অলপ ঘোপাকৈ চালেই পুলিচ কঁপি যায়। প্ৰকৃততে তেওঁ ঘোপা কৰি চোৱা লোক নহয়। হাঁহি মুখীয়া মানুহ। কেইবাখনো টিৰপালে বেটেলিয়নৰ গাড়ীৰ পৰা মাটিলৈ জাপ মাৰিলে। কিবা কাৰণত মঞ্চৰ চালি খন ৰাইজেই তৰিব লগা হ'ল। টিৰপাল ওপৰলৈ উঠিল বাঁহৰ বুকুৰ ওপৰত ভৰ দি। এটা খুটা পচা আছিল হ'বলা। হঠাৎ চালিখনৰ চুক এটা হাউলি পৰিল। এতিয়া কিবা উপায়েৰে ধৰি ৰাখিব নোৱাৰিলে বিপদ আছে। চালিখন ভাঙি পৰিব, তৎক্ষণাৎ মেঘই 'অন্য এটা ভলুকা বাঁহৰ খুঁটা আন, মই ধৰি আছো'। বাঁহৰ খুটা এটা আদি জোখ'ল কাটি, পচা খুটাটো উভালি দিয়াৰ পৰলৈকে মেঘই ঢোকা দি একেলেঠাৰিয়ে চালিখন পৰিব নোৰৰাকৈ ধৰি থাকিল। খুঁটা লগোৱা হৈ গ'ল। মেঘই তেতিয়া তাৰ পাছতো ধৰি থাকিল একেটা তিপতে। বল দিওঁতে তাৰ মুখখন ৰঙা হৈ পৰিছিল। শেষত মজিদেনে কোনে জানো 'ধৰ মেঘ' নেৰিবি, ধৰি থাক। আমি যাও তই ধৰিয়ে থাক' বুলি কোৱাতহে সি বুজি পালে। মেঘৰ কথাটো সিমান নোলাল। সেই মেঘৰ ঠাইত যদি আমাৰ কোনোবা হ'ল হয় পাছদিনা চাগৈ সাতখনমান খবৰ কাগজত কথাটো ওলাল হয়। এটা অতি সাধাৰণ শ্ৰমজীৱী, অভাবী ডেকাতে আদহীয়া যেন হোৱা যুৱক যাক সকলোৰে মৰম কৰে, বিহু বুলিলে যি থিৰেৰে থাকিব নোৱাৰে। তেনে এটা দ্বিতীয় মেঘ মই অদ্যপৰিমীত লগ পোৱা নাই।

মিউজিক চেয়াৰ নহয়, মিউজিক চ'ফা

প্ৰয়াত গিৰীণ শৰ্মা আৰু প্ৰয়াত ভানু শৰ্মালৈ মনত পৰিছে। এনে আপোনভোলা, সৰবৰহী আৰু জনপ্ৰিয় দম্পতী বিচাৰি পোৱা টান, কাষৰ পৰা লগ পোৱা সকলেহে তেওঁলোকক জানিছিল। প্ৰয়াত শৰ্মা অলপ ধেমেলিয়াও আছিল। তেতিয়া বিহু উপলক্ষে খেল-ধেমালিৰ প্ৰতিযোগিতা চলি আছিল, তেনে সময়তে মই গৈ পাইছিলোগৈ তেখেতসকলৰ ঘৰ, ঘেল ধেমালী চলোৱা আৰু পৰিচালনা কৰা কোনোবা এজনে

মাইক যোগে ঘোষণা কৰিছে— এতিয়া অলপ পৰৰ পাছতে আমাৰ মিউজিক চেয়াৰ প্ৰতিযোগিতা পতা হ'ব, ইচ্ছুক মহিলা-ছোৱালীয়ে নাম দি...। মই গৈ বহা কোঠা পাওঁতেই দুয়োজনে কথা পাতি পাতি ভিতৰৰ পৰা ওলাই আহিছে।

ঃ হেৰি আপুনি কি কয়? মইতো ক'তো 'জইন' কৰিব নোৱাৰো। এই মিউজিক চেয়াৰ আইটেমটোতে যোগ দিওঁ নেকি? মই প্ৰাইজ পামেই। মোৰ গাত খুন্দা মাৰি চেয়াৰত বহিবলৈ অহাজনীক চাম নহয় চকীত বহিব নে মাটিত বাগৰি পৰিব।

ঃ ট্ৰাই এটা কৰি চাব পাৰা। কিন্তু, তোমাক কোনোবাই ঠেলা মাৰি পেলাই দিলে বা যদিও নিজেই পৰি যোৱা তোমাক ধৰি দাঙি দিয়াৰ হিম্মৎ কাৰ আছে?

ঃ এহ! পৰিম কিয় আক'? মোৰ স'তে পাৰিব নেকি?

ঃ নোৱাৰে, পিছে এটা কথা,

ঃ এহ্, আকৌ ভাবি ভাবি উলিয়ালে কিবা এটা,

ঃ এই বেলিলৈ থাকক, অহা বেলিলৈ খেলৰ দায়িত্বত থকাজনক আগতীয়াকৈ বাৰুকৈ ৰাখিম।

ঃ কি ক'ব?

ঃ মিউজিক চেয়াৰৰ বদলি মিউজিক চ'ফাৰ আইটেম এটা যেন থাকে।

ঃ সেইটো কি?

ঃ ঘপকৈ বহিবলৈ এই ষ্টিলৰ চেয়াৰবোৰ কামত আহিব জানো? কি কয় হুছেইন, জুৰিবতো লাগিব, কোন যাবহে অৰ্থপেডিক্সৰ ওচৰলৈ।

মই সেইদিনা পৰি পৰি হাঁহিছিলো। ভানুৰ উঠিছিল প্ৰচণ্ড খং, তেওঁলোক দুয়োজন স্বৰ্গগামী হ'ল ফুলপানী ছিগাৰ গাড়ী দুৰ্ঘটনাত।

আবে, সেইজনীক ইয়ালৈ পঠাই দে

এই সংলাপটোৰ বাবে যেন কোনেও পঢ়ি পেলাই দায়-দোষ নধৰে, বিহুবলীয়া, যৌৱনপ্ৰাপ্ত এজন চফল ডেকাৰ এয়া এক অতি স্বাভাৱিক, প্ৰকৃতিগত আৰু স্বতঃস্ফূৰ্ত প্ৰকাশ, মই যদি ক'ব পাৰো যে সেই বছৰৰ বিহুত এই বৃহত্তৰ গুৱাহাটীত আমি অভিনয় কৰা হাস্য-ব্যংগ নাটকখনিয়ে দৰ্শকক যিমান হঁহুৱাইছিল আন কোনো অনুষ্ঠানে সিমান হঁহুৱাব পৰা নাছিল। নিচেই সৰু কাহিনী, সংলাপ নাই, অনুশীলন নাই, সংগীত নাই একোৱেই নাই। সন্ধ্যা বিহু অনুষ্ঠান আৰম্ভ হোৱাৰ কেইঘণ্টামানৰ আগৰ কথা। প্ৰয়াত বিতুল বৰুৱাই মজিদ, ফুলেশ্চ আৰু মোক মাতি ক'লেহি নাটক এখন কৰিব লাগে, তাৰ কাৰণে বিতুলে কাহিনী এটাও ঠিক

কৰিছে। মোক লিখি তোলাবলৈ কৈছিল, সময়ৰ অভাৱ বাবে লিখিব নোৱৰাত মুখেৰেই চলাই দিবলৈ ক'লে। কাহিনীটো হৈছে এখন গাঁৱৰ এজন সহজ-সৰল লোক পুতেকে এজনী মেম' বিয়া কৰাই এদিন ঘৰলৈ লৈ আনিছে। অসমীয়া কথা ক'ব নেজানে, গাঁৱলীয়া সমাজখনৰ বাবে অতি বদনামৰ কথাও হ'ল। তেওঁ বন্ধু এজনক লৈ এশিকনি দিবৰ বাবে পুতেক-বোৱাৰীয়েকক গালি-গালাজ কৰিছে, পুতেক-বোৱাৰীয়েকৰ সেইপিনে কোনো মনেই নাই। দুয়োটাই কেৱল প্ৰেমতে মত্ত। পাছত বাপেকৰ হুকুম পাই বন্ধুজনৰ এচাৰিৰ কোবত দুয়োটাই ছত্ৰভংগ দিয়ে। ঠিক ইমানেই। সমস্যা হ'ল মেমৰ পোছাকজোৰৰ, আমি নাগমাহঁতৰ ঘৰলৈ গ'লো আৰু তাইৰ পৰাই এটা ফুলাম ব্লাউজ আৰু বেঙুনীয়া জাম্পাৰ আনিলো। বিতুল বাপেক, মজিদ বিতুলৰ বন্ধু, ফুলেশ্চ মেম আৰু মই বিতুলৰ মেম বিয়া কৰা পুতেকটো, সকলো কথাই ঠিকে-ঠাকে হৈ গ'ল। কেৱল ফুলেশ্চ মুখত যিমান পাউদাৰ সানিলে, ভৰি দুটাত সানিবলৈ পাহৰি গ'ল, মেমৰ বগা বগা গালৰ তুলনাত ভৰিৰ ৰং তেনে হোৱাৰ কথা কল্পনাই কৰিব নোৱাৰি। নাটকৰ নাম 'বগীমেম' হাজাৰ হাজাৰ দৰ্শকে উচ্চস্বৰত যিমানেই হাঁহিবলৈ আৰম্ভ কৰিলে আমাৰ বাবে সিমানেই সুবিধা হ'ল। প্ৰত্যেকৰে অভিনয় ইমানেই হাঁহি উঠা হৈছিল যে দৰ্শকসকলে আমাৰ সংলাপতকৈ অংগি-ভংগিৰ পিনেহে চকু দিছিল। সেই সুযোগতে আমি মঞ্চতে বিতুলক সুধিছিলো— 'হেৰা, আৰু কি কৰো?' আৰু অলপ কিবাকেিবি কৰি থাকা, ঐ মজিদ, অলপ আগলৈ যা, ফুলেশ্চে ঐই বিতুল আৰু কি কৰো এতিয়া? কিমান এইখিনিকে কৰিম? 'ধেৎ তই লাজ কৰি কৰি গৈ থাক, ফাৰুক, তুমি ইংলিচ গান এটা লগাই দিয়া'। সৰ্বনাশ ইংৰাজী গান ক'ৰ পৰা গাঁও। পাঁচ ছেকেণ্ডমানৰ পাছত হঠাতে মোৰ মুখৰ পৰা গান এটা ওলাই আহিল। 'বাবুলীক, মামুলীক/ বাবুলীক বাবুলী বাম /জাবুলীক, মামুলীক বাবুলী চাম', এই গীতৰ অৰ্থ তেজপুৰত থকা সেইসকলেহে পাৰিব। কথা-বতৰাৰ মাজেৰেই নাটৰ অন্ত পৰিল। ফুলেশ্বৰ মেমৰ ভাও অতুলনীয়, বিতুলৰ হুকুম পাই মজিদে মেঘই আনি দিয়া দুদাল চিৰিপনি এচাৰিৰে যি কোব দিছিল তাক ভাবিলে মোৰ এতিয়াও গা ফৰফৰাই যায়। বিতুলৰতো কথাই নাই। মস্ত এটা গাঁৱলীয়া, কান্ধত গামোচা লোৱা বাপেক, সেই নাটকতে হাউছিঙৰ দ্বিজেন বৰ্মনে অভিনয়ত সন্তুষ্ট হৈ মেমৰূপী ফুলেশ্চক দহ টকাৰে পুৰস্কৃত কৰে। আৰু সেইদিনাই সেই নাটকতে মেমৰ প্ৰতি তেনে মন্তব্য দিছিল দৰ্শকৰ মাজত বহি থকা কোনোবা যুৱকে, মানুহে কিমান হাঁহিছিল তাক বুজাবলৈ আজি মোৰ ভাষা নাই।

জাগ জাগিজাও — ঝুমুৰ নৃত্যৰ ভয় ঃ

কথাটো পাছত ধৰা পৰিল। আকৌ সেইবোৰো আগৰবাৰৰ ঘটনাৰ পুনৰাবৃত্তি। মানুহে মঞ্চৰ তলত সাপ, বেং ওলাইছে বুলি এক প্ৰকাৰে ভয়েই খাইছিল। ইমান লাস্যময়ী হাঁহী লৈ নাচি নাচি থকা সুন্দৰী, প্ৰাণোচ্ছল মিনি কেইগৰাকীয়ে কিয় বাৰু মঞ্চৰ অলত কাষলৈ আহিলে হাঁহিবোৰ ম্লান পৰি যায়, কিয় মুখকেইখন

বিৱৰ্ণ হৈ পৰে, কিয় সবল ভৰিৰ তালবোৰ ধীৰ হৈ যায়, কোনেও একো ধৰিব পৰা নাই। জোৰা-টাপলি মাৰি কোনোৰকমে ঝুমুৰ নৃত্যটো সমাপ্ত কৰিছে। কোনোবাই ইটা অলপ আনি তাত জাপি দিলে। পৰীক্ষা কৰাত ধৰা পৰিল এইবাৰো মঞ্চটো ভাঙিছে আগৰ দৰে। প্ৰণিধানযোগ্য কথা এয়ে যে এই ঘটনাবোৰ উকা দৃষ্টিৰে চালে তাৰ ওপৰত লিখিবলৈ নথকাৰ দৰে লাগে। কিন্তু এই ঘটনাৰ বাবে এটা পৰিবৰ্তন আহি পৰিল। সেই অঞ্চলৰে এজন সদাশয় লোকে হয়তো এই কথাবোৰৰ উমান লৈ আছিল আৰু হৃদয়ংগম কৰিব পাৰিছিল, যাৰ একক দান-বৰঙণিৰে হাউছিঙত সেই প্ৰকাণ্ড মঞ্চটো সজা হ'ল। বৃহত্ত ৰুক্মিণীগাঁওতো বাদেই বোধ হয় সমগ্ৰ গুৱাহাটীতে তেনে এটা মুকলি মঞ্চ নাই। তাৰ বাবে তেখেতৰ নাম ৰাইজে সদায়ে স্মৰণ কৰিব। সেইজন স্বনামধন্য ব্যক্তি প্ৰয়াত ৰঞ্জিত বৰগোহাঁই। যিজনৰ নাম ৰুক্মিণী নগৰবাসীৰ হৃদয়ত চিৰস্মৰণীয় হৈ ৰ'ব। এই মুকলি মঞ্চটো হোৱাৰ বাবে আগতে যি কষ্টৰ মাজেৰে বিহুটিক সামৰি অন্য অনুষ্ঠান পতাৰ ক্ষেত্ৰত দুখ-যন্ত্ৰণা পাইছিল সেইখিনিৰ অন্ত পৰিল। এইদৰে মনত পেলাই গৈ থাকিলে আমি বহুতো মিঠা ৰস লগা অভিজ্ঞতাৰ কথা লিখি কৈ যাব পাৰো, কিন্তু সকলোখিনি লিপিবদ্ধ কৰা জানো সম্ভৱ?

কিন্তু সেয়া হ'লেও আৰু কিছুমান কথা আছে, যিখিনিৰ কথা নক'লে ৰাইজে ভাবি ল'ব যে এই অঞ্চলৰ ৰাইজে বিহুত হাৰা বাঘটা কেৱল এই কথাবোৰকে ইতিবৃত্ত বা ঐতিহ্য বুলি গণ্য কৰে। যিখিনিৰ পৰা বিশেষ একো ল'ব লগা বা শিকিব লগা নাই। সেই কথাবোৰো ৰাইজক জনাব লাগে, য'ত সোমাই আছে মহানতা, বদান্যতা, ত্যাগ আৰু উদাৰতা, বিতুলৰ দুটা বিশেষ গুণ মই এতিয়ালৈকে কাৰো মাজত দেখা নাই। গ্ৰীণৰূমত শিল্পীক মাননী দিয়াত কিবা খেলিমেলি হৈছে বা শিল্পীয়ে বিচৰা মতে দিয়া হোৱা নাই; যাৰ বাবে তেওঁলোক ক্ষুণ্ণ হৈছে। বিতুলে সেইবোৰ মন কৰি থাকে। যাবৰ সময়ত তেনে শিল্পীক বিতুলে সদায় নিজৰ পকেটৰ পৰা পাঁচশ টকাৰ পৰা হেজাৰ টকাৰ ভিতৰত মনে মনে দি দিয়ে। গতিকে বিহুৰ সময়ত বিতুলে পকেটত পাঁচ-ছয় হাজাৰ টকা এই উদ্দেশ্যেৰে ৰাখিছিল। ভুল হ'ব পাৰে, কিন্তু এই কথা মোৰ বাহিৰে কোনেও নাজানিছিল আৰু কাকো বিতুলে নজনাইছিল বুলি মোক কৈছিল। দ্বিতীয় কথাটো হৈছে বিহুটো গ'লগৈ বুলি হুকহুকাই কন্দা, কান্দিব পৰা অসমীয়া মই এতিয়ালৈকে লগ পোৱা নাই। এবাৰ বিহুৰ মঞ্চৰ ৰভা ৰাতি ৰখিবলৈ কোনো মানুহ নাই। সেইদিনা বৰষুণ দিছিল কিজানি, নিচেই পুৱাতে দেখা গ'ল যে বৰগোহাঁই দাই গাৰু এটাত কাপোৰ এখন মেৰিয়াই মঞ্চৰ পিনৰ পৰা ঘৰলৈ আহি আছে। সোধাত ক'লে যে ৰাতি থকা কোনো মানুহ নাই বাবে তেৱেঁই ৰভাৰ চকী-মঞ্চ ৰখিবলৈ গৈছিল। এনেকুৱা ভাল কাম সকলোৱে কৰিব নোৱাৰে। পাৰে দুই-এজনেহে। তাৰ ভিতৰত গোহাঁইদা অন্যতম। এনেদৰেই এই বিহুখনিলৈ বহুতে বহু ধৰণেৰে নিজৰ মহিমা প্ৰকাশ কৰি নিজৰ নাম জিলিকাই গৈছে। মই ঠিক বিহুৰ প্ৰথমাৰ্ধৰ সময়ছোৱাৰ কথা লিখিছো। পাছলৈ সক্ৰিয়ভাৱে লগাসকলৰ ভিতৰত আছে সুনীল বৰা, গিৰিশ দত্ত, সোণেশ্বৰ দাস, কমল কাকতি, টঙ্কেশ্বৰ

কাকতি, ৰাজীৱ হাজৰিকা, নির্মল চন্দ্র দত্ত, প্রদীপ গগৈ, প্রয়াত তৰুণ বৰদলৈদা, ভাইটি নাৰায়ণ বৰদলৈ, নাৰায়ণ শর্মা, ৰেৱতী মোহন হাজৰিকা, হৰেন কাকতি, হৰেন হালৈ আদি। এবাৰ বিহু পতাকা উত্তোলন কৰি প্রয়াত কেপ্টেইন হবিবুৰ ৰহমানে (বৰদেউতা) কৈছিল— তেওঁ কিমান সহৃদয়তাৰে বিহুক শ্রদ্ধা কৰে। তাৰ কাৰণ ই সমাজত মিলাপ্রীতি আনি দিয়ে। চিমেণ্ট কোম্পানীৰ মালিক প্রয়াত গোৱেল চাহাবৰ বাবে সদাই এক সুকীয়া আসন সংৰক্ষিত হৈ আছিল। প্রয়াত ড° ভৱেন্দ্র নাথ শইকীয়া ছাৰৰ পৰামর্শই এই বিহুতলীক বহু ওপৰলৈ তুলি ধৰিছিল। বিতুলে গ্রীণৰুমটো নিজৰ মাতৃদেৱীৰ নামত উৎসর্গা কৰি ভৱনটি নির্মাণ কৰাই দিছিল। তাৰ উপৰি স্থানীয় মহিলা চ'ৰা আৰু অনুষ্ঠানসমূহেও এই বিহু কমিটী আৰু বিহুখনিলৈ অশেষ বৰঙণি যোগাই আহিছে। দীপক কোঁৱৰদাৰ ৰং তুলিকাত বিহুৰ তোৰণ, মঞ্চৰ... আৰু মঞ্চৰ পাছৰ বেৰত কিমানবাৰযে বিহু, পেঁপুৱা, নাচনিৰ ছবিৰে জাতিষ্কাৰ হৈ পৰিছিল তাক দেখা সকলেহে বুজিব পাৰিব। আজি আমাৰ বহুতলৈ মনত পৰিছে। সকলোৰে সন্মিলিত প্রচেষ্টাত এই বিহুতলীয়ে দিনে দিনে নিজৰ সৌষ্ঠৱতা ৰক্ষা কৰি আহি বর্তমানৰ এই অৱস্থা পাইছে। নতুন প্রতিবেশীৰ আগমনত বিহু হৈ পৰিছে সুন্দৰ-সুঠাম আৰু মন পৰশা। কিন্তু সকলোৰে নাম কামৰ কথা জানো লিপিবদ্ধ কৰিব পাৰি? মই ভাবো বর্তমানৰ বিষয়ববীয়া সকলে পূর্বৰে পৰা গঠন কৰা বিহু কমিটীৰ সকলো সভাপতি, সম্পাদক আদিৰ তালিকা প্রকাশৰ ব্যৱস্থা কৰিব লাগে। এনে কৰিলে নতুন প্রজন্মই পুৰণি সকলক মনত পেলাই মনত ৰাখিবলৈ সুবিধা এটা পাব।

ইমানখিনিকে সোঁৱৰিলো। বিহুৱে আমাৰ ঐক্যতা সংহতি, ভাতৃত্ববোধক দৃঢ় কৰিবই। বৰ বৰ লোকৰ চোংঘৰো বেছি, চোঙো সলাই বেছি। বিহু আমাৰ দৰে লোকৰ। সেই জীয়া জীয়া বিহুৰ স্মৃতিও সেইবাবে আমাৰ হৃদয়ত, দেহত আৰু চেতনাৰ কোঁহে কোঁহে সোমাই থাকে।

বদন আজি-কালি মোৰ ঘৰৰ কাষৰ কার্যালয় এটাত চাকৰি কৰে। মাজে মাজে তাৰ বাঁহীত বিহু শুনা পাওঁ। মোৰ স্মৃতিৰ কোমল তাঁৰবোৰ সাৰ পাই উঠে।

ব'হাগ স্মৃতিৰ মাহ।

গামোচাৰ নিলাম

বাপন কলিতা

নিৰ্বাচনৰ ভোট গণনা চলি আছে। শেষ ৰাউণ্ডৰ গণনা। চাৰিওফালে উৎকণ্ঠা। প্ৰতিদ্বন্দ্বীৰ উৎকণ্ঠা, সমৰ্থকৰ উৎকণ্ঠা, টিভিৰ পৰ্দাত উত্তেজনা। হঠাৎ ঘোষণা হ'ল বিজয়ীজনৰ নাম। তাৰ পিছৰখিনি কি হ'ব পাৰে দুগ্ধপোষ্য শিশুটিয়েও অনুমান কৰিব পাৰে। লগে লগে সমৰ্থক, চেলা-চামুণ্ডাই মৌমাখিৰ দৰে তেওঁক আগুৰি ধৰিব,কোলাই-বোকোচাই তুলি ল'ব, গলধনত তুলি ইনক্লাব জিন্দাবাদ দিব। মুহূৰ্তৰ ভিতৰতে তেওঁৰ ডিঙিত ওলমি পৰিব অসংখ্য গামোচা। এই গামোচাই হয়তো তেওঁৰ থূলন্তৰ চেহেৰাৰ ঢোলৰ দৰে পেটটোৰ আকাৰ দুগুণলৈ বৃদ্ধি কৰিব। তাৰ পিছৰ খিনি নক'লেও চলিব।

সভা-সমিতি, ৰাজনীতি, সম্বৰ্ধনা, বিদায়-স্বাগতম গামোচা নহ'লে নচলে। বিহু বিশেষকৈ ব'হাগ বিহু আহিলে গামোচাৰ গুৰুত্ব সমাদৰ কে'বাগুণে বাঢ়ে। আলিয়ে-গলিয়ে গামোচাৰ বজাৰ বহে। সৰুতে বিহুৰ সময়ত সৰু মামাই শালত বোৱা গামোচা পুৰণা বাতৰি কাকতৰে মেৰিয়াই চাইকেলৰ পিছফালৰ কেৰিয়াৰখনৰ চেপেনাত লৈ আহিছিল। মামাই-চাইকেলৰ পৰা সৰুকৈ জাপ এটা মাৰি চোতালত নমাৰ লগে লগে আমাৰ চকুহাল চাইকেলৰ কেৰিয়াৰলৈ যায়। মনত আনন্দৰ জোৱাৰ ব'বলৈ ধৰে। ফূৰ্তিতে বহু সময় মনে মনে মিচিক-মাচাককৈ হাঁহি থাকো। বিহুৰ দিনা আয়ে গামোচাখন গাত দিয়ে। তাৰ মাদকতা ভাষাৰে বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। আমৃত্যু পাহৰিব নোৱাৰি।

এতিয়াৰ ব'হাগ বিহুৰ গামোচাৰ মূল্য আগতকৈ বহুত বেছি। কিছুমান সাহিত্যিকে যেনেকৈ 'বঁটা' কিনে, সন্মান কিনে, তেনেকৈ কিছুমান বিহু কমিটীয়ে কেইখনমান গামোচা অতিৰিক্তকৈ কিনি থয়। সেইখিনি সময়ত সদ্ব্যৱহাৰ কৰে। সহজ কথাত ক'বলৈ হ'লে নিলামত বেচে। একোখন গামোচাৰ দৰ দুই তিনি হেজাৰৰ পৰা লাখৰ ঘৰত নিলাম হয়। বিহু কমিটীভেদে বেলেগ বেলেগ। ঘাইপথৰ ওচৰৰ, চাৰিআলি চ'কৰ ঠাই কিছুমানত ইয়াৰ ৰেট বেছি। অকণমান ভিতৰত বা পাহাৰুৱা নিৰিবিলি ঠাইত ইয়াৰ গুৰুত্ব কিছু কম। সেয়েহে তাত ৰেটটোও অলপ কম। যেনেকৈ বিক্ৰেটাৰ সংখ্যা বহুত ঠিক তেনেকৈ ক্ৰেতাৰ সংখ্যাও

কম নহয়। কিছুমান মানুহৰ পইচাৰ অভাৱ নাই, লিখা-পঢ়া নাই, শহুৰৰ ঘৰৰ বাহিৰে অঙহী-বঙহীৰ স'তে অহা-যোৱা নাই। তেওঁলোকে নিত্য নৈমিত্তিক সকলো ব্যৱহৃত বস্তু যোগাৰ কৰি উঠি আজৰি হৈ এই বিভাগটোত মনোযোগ দিয়ে। মাঠা মাৰে। তেওঁলোকক চাৰিআলিৰ চ'কৰ পাণ দোকানীজনেও গুৰুত্ব নিদিয়ে। সেয়েহে তেওঁলোকে বিহুৰ সময়ত এই সুবৰ্ণ সুযোগ গ্ৰহণ কৰিবলৈ মেকুৰীয়ে ভজা মাছলৈ চোপ লৈ থকাৰ দৰে ভিতৰি ভিতৰি ব্যাকুল হৈ পৰে। (তেওঁলোকে ভালকৈ জানে) যে এই সময়ত যদি বিশিষ্ট অতিথি, নিমন্ত্ৰিত অতিথি নাইবা সম্বৰ্ধনাৰ তালিকাত নিজৰ নামটো কোনো মতে, ভৰাই লৈ মঞ্চত বেঙেনাফুলীয়া হাঁহি এটা মাৰিব পাৰে তেতিয়া জীৱনটো সাৰ্থক হ'ব। মন্ত্ৰী, এম এল এৰ পৰা ৰথী মহাৰথীয়ে গুৰুত্ব দিবলৈ বাধ্য হ'ব। ঘৰত পুত্ৰ-পৰিবাৰৰ ওচৰত বুকুখন আধা ইঞ্চিমান ফুলাব পাৰিব।

এনেকৈ বিহুবোৰ আহে আৰু যায়। বহুতে পালন কৰে কিছুমানে লালন-পালন কৰে। বহুতে বাপতি সাহোন এই বিহুৰ জহত উৎযাপন কৰে, কিছুমানে জীৱন যাপন কৰে। কিছুমান কমিটী চাবলগীয়া। বছৰ বছৰ ধৰি একেজন ব্যক্তিয়ে একেটা পৰিয়ালৰে ব্যক্তি মূল পদবীত। এবাৰ যদি সম্পাদক, তাৰ পিছৰ বছৰ সভাপতি। কমিটীৰ মিটিঙৰ দিনা প্ৰস্তাৱক-সমৰ্থকক পকেটত ভৰাই ফিটিং কৰি আনে। পদবী নিৰ্বাচনৰ সময়ত এওঁলোকে সভাপতিৰ সটো উচ্চাৰণ হ'লেই বহাৰ পৰা সাউতকৈ উঠি প্ৰস্তাৱ কৰে। দিহা নামৰ দাইনা-পালিৰ দৰে সমৰ্থকেও আধা মানৰ পৰা টানি নি ক'ব— 'উক্ত প্ৰস্তাৱটি মই সাদৰেৰে সমৰ্থন কৰিলোঁ।' ঠিক ভাটৌ চৰাইৰ দৰে এওঁলোক। গিৰিহঁতে যেনেকৈ শিকাই তাকে কয়। কৰে।

মান-সন্মানৰ উপৰি এই পদবীবোৰ কিছুমান অতিৰিক্ত লাভ থাকে। বেংকৰ চেক সদৃশ ৰচিদ বহীকেইখনৰ কৃপাত কিছুমানে ছমাহ-বছৰ দিন চেৰেক ঘৰ-সংসাৰ সুন্দৰকৈ চলায়। ঘৈণীয়েকৰ শাৰী, ছেণ্ডেল, কাপোৰ-কানিতে ক্ষান্ত নাথাকি কিছুমানে দুচকীয়া-চাৰিচকীয়া পৰ্যন্ত বগৰাই দিয়ে। সেয়েহে এই লোভনীয় প্ৰবৃত্তিটো কিছুমানে সোনকালে সহজতে আনক এৰি দিবলৈ কষ্ট পায়।

ব'হাগত বৰদৈচিলা, কুলী-কেতেকীৰ আগমনৰ লগে লগে কিছুমান অচিনাকি ডেকা মুখৰ আগমন ঘটে। দিনত তেওঁলোকে ৰাস্তাই-ঘাটে বাইকৰ ষ্টাণ্ট কৰে, চাৰিআলি-তিনিআলি, নলাৰ পকী পুলৰ ওপৰত আড্ডা দি চিগাৰেটৰ ধোঁৱাৰ কুন্দলী উৰুৱায়। 'চিখৰ'ৰ খালী পেকেটৰে ৰাস্তা পথৰা কৰে। সন্ধিয়া হ'লে তেওঁলোকৰ ৰূপ-ৰং, ধং, চাল-চলনৰ নাটকীয় পৰিবৰ্তন ঘটে।

এদিন সন্ধিয়া বাৰাণ্ডাত বহি শ্ৰীমতীৰ লগত সুখ-দুখৰ কথা পাতি আছো। তেওঁৰ লগত একে লগে থাকো যদিও চাকৈ-চকোৱাৰ দৰে কাচিৎহে এনেকুৱা সৌভাগ্য ঘটে। সন্ধিয়া বাৰান্দাৰ লাইটটো নুমুৱাই দি তেওঁৰ লগত বহু দিনৰ মূৰত অকণমান পাতল কথাৰ আৰম্ভণি কৰিলো মাত্ৰ। পাতল মানে গিৰীয়েক-ঘৈণীয়েকে অকলে বহি পতা কথাৰ পাতনি মেলিছিলো। এনেতে পাঁচ-ছয় জনীয়া ডেকা ল'ৰাকেইজনমানে

গেট খুলি আমাৰ ওচৰত থিয় হ'ল। মই তেওঁলোকৰ আগমনৰ উদ্দেশ্য কি বুলি সুধিবলৈও নাপাওঁতেই ডিঙিটো টেৰা-বেঁকা কৰি হাত ভৰি জোঁকাৰি এজনে ক'বলৈ ধৰিলে— 'আংকল, আমি মানে বিহু চেলিব্ৰেচন কমিটীৰ পৰা আহিছোঁ।' মই নুবুজাৰ ভাও ধৰি পুনৰ সুধিলো— 'বুজি পোৱা নাই।' —মানে এইবাৰ আমি ইয়াৰ এল পি স্কুলত বিহু ফানচন এটা অৰ্গেনাইজ কৰিছোঁ। তাত আপোনাক চীফ গেষ্ট হিচাপে ৰাখিছো। আমাৰ এইখিনিতে যে থাকে সাহিত্য সভাৰ এৱাৰ্ড পোৱা ৰিটায়াৰ্ড কলেজ টিচাৰজন তেওঁক নিৰ্দিষ্ট বক্তা হিচাপে ৰাখিছোঁ।' মই ক'লো ' তেওঁ অসমৰ এজন নমস্য ভাষা সাহিত্যিক, অসমীয়া অভিধান প্ৰণয়ন কৰিছে, বিদগ্ধ পণ্ডিত এজনক তোমালোকে নিৰ্দিষ্ট বক্তা পাতিছা আৰু মোৰ দৰে এজন মানুহক মুখ্য অতিথি কৰিছা কিহৰ যুক্তিত? বাবাহতঁৰ উত্তৰ ৰেডিমেড— আপুনি ইয়াৰ লিডিং পাৰছন, ছ'চিয়েল এক্টিভিচ' সেয়েহে।'

বিহু কমিটীখনৰ সভাপতি-সম্পাদকৰ কথা সোধাৰ লগে লগে কোনোবা এজনে যদি কয়— 'মোৰ ডেডী সভাপতি' কোনোবাই কয়, 'মোৰ মাম্মি কালচাৰেল ছেক্ৰেটাৰী।' মই অতিথি হ'ব নোৱাৰো বুলি কোৱাৰ লগে লগে তেওঁলোকে কোৰাচ গোৱাৰ দৰে জাঙুৰ খাই উঠি ক'বলৈ ধৰিলে— নো নো নো, নহ'ব, 'আপোনাক আমি মুখ্য অতিথি পাতিলোৱেই'। কথাখিনি কৈ ল'ৰাহঁত আঁতৰি গ'ল। শ্ৰীমতী আৰু মই চাই থাকিলো। ল'ৰাকেইটাৰ মুখমণ্ডলৰ প্ৰতিচ্ছবিত যেন সিহঁতৰ মাক-দেউতাকৰ ছবিকেইখন আৱিষ্কাৰ কৰিলো। দেশ চাই ভেশ, বাপ চাই বেটা।

বিহুৰ কেইদিনমান আগতে সিহঁতে পুনৰ আহি চান্দাৰ বহীৰ লগতে কাৰ্যসূচী এখন লৈ আহিল। কাৰ্যসূচীখন মোৰ হাতত দি ৰচিদ বহীখন উলিয়াই এজনে সুধিলে— 'আংকল কিমান লিখিম।' চান্দা দিলে মই বিহুৰ মিটিঙলৈ গৈ মুখ্য অতিথি নহওঁ।' আন এজনে ক'লে, 'ঠিক আছে কিমান লিখিম?' — 'দুশ টকা লিখা।' চান্দাৰ বহীখন জপাই থৈ সিহঁতে ক'লে— 'আংকল গামোচাখনৰ দামেই তিনিশ টকা। জাপি, ফুলৰ থোপা, মানপত্ৰৰ দাম মিলালে মিনিমাম এহেজাৰ টকা হ'ব। আমি আঠশ টকা হাতৰ পৰা ভৰিব লাগিব। ঠিক আছে নামটো দিলোৱে যেতিয়া বিহুলৈ আহিবচোন, তাতে কথা পাতিম।'

বিহুৰ দিনা ফোনৰ উপৰি ফোন। অনিচ্ছা সত্বেও সময় মতে গ'লো। মঞ্চৰ তলত উদ্যোক্তাই আথে বেথে বহুৱালে। দুটা ডাঙৰ ছাউণ্ড বক্সত হিন্দী গান বাজি আছে। এঘণ্টা-দুঘণ্টা-তিনি ঘণ্টা গ'ল। মঞ্চত আঁতি গুৰি নোহোৱাকৈ যিয়ে তিয়ে গান গাই আছে। সুৰ-তালৰ সামঞ্জস্য নাই। এজনৰ পৰা গম পালো এইবোৰ কমিটীৰ মানুহৰ অঙহী-বঙহী। জীৱনত কস্মিন কালেও গানৰ কলি এটাও আওঁৰাই পোৱা নাই। কমিটীৰ কৃপাত তেওঁলোকে মঞ্চত উঠি গান গাই কাণ ঘোলা কৰিছে। বিৰক্ত হৈ কে'বাবাৰো গুচি আহিবলৈ চেষ্টা কৰিছিলো। সিহঁতে জোৰকৈ বহুৱাই কয়, 'এই সভা আৰম্ভ হ'বই।'

এটা সময়ত সভা শেষ হ'ল। নিশা দুপৰ হ'ল। মঞ্চত পঞ্চাশজন মান মানুহক গামোচা পিন্ধালে। তাৰে কিছুমানৰ চেহেৰালৈ চালে গভাইত চোৰ-ডকাইত, চিটিবাছৰপকেটমাৰ যেন লাগে। তেওঁলোকে চেলোৰাৰ কামিজ পিন্ধি দাঁত নিকতাই মঞ্চলৈ উঠি আহি, ডিঙিত গামোচা, মূৰত জাপি লৈ নামিছে। দুজমানে মোক গ্ৰীণৰুমৰ ভিতৰলৈ মাতি নি বহিবলৈ দিলে। ক্ষন্তেক পিছতে বিশজন মান ডেকা-গাভৰু, আদহীয়া মানুহ আহি মোক অনুনয়-বিনয় কৰি ক'বলৈ ধৰিলে— 'অমুকক অকল গামোচা পিন্ধাইছো— পাঁচ হেজাৰ দিছে। তমুকক গামোচা জাপি দিছো, দহ হাজাৰ দিছে। মেধিদাক চেলেং চাদৰ পিন্ধাইছো পঞ্চাশ হেজাৰ দিছে। আপোনাক গামোচা, জাপি, সম্বৰ্ধনা পত্ৰ সকলো দিছো কিমান দিয়ে ইয়াত নিজে লিখি দিয়ক।' মোৰ মূৰত সৰগ ভাঙি পৰা যেন লাগিল। মাতবোল বন্ধ হৈ গ'ল। অজানিতে নিজকে পাহৰি গ'লো। কথাবোৰ ভাবি খং উঠিল, দুখো লাগিল। দুখ লাগিল জাতিটোৰ বাপতি সাহোন এই বিহুটিলৈ। ক'ৰ পৰা ক'লৈ গ'ল এই বিহুটি। অসমীয়া জাতিৰ একমাত্ৰ মৰমৰ, আদৰৰ, সন্মানৰ এই গামোচাখনৰ কিছুমানৰ কাৰণে বিলৈ-বিপত্তি নোহোৱা হ'ল। গামোচাখনৰ পণ্যবস্তুৰ দৰে নিলাম হ'ল। টেঁটু ফালি চিঞৰিবলৈ মন গৈছিল— জয় আই অসম, জয় আই অসম, জয় আই অসম।

ৰঙালী বিহুৰ শুভেচ্ছাৰে—

With Best Complement From

TELENT SPARK

DISPUR CENTRE

KNOW YOUR & YOUR CHILDREN'S INBORN TELENT

AMAR PATHAK NAMGHAR COMPLEX, RANGAMANCHA PATH

RUKMNINAGAR, DISPUR, GUWAHATI-6, PH. 98643-22104

হাস্য-ব্যংগ

চিলনীৰ জীয়েক

দাসো কলিতা

বিহু বুলিলে আমাৰ গা সাতখন আঠখন লাগে। ৰঙালী বিহু বুলিলে মনটো কমোৰা তুলা উৰা দি উৰে। আৰু ভোগালী বিহু বুলিলে জিভাৰ পানী সৰ্‌সৰ্‌কৈ পৰিবলৈ ধৰে। কাৰণ ভোগালী মানে হ'ল ভোগ। কত ৰকমৰ ভোগ। ম'হৰ এঠা দৈ, ক্ৰীম, তিলপিঠা, ঘিলা পিঠা, চুঙা পিঠা, নাৰিকলৰ লাৰু, তিলৰ লাৰু, চিৰা, মাহকড়াই আৰু কত কি। আৰু উৰুকাৰ ভোজৰ দিনা পুখুৰীৰ পৰা মাৰি অনা জীয়া মাছ, হাঁহৰ মাংস, ছাগলীৰ মাংস। লোকৰ বাৰীৰ পৰা চুৰি কৰি অনা আলু, ওলকবি, ফুলকবি, বন্ধাকবি, আলু ভাজি। কি খাবা ? কিমান খাবা ? লেখ দিব নোৱৰা খাদ্য সম্ভাৰ। ৰাতি এপেট খাই পেট সেকিবৰ কাৰণে লোকৰ ঘৰৰ পৰা খৰি চুৰি কৰি অনাৰ আনন্দই বেলেগ। আৰু চুৰি কৰি অনা খৰিৰে জুই ধৰি পেট সেকি গোটেই ৰাতিটো বহি থকাৰ আনন্দ পাহৰিব নোৱাৰা। ইটো বিহুৰ উৰুকাৰ পৰা সিটো বিহুৰ উৰুকালৈ মনত থকা আনন্দ। সেই কাৰণে চাগে অসমীয়া মানুবোৰ ঘৰগোনা। ঘৰ এৰি এখোজো বাহিৰলৈ যাব নোখোজে। যি পায় খাই ঘৰতে শুই থাকিব বিচাৰে। পি-পু-সি-শোৰ দেশ অসম। পি-পো-সি-শোৰ সংখ্যা বাঢ়ি গৈ আছে। এতিয়া ওপৰত বৰ্ণনা কৰা এটা বস্তুও পাবলৈ নাই গাঁওবোৰত। সেইবোৰ এতিয়া সাধু কথা হ'ল। তাকো ক'বলৈ বুঢ়ী আইতা নাই। শুনিবলৈ নাতি-নাতিনী নাই। কাক ক'ম কোনে পতিয়াব।

নাইৰ মাজতো ভোগালী বিহু বুলিলে গাঁওবোৰত এমাহ আগৰ পৰা উথপ-থপ লাগে। ধান শুকোৱা, তিল শুকোৱা। আধা ৰাতিতে শোৱাপাতিৰ পৰা উঠি ঢেঁকী দিয়া। ক'বলৈ গ'লে ঢেঁকীৰ শব্দই মুখৰিত কৰি ৰাখে গাঁওবোৰ। ধান খুন্দাৰ পৰা চিৰা সান্দহ, গুৰা সান্দহ আৰু পিঠাগুৰি খুন্দালৈ সকলো কাম ঢেঁকীতে কৰিব লাগে। গতিকে ঢেঁকীৰ গুৰুত্ব বেছি গাঁওবোৰত। পিছে আজিকালি হেনো গাঁৱৰ বেছিভাগ তিৰোতা বাবুৱনী হ'ল। গাঁৱৰ চুকে-কোণে বহুওৱা হ'লাৰ মিলবোৰৰ যহত। গতিকে ঢেঁকী দিবলৈ লাজ কৰা হ'ল। ঢেঁকী দিলে ভৰি বিষোৱা হ'ল। সেই কাৰণে আগৰ দৰে ঢেঁকীৰ গুৰুত্ব গাঁওবোৰতো নোহোৱা হ'ল।

গুৱাহাটী মহানগৰীত? ইয়াত ঢেঁকী দুৰ্লভ বস্তু। সংগ্ৰহালয়ত ৰখাৰ আখৰা চলিছে। গাঁৱৰ পৰা ঢেঁকী আনি গুৱাহাটীৰ লক্ষীৰাম বৰুৱা ক্ষেত্ৰকে ধৰি বিভিন্ন ঠাইত হোৱা বিহুমেলাবোৰত প্ৰদৰ্শিত হ'ব ধৰিছে। অস্থায়ী ঢেঁকী পাতি পিঠাগুৰি খুন্দি, পিঠা পুৰি খুৱাইছে। গুৱাহাটীৰ একাংশ পুৰুষ-মহিলা, ডেকা-ডেকেৰীয়ে আচৰিত বস্তু চোৱাদি চাইছে। বিজুলী বাতি বা ডিজেল নোহোৱাবৈ চলোৱা পিঠাগুৰি খুন্দা মেচিন আৰু পিঠা ভজা মেচিন দেখি কিছুমানে মুখৰ আগত পুৰি দিয়া তাত্‌কা পিঠা কিনি খাইছে। তেকেলী পিঠা কিনি খাই চুঙাপিঠা বান্ধি লৈছে ঘৰলৈ। কোনোৱে আকৌ তিল পিঠা তেকেলী পিঠা, ঘিলা পিঠা সোপাকে বান্ধি নিছে ঘৰলৈ লগে-ভাগে খাম বুলি। ভোগৰ নগৰী গুৱাহাটীত একোৰে অভাৱ নাই। খুতুৰা শাক, মানিমুনি শাকৰ পৰা এঠাদৈলৈ সকলো ভোগৰ সামগ্ৰী গাঁৱৰ পৰা আহি গুৱাহাটী ভৰি পৰিছে। লাগে মাথোঁ ধন। ধন থাকিলে গুৱাহাটীত লাগ বুলিলেই সকলো বস্তু ঘৰত দি যায়। সেইখিনিতে গাঁও আৰু নগৰৰ মাজত পাৰ্থক্য।

আজি-কালিময়ো নগৰীয়া হৈছো। গতিকে নগৰৰ বন্ধু এজনে বিহু খাবলৈ মাতিছে। খুব জোৰকৈ মাতিছে। নগ'লে বেয়া পাব। গ'লো। ঘৰতে ভাবি গৈছিলো গুৱাহাটীৰ মানুহ কিনো খুৱাব। মিঠাই, বিস্কুত, চাহ। বৰ বেছি হয়তো আমুল তাজা গাখীৰৰ পায়স একৰা থাকিলে থাকিব পাৰে। তালৈকে ইমান জোৰকৈ মাতিব লাগেনে? নিশ্চয় কিবা বেলেগ কথা আছে।

কিন্তু বন্ধুৰ ঘৰৰ খোৱা মেজত বহিহে মোৰ চকু থিয় হৈ গ'ল। প্ৰথমতে জহাৰ চিৰা আৰু দৈ। তাৰ পিছত চাহ। চাহৰ লগত তিল পিঠা, ঘিলা পিঠা, তিলৰ লাৰু, নাৰিকলৰ লাৰু, এডোখৰ চুঙা পিঠা আৰু এডোখৰ চুঙা চাউল। লগতে কাটা নিমকি, মিঠাই আছেই। তাকে দেখি মই বোলো হেৰা বন্ধু, কথা কিহে। ন-জোঁৱাইক দিয়াদি দিছা যে।

বন্ধুৱে বোলে —একো নহয় দিয়া। বিহু বুলি খোৱা আৰু সেইকণ।

—সেইকণহে বুলিলানে? পিছে আমাৰ মেচিন ইমান বস্তু একেলগে চেপিব পৰা হৈ থকা নাই নহয়।

—পাৰিবা, পাৰিবা, খাই থাকাছোন।

—হেৰা বন্ধু, গুৱাহাটীত থকাৰ পৰা পাউদাৰ গাখীৰ, চালানি মাছ, ম'ম', চাওমিন খাই খাই পিঠা-পনাৰ কথা পাহৰিয়েই গৈছোহে। এতিয়া আমাৰ পেট খাতি গাখীৰ, নৈ-বিলৰ তেলাল মাছ হজম কৰিব পৰা হৈ থকা নাই নহয়। পেটটো গ'ল। সাৰ দিয়া শাক-পাচলি খাই খাই সাৰ নিদিয়া গাঁৱৰ পাছলি খালেও পেট চলে, বুজিছা। এইবাৰ গাঁৱলৈ গৈ পাই থৈছো নহয়।

—আমিও সদায় নাখাওঁ নহয়। পাওনো ক'ত। বিহু বুলিহে।

—তাকেইতো। কিন্তু ইমানবোৰ বস্তু? ঘৰতে বনাইছে ছাগে। নহয়নে?

—ঘৰতে মানে? হেৰা, আমাৰ এওঁ চিলনীৰ জীয়েক। নাজানা নেকি?

—চিলনীৰ জীয়েক মানে?

—চিলনীৰ জীয়েক মানে চিলনীৰ জীয়েক। আগলতি কলাপাত লৰে কি চৰে, চিলনী আই মোৰ আগতে পৰে। চিলনীৰ জীয়েকৰ সাধুটো নাজানা নেকি?

—সাধুটো জানো। কিন্তু...

—হেৰা বন্ধু শুনা। তুমি কি ময়ো জনা নাছিলো প্ৰথমতে। যেতিয়া তেওঁ তোমাক বিহু খাবলৈ নিমন্ত্ৰণ কৰাৰ কথা কৈছিল। মই বোলো ঘৰত মতাতকৈ হোটেলতে পাৰ্টি এটা দিলে কেনে হয়। সকলো বস্তু যিহেতু কিনিবই লাগিব ঘৰলৈ বোজা কঢ়িয়াই ফুৰাতকৈ হোটেলতে লেঠাটো মাৰি দিয়া ভাল।

তেওঁ বোলে নালাগে। বিহু বুলি ঘৰতে মাতাছোন।

মই বোলো লাৰু-পিঠা দৈ-চিৰা সেইবোৰ লাগিব নহয়, ক'ত পাবা তাতকৈ...

তেওঁ বোলে সেইবোৰ চিন্তা আপুনি কৰিব নালাগে। হে যাব। আপুনি মাথোঁ মানুহ মাতক।

মই তোমাকে মাতিলো বন্ধু বুলি। লাজত পৰাৰ ভয়ত আন মানুহ মতা নাছিলো বুজিছা। কাৰণ ইমানবোৰ বিহুৰ চিৰা-পিঠা, দৈ আছিল বুলি মই এতিয়ালৈ জনাই নাছিলো নহয়। কালিলৈকে তেওঁ ভৰি নচুৰাই নচুৰাই টি ভি চাই আছিল। আৰু এতিয়া এয়া কাঁহি ভৰ্তি বিহুৰ বস্তু। সেই কাৰণে কৈছো আমাৰ এওঁ চাগে চিলনীৰ জীয়েকৰ সেই মন্ত্ৰটো শিকি লৈছে— আগলতি কলাপাত লৰে কি চৰে, চিলনী আই মোৰ আগতে পৰে।' আৰু লগে লগে ... বুজিছাই নহয়।

মই বন্ধুৰ মুখলৈ ভেবা লাগি চাই থাকিলো।

বন্ধু পত্নী হাঁহি হাঁহি ভিতৰলৈ সোমাই গ'ল।

প্ৰশ্ন

নলিনীধৰ ভট্টাচাৰ্য

মই ভালপাওঁ ফুল, আকাশ, সমুদ্ৰ, শিশু আৰু আইক
তুমি কিয় ভালপোৱাৰ সহজ সুন্দৰ নিজৰাত উঠাই দিলা মৃতদেহ?

হাড়ভগা গেবাৰিৰ পিছত মই গুণ্‌গুণ্‌কৈ সৃষ্টিৰ গানত সুৰ দিওঁ
তুমি তাত বিচাৰিলা কিয় ধ্বংসৰ স্বৰলিপি নাকচ কৰিলা মোৰ গান?

মই আশ্ৰয় লোৱা ঘৰটোৰ হাড় মজ্জা পচি উৰলি গৈছে
তুমি তাক জীয়াই তুলিছা কিয় বন মানুহৰ কলিজাৰে?

মই ভাবিছিলো শোভা যাত্ৰাটোৰ বুকুতে জন্ম হ'ব ধুমুহাৰ সেউজীয়া নখ
তুমি কিয় মোৰ স্বপ্ন ভাঙি হেতালি খেলিলা বাৰুদৰ নিৰ্মম স্তুপেৰে?

মই ভাবিছিলো নহয় তেজেৰে ৰঙা মোৰ এই প্ৰিয় বগা মাটি
তুমি চক্ৰান্তৰ গুঠিলা কি জাল? নাচে লুইতত চামুণ্ডা ৰাতি।

তুলসী তলত ৰুলা নেকি ৰক্তজবা? লেলিহান জুই শিখা হৈ সি যে মোৰ
প্ৰিয় ফুল, আকাশ, সমুদ্ৰ, শিশু আৰু মোৰ আইক পুৰি ছাই কৰি নিছে।

হে সময়,
এই ক্ষয়ৰ মাটিত তুমি বয়সিয়াল হৈও আলাপ ধৰিলা কিয় বৈঠকী গানৰ?

উখল মাখল ব'হাগ

মীৰা ঠাকুৰ

বুকুত কপাহৰ জোলাবান্ধি আকাশখন সোমাই
আহিল ভিতৰলৈ।

হঠাৎ শেঁতা পৰিল তাৰে পিছত ক'লা। কি
হেৰুৱাই হিয়ালি-জিয়ালি হ'ল আকাশ মইতো
নাজানো।
যোৱা মোৰ শেঁতেলি তিয়াই মুষলধাৰ বৰষুণ।

তুলি, তচক, গাৰু আনকি শেঁতেলিৰ হাড়লৈকে
তিয়াই মজিয়া চুলেহি পানী।

যন্ত্ৰণাৰ দলিচা পাৰি এদেও-দুদেওকৈ বাঢ়ি আহিল
কৃষ্ণপক্ষৰ পথ অনুপথ

এহেজাৰ এটা হুমুনিয়াই মাটি খহালে বেৰৰ।
শোকৰ ঘূণ পোকে খুলি খুলি খালে কলিজা, হাড়, হাড়ৰ মজ্জা
আৰু দুৰ্বল জোৰাবোৰ

এনেওতো হ'ব পাৰে
এদিন ভিতৰৰ সকলো বস্তু তচনচ কৰি প্ৰচণ্ড গতিৰে সোমাই
আহিব ঋতুৰ ধুমুহা।
ৰুধিব নোৱাৰ। গতিবেগত বিধ্বস্ত হ'ব আতংকৰ দীঘল ৰাতি
পলকতে পুৰতি চৰাইবোৰে পাখিত সানি ল'ব সামুদ্ৰিক উলাহ
পোহৰৰ বৰ্ণমালা আওঁৰাই সিহঁত উৰি যাব ঘৰৰ ভিতৰৰ ঘৰ উজলাই।
মোৰ মাটিৰ ঘৰৰ ভিতৰে বাহিৰে ৰুৰুৱাই জ্বলি কেৱল
উখল-মাখল ব'হাগ।

কাঁইটৰ ফুল

ড° চিত্তৰঞ্জন দাস

মৰমী কেতেকীজনী
কাঁইটীয়া শৰীৰ তোৰ
সুবাস বিভোৰ
আমোলমোল বুকুৰ ফুল
উদাস আকুল
শৰ্বৰীৰ সপোন যেন বিয়াকুল

অন্ধ বতাহ বাউল
নুফুলা ফুলৰ সুবাসত
বাট ঘাট মৌন মুখৰ
শিহৰিত গোপন শিখৰ

নেদেখা বিষাদ তোৰ
ফুল হৈ ফুলে
কলিজাৰ ৰং লয় কোমল কিশলয়ে
বসন্ত বিয়পি পৰে
কাঁইটে কাঁইটে

কাঁইটৰ ফুল ফুলাবলে'

ব'হাগৰ দুটা কবিতা

ৰবীন্দ্ৰ বৰা

।। এক ।।
ব'হাগৰ প্ৰথমজাক বৰষুণত তিতি বুৰি
বাটৰুৱাজনে মূৰ তুলি চালে আকাশখনলৈ

নিজান পথাৰখনে ক'লে
বতৰ বৰ ধেমেলীয়া
ন-ঢল আহিব চাগৈ

।। দুই ।।
ক'ৰ পৰা জানো আহে
উৰণীয়া বতাহজাকত ঢেও দি
যৌৱন উতলা মাত

গাঁওখনৰ পৰা জাকি মাৰি আহিলে
উদঙীয়া মনৰ গাভৰু হাঁহি

চাচোন ইফালে-সিফালে উলাহ উপচা
ৰংমন-ৰঙিলীৰ পিৰীতিৰ বাট।

সুৰ

সুমিত্ৰা গোস্বামী

অচিনাকি সুৰ এটা অহৰহ বাজি আছে
এই সুৰৰ-নাম কি মই নাজানো

ক'ত থাকে সি কি খাই ভাল পায়
কি গীতৰ সুৰত সি হয় মগন

কোনোবাই ক'লে
তাৰ নাম হেনো ৰঙানদী
মিছিছিপি অথবা
হৃদয়ৰ ঘূণাসুতি

এইটো কথা ঠিক
দুখৰ কালিন্দী হ'বলৈ
মই তাক নিদিওঁ

নিদিওঁ তাক শীতৰ শেঁতেলিত
নিশাৰ নিয়তি হ'বলৈ

কাৰণ সি যে লৈ আহিছে মোলৈ
এখন শস্যৱতী পথাৰ
এডৰা চেনেহৰ সেউজীয়া দূবৰি

কথা দিলো
তাক মোৰ মৰমৰ জুহালৰ
দুৱাৰ খিৰিকী খুলি দিম
আথৌ পিথৌকৈ বৰপীৰাত বহুৱাই
জুতি লগাকৈ এসাঁজ খুৱাম
সুত লগা বিচনীৰ বা লগাই
নিচুকণি গীত এফাঁকি শুনাম

জানেনে সুৰটোক মই কোনোদিনে
কাহানিও আমন্ত্ৰণ কৰা নাছিলো

স্বইচ্ছাই সি আহি
দখল কৰিলেহি মোৰ বুকুৰ চুবুৰি
মোৰ অনাড়ম্বৰ হৃদয়ৰ জপনা খুলি
সি নিহালী পাৰিলে বুকুৰ শেতেলিত

সুৰটোক মই এতিয়া
হেৰাই দিওঁ বুলিও হেৰাই দিব নোৱাৰো

বুকুৰ পাজৰৰ আলহী কৰিব খুজিও
আলহী কৰিব নোৱাৰো

সুৰটোৰ গুণ্‌গুণনিয়ে মোক
কৰিবলৈ লৈছে ইমান আমনি

কিয় জানো সুৰটোক বাদ দিব খুজিলেই
শূণ্য হৈ পৰে মোৰ পৃথিৱী।

পাৰিবানে নহাকৈ থাকিব!

কল্পনা শৰ্মা

নীৰৱ নিঃশব্দৰ মাজতে
সিৰিক্ কৰি সৰি পৰিল
অনাৰ্দ্ৰ পাতখিলা।
চঞ্চলা বতাহজাকে
জৰ্‌জৰণি শবদেৰে
ঋতুৰাজ বসন্ত অহাৰ
দিলে বতৰা।

ৰঙা ৰঙেৰে আকাশ বুলাই
লঠঙা মদাৰ
গৰ্বত পৰে ওফন্দি
ব'হাগৰ সুবাসেৰে হৃদয়াকাশ ভৰাই।
ধৰাৰ জীৱকুল
আশাব্যঞ্জক প্ৰবল অনুভূতি

ব'হাগ, তোমাৰ বাবে ৰৈ আছো
আমি বৰ নিঃসংগ
সঞ্জীৱনী মণি হৈ বাৰে বাৰে তুমি
পাৰিবানে নহাকৈ থাকিব!

অহা-যোৱাৰ বাটত

পশুপতি হাজৰিকা

আইৰ বিয়োগত কান্দিছিলো
মনৰ দুখত
সন্তানৰ বিয়োগত কান্দি আছো
বুকুৰ বিষত
নিজৰ বিয়োগত চাগে কান্দিম
কোনেও নেদেখা কল্পনাৰ সিপুৰীত
অথচ জীৱৰ যে তৰণি নাই
মায়াময় বিচিত্ৰ ইপুৰীত ঃ
আজি আছো কালি নাই
ভাবিলে মন ভৰি যায়
তথাপিও মিলন আমাৰ
থাকে স্মৃতি হৈ
অহা-যোৱাৰ বাটত এয়া
মৰমৰ নৈ
সদায় থাকে বৈ।

বসন্তৰ আগমনত

উন্মনা মাধুৰী দত্ত

বসন্তৰ আগমন
        চৌদিশ নদন-বদন
বনে বনে উপবনে
        নতুন সাজত সাজে
কাণে কাণে আহি ক'লে
        ৰ'বৰ যে সময় নাই
এয়া বসন্তৰ আগমন!
এয়া যে বসন্তৰ আগমন!

ডালে ডালে কপৌফুলৰ
        সপোন সপোন সুবাস
কুলি আৰু কেতেকীৰ
        মৌসনা মিঠা মাতে
        বতৰা বিলাই গ'ল
        ৰ'বৰ যে সময় নাই
এয়া বসন্তৰ আগমন!
এয়া যে বসন্তৰ আগমন!
ডেকা আৰু গাভৰুৰ
থৌকি বাথৌ মন
        প্ৰিয়জনৰ আগমন
        জীৱনৰ লগৰী
        বিহুৱান যাচিবৰ হ'ল
        ৰ'বৰ যে সময় নাই
এয়া বসন্তৰ আগমন!
এয়া যে বসন্তৰ আগমন!
ঢোল আৰু পেঁপাৰ মাতে
মন উৰুৱাই নিয়ে
ঢুলীয়া বিহুৱতীৰ
সাজু হ'বৰ হ'ল
ৰ'বৰ সময় নাই
এয়া বসন্তৰ আগমন!
এয়া যে বসন্তৰ আগমন!

ইনালে-বিনালে কুলি-কেতেকীয়ে

বনমালী গোস্বামী

অতীত বসন্তত আদিমৰ স'তে
গছে গছে জঁপিয়াই জঁপিয়াই
কুলি কেতেকীয়ে
দিহিঙ দিপাঙে চিঞৰি চিঞৰি কয়
বাপতি সাহোনটি ল আদৰি
আজিয়ো যেন দুয়োটিয়ে।
উঠ অসমীয়া আকৌ উঠলি
তোৰ তেজত আদিম কৃষ্টিৰ
সোঁত আকৌ বোৱাই
আইৰ খোপাৰ কপৌ ফুল নাহি
আকৌ যেন তহঁতক পিন্ধোৱাৰ বাবে
দিছে আগুৱাই।
নহ'বি কানিয়া নহ'বি সোৱোপা
নহ'বি ধোদৰ বংশৰ জাত
উঠ আকৌ এবাৰ,
আইৰ পাট মুগা, মেজাংকৰি ৰিহাত
ৰঙা ফুলেৰে আজি বাচিছে বুটা
পিন্ধ গামখাৰুযোৰ।
হেতুলুকাৰ ঢেঁকীত খুন্দিছে চিৰা
মইনাই জুৰিছে অসমীয়া গীত
শুন অসমীয়া,
তয়ো ৰজা ম'হৰ শিঙৰ পেঁপা
হালিছে জালিছে আইৰে দেহাটি
মাত সমনীয়া।
ঢোলত দে জান গীতত দে জান
জান দে সখিয়তী চৰাইজনী
নহ'লে উপায় নাই
নাহৰ, কেতেকী, তগৰ ফুল পাহি
সুবাস চটিয়াই তোল এবাৰ তোল
অসমীয়াক জগাই।
কিংখাপ মেখেলা, জেতুকা বোলোৱা
শিপিনীৰ তাঁতৰ বিহুৱা চেলেং
পিন্ধ আকৌ গাত,
চিফুং বজা, চৰাতি বজা বজা টিংখাং
খৰাম ঢোল, ঐনিতম গীতত
প্ৰাণ আহক গাত।
দিৱঙীয়া গীত, বিহুগীত গাই
কৰহি পূজা আই অসমীক
আশীষ বিচাৰি পাৰে
নাচ নাচ অসমৰ কোন আছ সন্তান
নংক্ৰেম, লাইহাৰোৱা, বিহুনাচ
সমন্বয়ে সকলোৰে।
তহঁতৰ কৃষ্টি, তহঁতৰ সৃষ্টি
তহঁতৰ সকলো মাজতেই আছে
মাথোঁ বিচাৰি ল,
উঘা, চেৰেকী, পাকঘৰ, বৰঘৰ
চোৰচাঙত পাতিলি শেতেলীখন
কেৰুমণি গেজেৰা থ।
বৰ খুঁটা, পালিখুঁটা, বৰ চটি থকা
উলু ইকৰাই ঘৰখন বনাইছে
ডবা শঙ্খ থবি ক'ত,
ভোৰ তাল বজাই বৰ নামঘৰত
ভাৱনা পাতিছ মৃদং খোলেৰে
নতুৱা-ছালি নাচিবি যত।
দোতৰা, দগৰ, টোকাৰী বজাই
লোকগীত গাই বৈৰাগী যায়
তই কৰিছ কি?
কাঁহৰ বান বাটিত আৰু বান কাঁহীত
খাইছ মাথোঁ গুৱা সান্দহবোৰ
আৰু কৰিবি কি।
আছিলি হোজা খাৰ খোৱাৰ জাত
কাহুদী, খাৰলী, শোকোতা, পছলা
আৰু খৰিছা খাই,
গুৱাপান দি তুলসীৰ ভেটিত
কাকনো কৰিছ আহ্বান তাত
আকাশ বন্তি জ্বলাই।
টঙালি বান্ধি হেনদাং ধাৰি
মাউখে এবাৰ আহি ওলাই চা
তোৰ অসমখনক,
মৰমৰ ডোলেৰে, সাতো বাই ভনি
একেজনী আইৰ কোমল কোলাত
আকৌ আন চেনেহক।

তাহানি বিহুতলীতে

মীনাক্ষী ভূঞা

বিহুৱতীৰ কথা ঃ

ৰঙা ৰঙাকৈ পলাশ মদাৰ ফুলিলে
দূৰদূৰণিত কুলিটিৰ আধা কেচেলুৱা মাত শুনিলে
ঘৰে ঘৰে দোৰপতিৰ খিটিৰ খটৰ শব্দ ওলালে
বতাহত চিৰা-সান্দহৰ ভজা ভজা গোন্ধ উৰিলে
বিহুৱতীজনীৰ গাটো যেন সাতখন-আঠখন হয়।
'বৰদৈচিলা'জনীয়েও গাৰ কাচুটি উৰুৱাই
আউল বাউল চুলি মেলি মাকৰ ঘৰলৈ ঢাপলি মেলিলেই
কমোৱা তুলাৰ দৰে উৰি উৰি ফুৰিব খোজা
তাইৰো মনৰ গহনত খলকনি উঠে।
পিৰীতিৰ বা লগা হিয়াখনে
অধীৰ আকুল হেঁপাহেৰে বাট চাই ৰয়
'চেনাইধন'ৰ লগত নৈখন পাৰ হৈ গুচি যোৱা ক্ষণটিলৈ।

বিহুৱাৰ কথা ঃ

তেল পিচলোৱা কলীদৈ ম'হৰ শিঙৰ
পিতলেৰে বনকিয়াই লোৱা পেঁপাটিত
নাচিবলৈ লয় বিহুৱাৰ হাতৰ এটি দুটি তিনিটি আঙুলি।
নকৈ বৰতিয়াই লোৱা ঢোলটিত চাপৰ দিবৰ মন যায়
ভলুকা বাঁহৰ গুৰিৰে সজা মাৰিডালেৰে।
ঘৰতো নবহে পথাৰতো নবহে থৌকি বাথৌ মন

মনটি যে বাৰে বাৰে উৰি যায়
চেনেহীয়ে পানী নিয়া ঘাটৰ ফালে।
বুজে বা নুবুজে তাই
ঠাৰে চিয়াৰে ক'ব খোজোঁ তাৰ মনৰ কথাবোৰ।
হাতত জেতুকাৰ বোল সানি
ওঁঠত বৰহমথুৰিৰ ৰঙেৰে বোলাই
খামুচীয়া ককালত মুগাৰ ৰিহাখনি মেৰিয়াই
আহিবনে তাই?
দিবনে কলডিলীয়া খোপাটিত
হাবি ভাঙি অনা কপৌফুল পাহ গুজি দিবলৈ?
বজাবনে তাই মুখ চোকা শিপিনীৰ ব-চুঙাৰে
হেঁপাহেৰে সাজি অনা গগনাটি?
মানুহৰ বিহু, গোসাঁইৰ বিহু, তাঁতৰ বিহু, নাঙলৰ বিহু
ঘৰচীয়াৰ বিহু চেৰাই গৈ চেৰাবিহুটি
হ'বনে বাৰু তাৰ বাবে চেনেহী বিহু?
চেনেহীক মনৰ কথা কৈ জীৱনৰ লগৰী কৰা চেনেহী বিহু।
সাতখন গাঁৱৰ ডেকা-গাভৰুৱে
ঢোল-পেঁপা গগনাৰ ছেৱে ছেৱে
নামতীৰ জাত জাত হিয়া দিয়া নিয়া নামৰ তালে তালে
নাচনীক বাজি মাৰি নচুৱাই থকাৰ পৰতে
ওলাবনে তাই মোৰ শূন্য ঘৰ শূন্য হৃদয় পূৰ্ণ কৰিবলৈ?
যাচিবনে তাই মোক মৰমৰ দীঘ দি চেনেহৰ বানি বৈ
হেঁপাহৰ আচুৰে ফুল তোলা বিহুৱানখনি?
পামনে দুয়ো গঞা ৰাইজখনৰ হিয়াভৰা আশীৰ্বাদ—
'জয় ৰাম বোলা, জয় হৰি বোলা
লাও দিবৰ হেদালি, জিকা দিবৰ জেং...।'

সময় যেতিয়া অতীত হয়

প্ৰতিভা শৰ্মা

সমীৰণৰ বসন্তৰ সুবাসেৰে সুহুৰিয়াই মাতে
কুলিৰ কোমল মাতেৰে প্ৰাণ ভৰে।
কেতেকীয়ে ই-মা-ন বিষাদেৰে,
কিয়নো এতিয়া বিনাই!
হৃদয়ে এতিয়া থৌকি-বাথৌ কৰে
দূৰে দূৰে ম'হৰ শিঙৰ পেঁপাই
অতীতলৈ হাত বাউলি দিয়ে।
কুলিৰ মাতৰ দৰেই বিষাদবোৰ
সাঁচি থওঁ গোপনে, অতি গোপনে
সন্তৰ্পণে
নহ'লে পোখাব।
কুলিৰ কোমল মাত
বসন্ততহে ফুটে কুউ...
শৈশৱে আহৰি পৰত পোহাৰ মেলে।
লীন যায় এদিন যৌৱন আলিত।
যৌৱনত ফাগুনৰ ৰং
প্ৰাচুৰ্যৰে মোহনীয়া হয় জীৱন
আহা, কি অপূৰ্ব!!
পূৰ্ণতাৰ কি যে প্ৰয়োভৰ
সিয়ো অতীত হয়।
লীন যায় সময়ৰ বালিত
সময়ে শিকাই পাঠ
খোজৰ কঠিন বাট...

কৃত্ৰিমতাৰ মুখা পিন্ধি লওঁ,
মই দুখ লুকুৱাই।
কৃত্ৰিম হাঁহিৰে সঁজাত দুখনি ওঁঠ
সেই ৰং ক'ত হেৰাল বাৰু?
কিয় বাৰু লৈ গ'ল আঁকুহি হাঁহিৰ সুবাস।
সময়ে সুহুৰিয়াই যেন কৈ গ'ল মোক
যি হেৰাই গ'ল, সি অতীত হ'ল
বুকুত বিচাৰি চোৱা আছে পূৰ্ণতা
অতীত ৰোমন্থনৰে আৱৰা
সঁচা, মিছা, ভাল, বেয়া
হিচাপ-নিকাচ মাথোঁ তিনিটি আখৰৰ খোলা
এতিয়া... এতিয়া স্থিত প্ৰজ্ঞ মই, মোৰ প্ৰজ্ঞাৰে
কমাৰে সজাইছে জীৱন,
আজি পুলকিত মন, হাবাথুৰি খোৱা নাই
বিচাৰি সুখৰ সঁফুৰা
অতীতে আঙুলিয়াইছে মোৰ জীৱন যাত্ৰা।

তই চ'ততে আহিবি বাসন্তী

ননী বৰুৱা গগৈ

যৌৱনে উপচি পৰা পথাৰখনলৈ
তই চ'ততে আহিবি বাসন্তী
চ'তৰ ৰ'দত গেঠেলা মৰা,
গছৰ কুঁহি কলিবোৰ তেতিয়া
ওলমি ওলমি ফুলিব।
মৰুভূমি পলসুৱা হ'ব
দুখ, বেদনাবোৰ সৰি পৰিব,
ভোকাতুৰ পেট ওফন্দি পৰিব
তই অহাৰ উমান পালে।
নাহৰৰ ৰঙা কুঁহিপাতে
হাঁহি আছে
তোৰ আগমনক আদৰিবলৈ
তগৰ, কপৌৱে অৱগুণ্ঠ আঁতৰাই,
পাহী মেলিছে তই আহিবি বুলি।
তই চ'ততে আহিবি বাসন্তী
কেতেকী, কৰবী গোন্ধ
আমোল মোলাইছে
আইতাৰ চোতালত
দেউতাৰ পদূলিত তাঁত বাতি কৰিছে
জীয়ৰী বোৱাৰীস'তে।
তই চ'ততে আহিবি বাসন্তী
বৰদৈচিলাজনী নাহিব জানো
তাইকো লৈ আহিবি লগত
তাই আহিলে প্ৰকৃতিয়ে গামুৰি দিব।
ন-বৰষুণে ধৰণী ধুৱাই দিব ধূলিময়
নৈ, বিল, খাল পানীৰে উপচি পৰিব
তোৰ মাতত ঢুলীয়া ঢোলৰ,
গুম গুমণিত কঁপি উঠিব দূৰ দিগন্ত
ম'হৰ শিঙৰ পেঁপাৰ অময়া মাতত।
প্ৰকৃতিক প্ৰাণ চঞ্চলা কৰি
নাচনী দেহৰ ভাঁজত
ব'হাগৰ বা বলিব
তই চ'ততে আহিবি বাসন্তী।

জ্যোতিক জনাওঁ প্ৰণিপাত

মঞ্জুলা কাকতি

হে জ্যোতি, আজীৱন
সৌন্দৰ্য সাধক,
চিৰ সুন্দৰৰ পূজাৰী
এটি বোঁৱতি সুতি।
অসমৰ বনফুল হে
সৃষ্টি, কৃষ্টি দুটিপাৰ
প্ৰৱাহিত সুৰৰ গতি।।
জীৱনজুৰি, বিহুৰ
সংগীত সাগৰ মথি,
হীৰা মুকুতা তুলি,
সুৰৰ অগনি জ্বলাই,
নতুন চানেকী বাছি
অসমৰ আকাশ
তুলিছিলা পোহৰাই।
তোমাৰ সৃষ্টিতে
সৰুদৈয়া জপিটি
ফুলাম গামাচাখনি
সজালা-পৰালা সতী জয়মতীক।
অসমীয়া ভাষাটিক
জগত সভালৈ বুলি
ৰূপালীমত চৰালা ৰহণ।
অভিনৰ ভাষাৰে।
সুৰৰ মূৰ্চনাৰে
মুখৰিত কৰিলা অসম।
ৰূপকোঁৱৰ, নাট্যকাৰ, গীতিকাৰ
নৃত্যবিদ আদি বহু
গুণেৰে বিভূষিত হ'লা।
বিপ্লৱী বীৰৰ জীৱন্ত মূৰ্তি
নিজকে চিনাকি দিলা।
সেয়েহে ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ
তোমাক জনাওঁ প্ৰণিপাত
জনাওঁ প্ৰণিপাত।

বেদনা

মণিষা বণিক্য

মনতে ভাবি থৈছিলো সপোন
উলাহৰে কৰিছিলো আপোন।
নিয়ৰ পৰা দুবৰি বন
সাঁচতীয়া ফুলৰ গামোচা
বাগিচাৰ ফুলৰ থোপা
ৰাখিছিলো সাঁচি।
বৰদৈচিলাৰ মেঘালী চুলিৰ
বতাহ-ধুমুহাই নিয়ে মোৰ
পৰা আঁতৰাই সুমুৰাই বেদনা হৈ।
নিজন ঠাইৰ টোপ টোপ
কিনকিনিয়া বৰষুণৰ টোপাল
বেদনাৰ মাজেৰে দিলে উটুৱাই
মোৰ মনত ভগ্ন হৃদয়ৰ বেদনা হৈ।

মানুহ

তেজশ্ৰী বৰা

মানুহ!
তুমি আদিম যুগৰ বৰ্বৰ নোহোৱা,
বুজি পোৱা সভ্যতা সংস্কৃতি
নৈৰ কোলাত
কিদৰে বৈ আহে সময়...
অনবৰত যাঠি, জোং লৈ নেথাকিবা
পানীত তিয়াই আনা শব্দৰ কৰাল,
আত্ম গৰিমা লোপ পাবলৈ নিদিবা
অন্যথা
তুমি কিহত শ্ৰেষ্ঠ
তাচ্ছিল্য কৰা যে আনক?

আভৰণ তোমাৰ
মোহময়ী সজ্জা
লুকুৱাই ৰাখিছা হলাহল কিয়,
ভাবিছা দেখা নাই কোনেও
সুধি চোৱা নিজকে এবাৰ
বন্ধু বুলি মোক কৈছিলা নে নাই...
আমাৰ পৃথিৱীত যে
আমি থাকিম একে লগে

প্ৰজ্ঞাৰে কৰিম শুৱনি ধৰা
এৰি যাম যুগৰ চাবুক এচাৰি...
তোমাৰ
আগ্নেয়গিৰি উদ্‌গীৰণ
সিও মোৰ বাবে এক জ্ঞানৰ বিষয়
বিচাৰি ল'ম সৌন্দৰ্য তাতো
পৃথিৱী ব্যাপী থকা
অ' মোৰ প্ৰিয় মানুহ
সৃষ্টিকামী...।

সম্ভাৰ

প্ৰণীতা দাস

বিহুতে এসাঁজ খাওঁ বুলি সোমালো
মুকুতা বাইটিৰ পাকঘৰত
পিৰা পাৰি বহিলো
ডালিমগুটীয়া দাঁতৰ হাঁহি
টোলপৰা ৰঙচুৱা গাল দুখনি
চাই চাই থাকা খাই
বিধে বিধে ব্যঞ্জন খাই কি যে জুতি পাই
আমৰলি পৰুৱা ভজা, পাতত দিয়া
কেঁচা চাটনি

ঢেলা শামুক খোৱা আকৌ খৰখৰীয়া ভাজি
পাতি শামুক খাবা কচুশাকত দি
গাহৰি মাংস খোৱা মেষ্টা টেঙা
টেঙেচি টেঙেচি

মুৰ্গি খাবা টিকনি বৰুৱা শাকেদি
লেটা খাবা মচমচীয়া তেলত দি
তৰুণ পোক খাবা শুকানে মৰমৰ কৰি
পাৰ মাংস খাবা কলডিল কুচি কুচি কাটি
তেলীয়া হাঁত খাবা কোমোৰা লুথুপ্‌থুপ কৰি
পুঠিমাছ পুৰি খাবা কণবিলাসীৰে পিটিকা কৰি
কেকোৰা দম খাবা আদা নহৰু সানি
উগাৰ মাৰি খাই বৈ
বাইটিক দিলো কিংখাপৰ মেখেলাখনি

ভুৰি ভুৰি আশীৰ্বাদৰ চেলেং চাদৰ গাতে লৈ
মেলানি মাগিলো ঘৰলৈ

পাহাৰীয়া বুটা বচা মোৰ মোনাখনত
ঠাছি ঠাছি ভৰাই আনিলো
কক্‌মক্ কৰি দীঘল দীঘল
বৰচাউলীয়া পিঠা তিলৰ
বগে ধক্‌ধক্ লাৰু নাৰিকলৰ
বাইটিৰ ঘৰলৈ গ'লো
দুই হাতেদি মৰম চপালো।

বসন্ত

বিকি বড়ো

বসন্ত তুমি বহুত দিন
আহিলানো ক'ত?
কুলি, কেতেকী, কপৌ আদি
নিছিলানে লগত?
ঢোল, পেঁপা, টকা, গগনা
থৈছিলানো ক'ত?
প্ৰকৃতিয়ে গৈছিলনে
তোমাৰ লগত?
হঠাৎ শুনিলো পুৱতি নিশা
কুলিয়ে লগালে মাত।
কুলিয়ে দিলে বসন্তৰ বতৰা
প্ৰকৃতিয়ে সলালে পাত।
কুলিৰ মাতে জগাইছে
ঢোল, পেঁপা, গগনাৰ মাত।

অন্তৰ্দ্বন্দ্ব

খৰ্গ বাহাদুৰ ক্ষেত্ৰী

কুকুৰে কুকুৰ বুলি
ভুকিলে মোক,
খণ্ডতে আপোনা পাহৰা হৈ ক'লো
চাই ল'ম তোক।
তয়ো জানো কুকুৰ নহৰ
একে প্ৰজাতিৰ,
ভাবিছ নেকি শ'লঠেকত পৰিলে
কৰিম তোক খাতিৰ।
জ্ঞাতী হিংসুকী বুলি কুকুৰক
সকলোৱে কয়,
সেই গুণে ভাবি মোক
ভুকিছনে তই।
হায় ....
নিয়তিৰ কি যে পৰিহাস,
সময়ৰ তাগিদাত নিজেই ৰচিছে
নিজৰ জীৱনৰ কলংকিত ইতিহাস।

ব'হাগৰ বতৰ

সুবৰ্ণ লতা হাজৰিকা

ব'হাগ আকৌ আহিল
চৌদিশ ৰজনজনাই
কুলি-কেতেকীৰ মিঠা মাতত
নাহৰ-কপৌৰ সুৱাসত।
ব'হাগৰ বা লাগি
বিহুৱা ককাইটিৰ গা
সাতখন-আঠখন।
এফালে বাপতি সাহোন— বিহু
আনফালে নিৰ্বাচন
নিতৌ নতুন সংকল্পৰে
জীপাল ধৰণী।
ঢোল-পেঁপাৰ তালে তালে
ভাহি আছে বহুৰঙী-প্ৰতিশ্ৰুতি।
ৰংমন হঁতেও ককালত
বান্ধিছে টঙালি
জাতিক এখোজ
আগুৱাই নিয়াৰ
ব'হাগেই বতৰ
কিজানি।

মৰমৰ সোণ

মামণি দাস

হঠাৎ তোমালৈ মন পৰি এফাঁকি লিখিম বুলি
কলমটো ল'লো হাতত তুলি।
তুমিয়ে যে মোৰ চিৰদিনৰ বুলি।
সোণ তুমি মোক কিয় বলিয়া কৰিলা
মোৰ কোমল অন্তৰ কিয় তুমি
ভাঙি চূৰমাৰ কৰিলা।
এয়াই নেকি প্ৰতাৰণা?
এদিন যে তুমিয়ে কৈছিলা চকুত চকু থৈ
হাতত হাত থৈ তুমিয়েই মোৰ চিৰদিনৰ
চিৰকালে কাৰোৰে নোহোৱা
মাথোঁ মণি চিৰ দিনে মোৰ।
তুমি ইমানে নিষ্ঠুৰ কিমান দুখ দিবা
এদিন হ'লেও তুমি মোলৈ যেতিয়া মনত কৰিবা
তেতিয়াহে বুজিবা প্ৰেমৰ গভীৰতা কিমান
নিজৰ জ্বলা জুই নিজে নুমাব লাগিব
কাকনো ক'ম কোনেনো বুজিব
আনক ক'লে আনে হাঁহিব
সেয়েহে সোণ মোৰ কথা এবাৰ ভাবিবা
এবাৰ মৰহি গ'লে দুনাই ঘূৰি নাহে
সেয়েহে মোক সদায় মনত ৰাখিবা।

নদীখনত এতিয়া যখিনীৰ থুই

আৰতি দেৱী

চিনাকি নদীখন
বৰ ভাল পাওঁ
কত দিন আমিবোৰে সাঁতুৰিলো
কত দিন পাৰতে বহিলো
সুখৰ দুখৰ
কাহিনী বিলালো,
মন পাতলাওঁ
দুখ পাতলাওঁ
সমিধান দিওঁ—
সমিধান লওঁ—
কিন্তু এতিয়া,
আমাৰ আপোন
নদীখনত
যখিনীৰ থুই
বিষাক্ত যখিনী থুয়ে
আমাৰ শব্দ সম্ৰাজ্ঞীক
শব্দহীন কৰিলে,
আঁখে ফুটাদি ফুটা
শক্তিশালী
শব্দবোৰ
আৰু কেতিয়াও ওলাই নাহে।

এতিয়া ভয় লাগে,
নদীৰ পাৰলৈ যাবলৈ
গান গাই নাচি বাগি
পখিলা হ'বলৈ,
এতিয়া সকলোতে
যখিনীৰ থুই,
কিজানিবা শব্দহীন হৈ পৰো
বেসুৰা হৈ পৰো,
শব্দ সম্ৰাজ্ঞীৰ দৰে,
কিন্তু তথাপি ভালপাওঁ
নদীখন
আমাৰ বুকুৰ আপোন নদীখন
এতিয়াও মন যায়
আগৰ দৰে নাচি-বাগি
পখিলা হ'বলৈ
প্ৰাণ খুলি হাঁহিবলৈ
পাৰতে বহি কাহিনী ক'বলৈ।

অনুভৱৰ দুটামান স্তৱক

গিৰীশ দত্ত

(১)

'তুমি চকু মেলি দিলা
থম্‌থম্‌কৈ বহি থাকিল ক'লা দুটা পখিলা।'

—হীৰেন ভট্টাচাৰ্য

তুমি চকু মুদি দিলা
উৰি গ'ল ক'লা পখিলা দুটি
পোত খাই ৰ'ল চকুত
দুটি বেত খুটি।
বুকুত শিয়াইছে
কবিতাৰ পুলি।।

(২)

বুকুৰ নিজানত
কলিজা কুৰুকি সজা
এটি সৰু খোৰোং
ডেউতাক মুখ গুজি দিলেই ক্ষণিক,
সোঁ-সোঁৱাই সোমাই আহে
কত যে জোনাকী সপোন।

(৩)

প্ৰতাৰক সময়ৰ
হাতোৰাৰ মাজত
এজীৱন বিশ্বাস টোপাটোপে গলে,
কলিজাটো
ডাং লগাই
জপাই থ'ব পৰা হ'লে!!

(৪)

সজা খুলি
পাখি মেলোতেই
জুনুকৈক
বাজিল জুনুকা।
ভৰিত
শিকলিৰ এটি টুকুৰা।।

(৫)

দুবাহু মেলি দিলো,
বুকুৰ মাজত আহি
গুজি দিলা মুখ।
তুমি চুলি বন্ধা পৰত
খেপিয়াই চালো
উদং মোৰ
কামিহাড়ৰ ভাঁজে ভাঁজে
লুকুৱাই ৰখা
সঞ্চিত সুখ।।

(৬)

কানিমুনি সন্ধিয়া
চিৰিটোৰে নামি গ'লো নিতালে
এবুকু সুবাস বিচাৰি
শেৱালি জোপাৰ তললৈ বুলি।
এটি আঁচোৰ খাই
উভতি চালো
সোণোৱালী দুপৰীয়া
দুবাৰ মুখতে ৰৈছিলো
কাঁইটীয়া ৰঙা এটি
গোলাপৰ পুলি।

২০১৩ বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদন

তাং ১৬-০৩-২০১৪ দেওবাৰ

মাননীয় আজিৰ সভাৰ সভাপতি মহোদয়, মুখ্য পৃষ্ঠপোষক, পৃষ্ঠপোষক, মুখ্য উপদেষ্টা, উপদেষ্টা মণ্ডলী, কাৰ্যকৰী সমিতিৰ সভাপতি, কাৰ্যকৰী সভাপতি, উপ-সভাপতি, সদস্য-সদস্যাসকল আৰু বিভিন্ন বিভাগৰ সভাপতি-সম্পাদক প্ৰমুখ্যে বিষয়ববীয়া, সদস্য-সদস্যাসকল আৰু আজিৰ সভাত উপবিষ্ট সুধীবৃন্দ।

শ্ৰদ্ধাৰ ৰাইজ, ত্ৰিংশতিতম বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনীৰ উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদকৰ দৰে গধুৰ দায়িত্বভাৰ এই অভাজনৰ ওপৰত ন্যস্ত কৰা হৈছিল আৰু সম্পাদক হিচাপে কিমানখিনি দায়িত্ব ল'ব পাৰিলো সেয়া আপোনালোকে বিচাৰ কৰিব।

২০১৩ বৰ্ষৰ দৰে ত্ৰিংশতিতম ৰঙালী বিহু সন্মিলনখনি আপোনালোকৰ সহায়-সহযোগিতাত উলহ-মালহেৰে ৩১ চ'ত, ১ আৰু ২ ব'হাগ (১৪, ১৫ আৰু ১৬ এপ্ৰিল)ত তিনিদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰা হৈছিল। তিনিওটা দিনতেই বিভিন্ন প্ৰতিযোগিতা তথা সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰা হৈছিল। শিশুসকলৰ খেল-ধেমালি, চিত্ৰাংকন প্ৰতিযোগিতা আৰু আধুনিক গীতৰ প্ৰতিযোগিতাই মুখৰ কৰি তুলিছিল। অতি আনন্দৰ কথা যে উক্ত অনুষ্ঠানবোৰত শিশুসকলৰ সহযোগিতা আছিল অতি উৎসাহজনক। ইয়াৰ উপৰি বিহু হুঁচৰি, বিহুৱতী আৰু বিহু ৰাণী প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী শিল্পীৰ পয়োভৰ উৎসাহজনকেই নহয় প্ৰশংসনীয় তথা আকৰ্ষণীয় আছিল। তাৰ উপৰি ডি ৰাই ৩৬৫ খ্যাত চুপতি, খগেন গগৈ, বাবু, জীনা ৰাজকুমাৰী, প্ৰবীণ কুমাৰ, মৌচুমী শইকীয়া, উমাকান্ত বৈৰাগীৰ দেহ বিচাৰ আৰু টোকাৰী গীতৰ পৰিবেশনে ৰঙ্গমঞ্চ মুখৰ কৰি তুলিবলৈ সক্ষম হৈছিল।

হে সুধীবৃন্দ, বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনীৰ অবিচ্ছেদ্য অংগ স্বৰূপ স্মৰণিকা 'সাহোন' প্ৰকাশ কৰা হয়। নবীন-প্ৰবীণ লেখকৰ গল্প, প্ৰবন্ধ, কবিতাৰে পুষ্ট লেখাই স্মৰণিকাখন উন্নত মানৰ কৰাত সহায় কৰিছিল। স্মৰণিকাখন প্ৰকাশত স্মৰণিকা সমিতিৰ সভাপতি, সম্পাদিকা তথা সদস্য-সদস্যাৰ চেষ্টা আৰু কৰ্মস্পৃহা স্মৰণীয় হৈ ৰ'ব। সেয়ে তেখেতসকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

এইখিনিতে আপোনালোকৰ জ্ঞাতাৰ্থে ত্ৰিংশতিতম্ ৰঙালী বিহু সন্মিলন উদ্‌যাপন কৰোতে হোৱা আয়-ব্যয়ৰ চমু খতিয়ান দাঙি ধৰিলোঁ।—

সৰ্বমুঠ আয়	৬,৩৫,৬৯৮.০০ টকা
সৰ্বমুঠ ব্যয়	৬,০৮,১৭৪.০০ টকা
কোষাধ্যক্ষৰ হাতে জমা	১০৭১.০০ টকা
বেংকত জমা	২৬,৪৫৩.০০ টকা

উল্লেখ কৰো যে আয়-ব্যয়ৰ বিস্তৃত খতিয়ান বেলেগকৈ দাঙি ধৰা হ'ল।

শ্ৰদ্ধেয় ৰাইজ, যোৰা ৰঙালী বিহু সন্মিলনখনিৰ মণ্ডপটি শ্ৰীভূপিন্দৰ সিং ওৰফে কিকিয়ে দান কৰিছিল তেখেতৰ ওচৰত আমি কৃতজ্ঞ আৰু ধন্যবাদ জ্ঞাপন কৰিলো। জেনেৰেটৰ ছেটটো বিনাভাড়াই বিহু কেইদিনৰ বাবে দি সহায়ৰ হাত আগবঢ়োৱাৰ বাবে শ্ৰীজয়দ্বীপ বিশ্বাসদেৱলৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

ইয়াৰ উপৰি বিহু সন্মিলনখনি উদ্‌যাপনৰ ক্ষেত্ৰত অহা সফলতাৰ আঁৰত বিভিন্নজনে আগবঢ়োৱা আৰ্থিক সহায়-সহযোগ যিসকলৰ নাম লিখিবলৈ বহু ঠাইৰ প্ৰয়োজন হ'ব, তেখেতসকললৈ আমাৰ ধন্যবাদ থাকিল। বিভিন্ন প্ৰতিযোগিতাৰ ক্ষেত্ৰত পুৰস্কাৰ আগবঢ়োৱা দাতা আৰু বিভিন্ন দিশত সহযোগিতা আগবঢ়োৱা ব্যক্তিসকললৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত বিহু সন্মিলনখনি পৰিচালনা কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা দিহা-পৰামৰ্শৰ বাবে উপদেষ্টা মণ্ডলী, সভাপতি প্ৰমুখ্যে বিভিন্ন সমিতিৰ বিষয়ববীয়া তথা সদস্য-সদস্যাসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ আৰু তেখেত সকললৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ। সদৌ শেষত সাধাৰণ সম্পাদক হিচাপে কাৰ্যভাৰ লৈ ইয়াক পালন কৰোতে হোৱা ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰিলো।

জয়তু বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন।

ধন্যবাদ

ইতি

ৰাজীৱ হাজৰিকা

সাধাৰণ সম্পাদক

ত্ৰিংশতিতম বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি

২০১৩ চন

ত্ৰিংশত্তম বৰ্ষ

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউছিং কলনী, দিশপুৰ, গুৱাহাটী-৭৮১০০৬ তাৰিখ-১৪, ১৫ আৰু ১৬ এপ্ৰিল, ২০১৩ চন

Receipt & Expenditure Statement

Receipt			Amount
Opening Balance			**11570**
Cash 805			
Bank Account		10765	
Collection From Donation Books			**583440**
Membership Fees		36400	
Donnor's Contribution for Prize Money		62000	
Husori Bihu	15000		
Bihu Raani	20000		
Bihuwoti	27000		
Compition Joining Fees		8900	
General Collection		476140	
Sponsorship			**39750**
Down Town Hospital		5000	
State Bank of India		15000	
NECEM		3000	
Others		1000	
		15000	
		750	
Interest Accrued from Bank Deposit			**938**
		Total–	**635698**
Total Expenditure			**608174**
Closing Balance			**27524**
Cash-in-Hand		1071	
Bank Accounts		26453	
Opening Balance	10765		
Cheque Deposited	39750		
Interest Accrued	938		
Less Withdrawn	25000		
			635698

Expenditure		Amount
Printing & Stationaries		**46886**
Megazine, Donation Book & Others	42,000	
Flex Printing	3,112	
Office Stationaries	1,547	
Printing Misc.	150	
Photocopy	77	
Pandal & Generator		**64150**
Tent House	60,000	
Excavator Charge	1,100	
Generator Diesel (Oil)	3,050	
Gamocha, Badges & Japi		**13475**
Badges	2,375	
Gamocha	10,500	
Japi	600	
Reception		**15112**
Cook & Helper	500	
Grocery	8,112	
LPG Cylinder	2,000	
Sound & Lighting Arrangement		**31351**
Sound & Lighting	30,000	
Electrical Items	1,051	
Electrician	300	
Electrical Connection		**4500**
Test Report, Labour Charge & Bill	4,500	
Photographer		**1500**
Renumeration to Judges		**8100**
Husori, Bihuwoti & Bihuraani Judges	6,000	
Modern Dance Judges	1,000	
Jeng Bihu Judges	1,100	
Conveyance		**2400**
Labour Charges		**7200**
Ground Levelling & Soil Carrying	2,900	
Preparing Smriti Tarpan	300	
Night Chowkidaar (3 days)	1,000	
2 Lavour for day-night basis (3 days)	3,000	
Prize Money for Compitions		**93400**
Husori Bihu	39,000	
Bihu Raani	20,000	
Bihuwoti	28,000	
Modern Dance	3,400	
Sports Event (Trophy)	3,000	
Cultural Night Expenditure		**314500**
1st Night	90,500	
2nd Night	96,000	
3rd Night	1,28,000	
Miscelleneous Expenses		**5600**
Publicity- Ticker Display	1,500	
Soil Filluo	2,500	
Tamporary Urinal	600	
Ply Cutting	200	
Refreshment for Pollice	600	
Ata for Sports Event	100	
Wrapper Stiching	100	
Total Expenditure		**608174**

সভাপতি সাধাৰণ সম্পাদক কোষাধ্যক্ষ হিচাপ পৰীক্ষক

ত্ৰিংশত্তম বৰ্ষ

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

ৰঙ্গমঞ্চ পথ, হাউছিং কল'নী, দিশপুৰ, গুৱাহাটী-৭৮১০০৬

বিহুৱাণী ২০১৩ ঃ **শ্ৰমতী শ্ৰুতিমালা মেধি**

হুচৰি প্ৰতিযোগিতা

প্ৰথম পুৰস্কাৰ	ঃ	**চেৰেকাপাৰ সুৰুযমুখী বিহুৱা দল, শিৱসাগৰ**
দ্বিতীয় পুৰস্কাৰ	ঃ	**ৰংমন এনাজৰি বিহুৱা দল, শিৱসাগৰ**
তৃতীয় পুৰস্কাৰ	ঃ	**দশম অসম আৰক্ষী বাহিনী, গুৱাহাটী**

বিহুৱতী প্ৰতিযোগিতা

প্ৰথম পুৰস্কাৰ	ঃ	**প্ৰতীক্ষা বৰগোহাঁই**
দ্বিতীয় পুৰস্কাৰ	ঃ	**ৰাধিকাৰাণী শইকীয়া**
তৃতীয় পুৰস্কাৰ	ঃ	**জয়শ্ৰী বৰুৱা**

বিচাৰক মণ্ডলী ঃ **শ্ৰীযুত নীলকণ্ঠ দত্ত, শ্ৰীযুত নিলয় বড়া আৰু শ্ৰীমতী নৱনীতা বুঢ়াগোহাঁই**

একত্ৰিংশত্তম বৰ্ষ

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন ২০১৪ চন

পৰিচালনা সমিতি

মুখ্য পৃষ্ঠপোষক ঃ

সৰ্বশ্ৰী দেৱজিৎ দাস, ভূপিন্দৰ সিং (কিকি), মেজৰ সিং, বিজু কুমাৰ জৈন,
শ্ৰীযুত বিপ্লৱ দত্ত

পৃষ্ঠপোষক ঃ

সৰ্বশ্ৰী অঞ্জন দত্ত, দ্বীজেন শৰ্মা, অপূৰ্ব শৰ্মা, ৰঞ্জিত গগৈ, ৰঙ্গনাথ তালুকদাৰ, ডাঃ হিতেশ বৰুৱা, প্ৰকাশ ম'ৰ, ফণিন্দ্ৰ চক্ৰৱৰ্তী, হোমেন্দ্ৰ হীৰা, ৰোহিনী পাঠক, পদ্মকান্ত বৰা, সত্যজিৎ ভূঞা, মুকুল হাজৰিকা, ৰাজীৱ পানিফুকন, । অমিয়া বৰগোহাঞি, হৰেশ দত্ত, অনুজ শইকীয়া, চাকিল চাদুল্লা, ৰাণা ডেকা, গণেশ শৰ্মা, উত্তম কলিতা, অনিল দাস, শঙ্কৰজ্যোতি ডেকা, প্ৰদীপ বৰা, অজয় গুপ্তা, ৰিপুঞ্জয় চাংকাকতি, প্ৰবোধ চন্দ্ৰ দাস, কুমাৰ পৰিক্ষীত নাৰায়ণ দেৱ, । ৰুমী বৰগোহাঁই, ৰাজেন দাস, জগত ৰঞ্জন গোস্বামী, কাবুল পাঠক, অভিজিত বসুমতাৰী, ডাঃ হেমাঙ্গ বৈশ্য, । স্মৃতিলেখা নাথ

মুখ্য উপদেষ্টা ঃ

সৰ্বশ্ৰী সুনীল বৰা, পৰেশ নেওগ, ফুলেশ্চ গগৈ, প্ৰদীপ কুমাৰ গগৈ

উপদেষ্টা মণ্ডলী ঃ

সৰ্বশ্ৰী প্ৰীতি শইকীয়া, দিনেশ বৰ্মণ, নিশিনাথ চাংকাকতি, ৰেৱতী মোহন হাজৰিকা, কেশৱলাল দাস, ঈশ্বৰ প্ৰসন্ন ফুকন, যাদৱ বৰুৱা, অজিত বৰুৱা, বিপ্লৱ বৰা, ৰাজশোভন গোস্বামী, হেম শইকীয়া, উমেশ চন্দ্ৰ শৰ্মা, মতিচান্দ কুমাৰ, টঙ্কেশ্বৰ কাকতি, প্ৰসন্ন মজুমদাৰ, হৰেণ হালৈ, প্ৰফুল্ল চন্দ্ৰ শৰ্মা, অমল শৰ্মা, দ্বীপক কোঁৱৰ, হৰেণ দাস, কুশল পাঠক, পঙ্কজ কাকতি, পশুপতি হাজৰিকা, বসন্ত পোদ্দাৰ, মুকুল বুঢ়াগোহাঁই, হৰেণ বৰগোহাঁই, ৰত্নেশ্বৰ বৰুৱা, বীৰেন্দ্ৰ নাথ বৰা, কেশৱ চন্দ্ৰ ভূঞা, লক্ষী দাস, ভগৱান ডেকা, টিকেন চৌধুৰী, অৱণী ভট্টাচাৰ্য, ধনীৰাম কলিতা, কিৰণ গুৰুং, ৰমেশ ডেকা, ফনিন্দ্ৰ নাথ চক্ৰৱৰ্তী, সোমেশ্বৰ শইকীয়া, তপন ডেকা, কমল কৃষ্ণ হাজৰিকা, উপকূল বৰদলৈ, থানেশ্বৰ দত্ত, বি চি ক্ৰ, শ্ৰীমতী কমলাৰাণী পাঠক, স্নেহময়ী বৰঠাকুৰ, দিব্য কাকতি, গায়ত্ৰী গগৈ, অঞ্জলী বৰুৱা, প্ৰণীতা ডেকা, মিনতি চৌধুৰী, ৰেণু শৰ্মা, মৃগাংঙ্ক ঠাকুৰীয়া, মানবেন্দ্ৰ দেৱৰায়, পূৰৱী গগৈ দাস, গৌতম গগৈ, সুভাষ কলিতা

কাৰ্য্যনিৰ্বাহক সমিতি

সভাপতি ঃ শ্ৰীনিৰ্মল চন্দ্ৰ দত্ত

কাৰ্য্যকৰী সভাপতি : শ্ৰীচক্ৰধৰ মটক
উপ সভাপতি : সৰ্বশ্ৰী সুৰেণ দাস, দিলীপ চক্ৰৱৰ্ত্তী, কমল কাকতি, ডাঃ দিলীপ ডেকা, অতুল চন্দ্ৰ দত্ত
সাধাৰণ সম্পাদক : শ্ৰীৰাজীৱ হাজৰিকা
সহ-সম্পাদক : সৰ্বশ্ৰী শুক্লেশ্বৰ বড়ো, পাৰ্থপ্ৰতিম শইকীয়া, পলাশ বৰুৱা
কোষাধ্যক্ষ : গুণজিৎ তালুকদাৰ
কাৰ্য্যলয় সম্পাদকদ্বয় : সৰ্বশ্ৰী গোপাল দাস, খুদিৰাম বড়ো

বিত্ত উপসমিতি

উপদেষ্টা : ড° ধৰ্মেশ্বৰ সোণোৱাল, সোণেশ্বৰ দাস, ফুলেশ্বৰ বসুমতাৰী।
সভাপতি : সত্যজিৎ বৰা
উপ-সভাপতি : সৰ্বশ্ৰী ৰঞ্জিত দত্ত, চিন্ময় ফুকন
সম্পাদকদ্বয় : সৰ্বশ্ৰী পৰাগজ্যোতি গগৈ, ৰুবুল স্বৰ্গীয়াৰী
সহ-সম্পাদকদ্বয় : সৰ্বশ্ৰী কল্যান জ্যোতি বৰা, সীমান্ত দত্ত
সদস্য/সদস্যা : সৰ্বশ্ৰী গোবিন্দ শৰ্মা, বিজু শৰ্মা, জ্ঞানদীপ গগৈ, বাণী বুঢ়াগোহাঁই, প্ৰণৱ ডেকা, অমল ডেকা, ইন্দুকল্প ডেকা

সাংস্কৃতিক উপসমিতি

উপদেষ্টা : সৰ্বশ্ৰী গিৰীশ দত্ত, প্ৰদীপ দত্ত
সভানেত্ৰী : শ্ৰীপাৰুল বৰুৱা
উপ-সভাপতি : শ্ৰীমৃদুল বুঢ়াগোঁহাই
সম্পাদক : শ্ৰীগুণীন্দ্ৰ ডেকা
সহ-সম্পাদক : সৰ্বশ্ৰীগৌতম ওজা, সিদ্ধাৰ্থৰাজ বৰদলৈ, নীলম বৰুৱা, নিৰুদ্ধ বৰগোঁহাই
সদস্য/সদস্যা : সৰ্বশ্ৰী দেবজিত কলিতা, পূৰবী কাকতি শৰ্মা, ডাঃ প্ৰণিতা দেৱী উপমণ্যু, কল্পনা শৰ্মা, কিশোৰ দত্ত, অৰূপ শৰ্মা, অমৰ নাথ, অভিজিত নেওগ, সুৰেশ বৈশ্য, ৰমেন কাকতি

মঞ্চ আৰু আলোকসজ্জা উপসমিতি

উপদেষ্টা : শ্ৰীবৃহস্পতি ডেকা
সভাপতি : শ্ৰীমণিৰ আহমেদ
উপ-সভাপতি : সৰ্বশ্ৰী শ্ৰীঅনিল দাস, ভুপেন বড়ো
সম্পাদক : শ্ৰীৰাজেন দাস
সহ-সম্পাদকদ্বয় : সৰ্বশ্ৰীঅপূৰ্ব দাস, মোহন টেৰণ

সদস্য/সদস্যা ঃ সৰ্বশ্ৰী শিৰেন্দ্ৰ ডেকা, ৰণজিৎ ৰাভা, মুকুট ৰাভা, ৰাজ বৰুৱা, সুভাষ গাৰো, বাহাৰুল লস্কৰ, বাবলু থাপা, ৰত্নেশ্বৰ ৰাভা, বীৰেণ নেওগ, বিদ্যা সিং, সিদ্ধাৰ্থ শইকীয়া, বিজয় নেওগ, যোগেন বড়ো

স্মৰণিকা সম্পাদনা সমিতি

উপদেষ্টা ঃ শ্ৰীৰমেন দাস, ভাৰতী ভট্টাচাৰ্যী

সভাপতি ঃ শ্ৰীৰমেন কলিতা

উপ-সভাপতি ঃ শ্ৰীমঞ্জুলা কাকতি, দীপাংকৰ হাজৰিকা

সম্পাদক ঃ শ্ৰীমহেন্দ্ৰ শৰ্মা

সহ-সম্পাদকদ্বয় ঃ শ্ৰীসুৱৰ্ণলতা হাজৰিকা, শ্ৰীনীলমনি ঠাকুৰ

সদস্য/সদস্যা ঃ সৰ্বশ্ৰী ৰাতুল দাস, বিকি বড়ো, মামনী দাস

প্ৰচাৰ উপসমিতি

উপদেষ্টা ঃ শ্ৰীদিগন্ত মাধৱ বৰা

সভাপতি ঃ শ্ৰীযুত ৰাঘবেন্দ্ৰ দাস

উপ-সভাপতি ঃ শ্ৰীসমুদ্ৰ কলিতা

সম্পাদকদ্বয় ঃ সৰ্বশ্ৰীঅসীম বৰ্মণ, প্ৰসেনজিৎ চৌধুৰী

সহ-সম্পাদক ঃ সৰ্বশ্ৰীমহিতোষ দাস, পঙ্কজ কাঠকটীয়া

সদস্য/সদস্যা ঃ সৰ্বশ্ৰী বাবলু নাথ, নৱদ্বীপ বড়ো, জ্যোতি পাঠক, মজিৰুল লস্কৰ, ৰমানন্দ ৰাভা

অভ্যৰ্থনা উপসমিতি

সভানেত্ৰী ঃ শ্ৰীজুনু নেওগ

উপ-সভাপতি ঃ সৰ্বশ্ৰীদীনবন্ধু বৈশ্য, বংশীধৰ কাকতি

সম্পাদকদ্বয় ঃ সৰ্বশ্ৰীভাইটি দত্ত, কাণু ৰাভা

সহ-সম্পাদিকা ঃ সৰ্বশ্ৰী ৰীতা ডেকা, ৰাণু গগৈ, উন্মনা মাধুৰী দত্ত

সদস্য/সদস্যা ঃ সৰ্বশ্ৰী ননী ডেকা, নিলীমা ডেকা, কাঞ্চন হাজৰিকা, বীনা দত্ত, মিনু বৰুৱা, দীপিকা কলিতা, কল্পনা দাস, পীনা ডেকা, কনক বণিয়া, মহেন্দ্ৰ দাস

ক্ৰীড়া উপসমিতি

সভাপতি ঃ শ্ৰীজ্যোতি প্ৰসাদ ডাউকা

উপ-সভাপতি ঃ শ্ৰীখনিন চৌধুৰী

সম্পাদক ঃ শ্ৰীজীতেন বড়ো

সহ-সম্পাদকদ্বয় ঃ শ্ৰীনৃপেন দাস, শ্ৰীৰাণা ৰাভা

সদস্য/সদস্যা ঃ সৰ্বশ্ৰী ৰাজ ছেত্ৰী, ধনজিৎ ৰাভা, অলকেশ ওজা, চন্দন নাথ, ৰাজু বড়ো, ভদ্ৰেশ্বৰ বড়ো, ৰাজাৰাম বড়ো

স্বাস্থ্য উপসমিতি

সভাপতি	ঃ	ডাঃ মাধুৰ্য্য গগৈ
উপ-সভানেত্ৰী	ঃ	শ্ৰীপ্ৰিয়দা চেলেং সোণোৱাল
সম্পাদিকা	ঃ	শ্ৰী প্ৰতিমা বৰা
সহ-সম্পাদক	ঃ	শ্ৰীজ্যোৰ্তিময় বৰুৱা
সদস্য/সদস্যা	ঃ	সৰ্বশ্ৰী সীমান্ত কুমাৰ বড়ো, মুনীন্দ্ৰ হাজৰিকা
সেচ্ছাসেৱকপৰিচালক	ঃ	শ্ৰীমুক্তিকাম শ্যাণ্ডিল্য
সেচ্ছাসেৱক	ঃ	সৰ্বশ্ৰী মনোজ বৰ্মন, সমীৰ সুত্ৰধাৰ, বিকি মালাকাৰ, সুনীল গাৰো, টিতু সিং

উদ্‌যাপন সমিতিৰ সদস্য/সদস্যাবৃন্দ ঃ

সৰ্বশ্ৰী অনিৰুদ্ধ ওজা, তৰুণী কলিতা, ৰাজেন কলিতা, অপূৰ্ব কলিতা, মীনা দত্ত, ৰূপজ্যোতি কলিতা, সত্যসুন্দৰ উপমন্যু, অনিমা বৰদলৈ, পূৰ্ণিমা বৰদলৈ, নিত্যানন্দ তালুকদাৰ, পংকজ কাকতি, গৌতম কাকতি, ৰাজৰ্ষি চৌধুৰি, ৰফিকুল হুছেইন, অৰূপ মিশ্ৰ, অনুপ মিশ্ৰ, জীতেন সিন্‌হা, পৰিমল বিশ্বাস, ফণিধৰ কলিতা, প্ৰমোদ কলিতা, অঞ্জন বুজৰবৰুৱা, সন্তৰা ৰাভা, এচ আৰ দৈমাৰী, এচ হক, ইলা ৰাজবংশী, সুনন্দা দত্ত, ৰামেশ্বৰ দাস, প্ৰবাল সিন্‌হা, মহাদেৱ নাথ, উৎপল দাস, ৰঞ্জন বিশ্বাস, অৰবিন্দ পাল, দেৱেন্দৰ ৰায়, অনিমেষ দাস, ৰূপক চৌধুৰী, পঙ্কজ ভূঞা, পুতু বড়ো, কৃষ্ণ বড়ো, মাধৱ কলিতা, চম্পা দাস, বিদ্যুৎ বৈশ্য, চৈয়দ মহম্মদ আব্দুল্লা বৰভূঞা, দীপক সুত্ৰধৰ, হানিফ আলি শ্বেখ, ৰাতুল পাটোৱাৰী, আনোৱাৰুল ইছলাম লস্কৰ, অপূৰ্ব গোস্বামী, চেলিমুদ্দিন বৰভূঞা, কপিলদেৱ শৰ্মা, চাইদুৰ ৰহমান লস্কৰ, হৰমোহণ নাথ, শিৱ শঙ্কৰ প্ৰসাদ, নিৰ্মল বিশ্বাস, হৰেশ্বৰ দাস, মুকুট বৰা, চাৰু নাৰ্জাৰী, ৰিঙ্কু পাঠক, ৰজনী গাৰো, নীলিমা দত্ত, অমূল্য পাঠক, মহাদেৱ শৰ্মা, অচ্যুত শৰ্মা, অসীম কলিতা, মানস প্ৰতিম বৰা, প্ৰণৱ ডেকা, মনোৰঞ্জন কাকতি, উৎপল ওজা, কালিপদ সেন, ভূমিকা তালুকদাৰ, মুহিৰুদ্দিন বৰভূঞা, সোবল দাস, সীমান্ত বড়ো, অবনী বৰ্মন, নৱজ্যোতি হাজৰিকা, কৌশিক প্ৰতিম হাজৰিকা, কবিতা কলিতা, মৌচুমি ব্ৰহ্ম, সুকণ্যা ফুকন, সীমাশ্ৰী বৰা, সঙ্গীতা কোঁৱৰ, চিন্টু দত্ত, সত্যব্ৰত দাস, বিকি মহন্ত, অনিল শৰ্মা, অমিতাভ চহৰীয়া, মহেশ্বৰ বড়ো, ধন কাকতি, গৌতম নাথ

আৰু

বৃহত্তৰ ৰুক্মিণীনগৰ অঞ্চলৰ সমূহ ৰাইজ....

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি, ২০১৪

স্মৰণিকা 'সাহোন' সম্পাদনা সমিতি, ২০১৪



ত্ৰিংশতিতম বৰ্ষৰ ৰঙালী বিহু সন্মিলনৰ পতাকা উত্তোলন



শ্ৰীযুত দুলাল ৰয়ৰ দ্বাৰা ত্ৰিশতিতম বৰ্ষৰ সাংস্কৃতিক সন্ধিয়া উদ্বোধন

শ্ৰেষ্ঠ হুঁচৰি বিহু দল ঃ চেৰেকোপাৰ সূৰুযমুখী বিহুৱা দল, শিৱসাগৰ

গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ দ্বাৰা নিৰ্মিত ৰুক্মিণীনগৰ প্ৰেক্ষাগৃহ
বৃহত্তৰ ৰুক্মিণীনগৰ বিহুতলী